৪৩ তম্

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

সাহোন

অভিজিত নেওগ
সম্পাদক

ৰঙ্গমঞ্চ পথ, হাউছিং কল'নী, দিশপুৰ, গুৱাহাটী-৭৮১০০৬

৪৩ তম্ বৃহত্তৰ ৰুক্মিণী নগৰ ৰঙালী বিহু (২০২৬)ৰ
বিষয়ববীয়া আৰু সদস্যসকলৰ একাংশ

৪৩ তম্

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন

সাহোন

ৰঙ্গমঞ্চ পথ, হাউচিং কল'নী, দিশপুৰ
গুৱাহাটী - ৭৮১০০৬

১, ২ আৰু ৩ ব'হাগ ১৪৩৩ ভাস্কৰাব্দ
ইং ১৫, ১৬ আৰু ১৭ এপ্ৰিল ২০২৬

ৰঙালী বিহুৰ শুভেচ্ছা আৰু নতুন বছৰৰ ওলগ জনাই

প্ৰতি

....

....

নৰজ্যোতি গগৈ
সভাপতি

অভিজিত নেওগ
সম্পাদক

৪৩ তম্ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন
বিহু সন্মিলনৰ স্মৰণিকা - ২০২৬

সাহোন

সম্পাদনা সমিতি

ঃ সভাপতি ঃ
শ্ৰীযুত নৰজ্যোতি গগৈ

ঃ উপ-সভাপতি ঃ
শ্ৰীযুতা পুস্পাঞ্জলি গগৈ, শ্ৰীযুতা কাকলি বৰদলৈ

ঃ সম্পাদক ঃ
শ্ৰীযুত অভিজিৎ নেওঁগ

ঃ সহ-সম্পাদক ঃ
সৰ্বশ্ৰী প্ৰশান্ত ডেকা, জয়ন্ত খনিকৰ

ঃ সদস্য / সদস্যা ঃ
সৰ্বশ্ৰী বিশ্বজিৎ দত্ত, বিদিশা ডেকা, কনক বণিয়া, ৰাণা ৰাভা, মহিতোষ দাস, বৰ্ণমজ্যোতি ৰাজকাশ্যপ, নৰজ্যোতি দেৱনাথ

ঃ প্ৰকাশক ঃ
বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু উদ্‌যাপন সমিতি
ৰঙ্গমঞ্চ পথ, হাউচিং কল'নী, গুৱাহাটী- ৭৮১০০৬

ঃ মুদ্ৰণ ঃ
মুনষ্টাৰ এন্টাৰপ্ৰাইজ, হেঙেৰাবাৰী, গুৱাহাটী-৭৮১০৩৬

বিহু উদ্বোধনী গীত
শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে

শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে
উছৱৰ মধু আলোড়ন।
জাগে গম্ভীৰ গিৰিবৰ প্ৰান্তৰ মনোহৰ
সুন্দৰ বন-উপবন।।
ভেদা-ভেদ পৰিহৰি কত জাতি উপ-জাতি
মহাপীঠ কৰে নিৰমাণ,
উলাহ অধীৰ ছন্দে কোটি কোটি কণ্ঠে
গায় সবে মিলনৰ গান।।
সৰগৰ ৰহঘৰা ৰূপে ৰসে ৰঙে ভৰা
উচ্ছল যত প্ৰাণ মন,
সৃষ্টিৰ সুৰ বাজে প্ৰীতিৰ পতাকা উৰে
নতুনৰ ল'ই আৱাহন।।
ৰচনা ঃ পুৰুষোত্তম দাস

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ সমবেত সংগীত

ৰচনা : পাৰুল বৰুৱা
সুৰ ঃ পণ্ডিত বিশ্বজিৎ ৰায়চৌধুৰী
চন ঃ ২০২৩

আমি পোহৰৰ অভিযাত্ৰী
পোহৰ পিয়াসী প্ৰাণ
অমানিশাৰ বিভীষিকা নাশি
গাওঁ আমি পোহৰৰ গান।

নানা জাতি জনজাতি
নাই ভেদাভেদ একো
আছে মাথোঁ
সমন্বয় আৰু সংস্কৃতি;
এয়া যে মিলন থলি
দুষ্কৃতি বিনাশি গাওঁ আমি
মহা মিলনৰ গান।।

ঐক্য সংহতি মৈত্ৰী আমাৰ
লক্ষ্য আমাৰ শান্তি
প্ৰাণৰ পোহৰে উজলাম ধৰা
আমি পোহৰৰ সহযাত্ৰী;
ৰুক্মিণীনগৰৰ বিহুতলিত
গাওঁ সমন্বয়ৰ গান
জীৱন জুৰোৱা গান।।
মহামিলনৰ গান।। ❖

শ্ৰদ্ধাঞ্জলি



ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাদেৱক
জন্ম শতবাৰ্ষিকীত
গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদিছোঁ

শ্ৰদ্ধাঞ্জলি

"ধুনুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এন্ধাৰো সঁচা মোৰ
বহুদিনৰে আপোন....."

যুগে যুগে আমাৰ তুমি

প্ৰাণৰ শিল্পী
হিয়াৰ আমঠু
জুবিন গাৰ্গলৈ
অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি
নিবেদিছোঁ

লেখিকা সংস্থা অসম
স্থাপিত ঃ ১৯৭৬ চন
পঞ্জীয়ন নং- RS/KAM(M)263/Y/347 of

প্ৰসঙ্গ নং ঃ .... তাৰিখ ঃ ১০-৪ -২০২৬

বিহুববীয়া শুভেচ্ছা

ঋতুৰাজ বসন্তৰ আগমণৰ লগে লগে প্ৰকৃতি ন ৰূপেৰে সাজি কাচি গাভৰু হয়। কুলি কেতেকীৰ মিঠা মাতে মন থৌকি বাথৌ কৰে। গীতত ভাঁহি আহে—

কুলি কেতেকীয়ে ইনালে বিনালে
মৰমী বিহুটিৰ কথাকে ক'লে
মোৰ মন আকৌ হ'ল থৌকি বাথৌ
বিহু মাৰিবলে

প্ৰকৃতিৰ এই মহাপয়োভৰৰ সময়ত স্বতঃস্ফূৰ্ত ভাবেই ৰঙালিৰ ৰঙেৰে মন ৰঙীণ হয়। বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ এইবাৰ ৪৩ তম বৰ্ষ। সন্মিলনৰ আয়োজনৰ লগতে মুখপত্ৰ **সাহোন** প্ৰকাশৰো আয়োজন কৰিছে বুলি জানিব পাৰি সুখী হৈছো। আগৰ দিনৰ গছ তলৰ বিহু, ঘৰে ঘৰে গৈ আশীৰ্বাদ দি গোৱা হুঁচৰি এতিয়া নাই। সকলো মঞ্চ পালেগৈ। এতিয়া বিহু সন্মিলন হয়। সংস্কৃতি পৰিবৰ্তনশীল। গতিকে এই পৰিবৰ্তনৰ লগত আমি খাপ খাই চলিব লাগিব। বিহু সন্মিলন বুলি এখন স্মৰণিকা প্ৰকাশ কৰাটো এটা গুৰুত্বপূৰ্ণ কথা। কাৰণ বিহুৰ ঐতিহ্য পৰম্পৰা আদি ইয়াত সন্নিবিষ্ট হোৱাৰ লগতে অনুষ্ঠানটোৰ ইতিহাসো প্ৰতিফলিত হয় আৰু অনুষ্ঠানটো স্থায়ী ৰূপত সংৰক্ষিত হয়। বৃহত্তৰ ৰুক্মিণীনগৰৰ বাসিন্দাসকলে ৪৩ তম বিহু সন্মিলন আয়োজন কৰাৰ লগতে স্মৰণিকাখন প্ৰকাশৰ ব্যৱস্থা কৰাটো এনেবোৰ কাৰণতে গুৰুত্বপূৰ্ণ। আশাকৰোঁ সাহোনত আমাৰ বাপতি সাহোন ৰঙালী বিহুটি আৰু বিহুসন্মিলনখনিৰ ৪৩ বছৰীয়া ইতিহাস সুন্দৰ ৰূপত প্ৰতিফলিত হ'ব। সেই কামনাৰে স্মৰণিকাখনৰ লগত জড়িত সকলোলৈকে বিহুববীয়া শুভেচ্ছা জ্ঞাপন কৰিলো।

ইতি-

মামাণ গগে বৰুৱা
সভাপতি
লেখিকা সংস্থা অসম

নিয়ৰ ইন্দ্ৰপ্ৰস্থ
অস্থায়ী কাৰ্যালয় (গুৱাহাটী) ঃ
মাৰ্ফত ঃ হৰপ্ৰিয়া বাৰুকিয়াল বৰগোহাঞি
মেগনাম লক্ষ্মী-ৰত্ন এনক্লেভ,
সূৰুয নগৰ, খানাপাৰা, গুৱাহাটী-২২

অস্থায়ী কাৰ্যালয় (যোৰহাট) ঃ
মামণি গগৈ বৰুৱা
ৰাঙলী ষ্টেছনাৰী
উৰুলি বিবাহ ভৱনৰ সমীপত, তৰাজান
ডাকঘৰ ঃ কটকী পুখুৰী, যোৰহাট

C/O Harapriya Barukial Bargohain.
Megnum Lakshmi-Ratna Enclave
Suruj Nagar, Khanapara
Guwahati-22

Mamoni Gogoi Baruah
Rangolee Stationary,
Near Uruli Bibah Bhaban, Tarajan
P. O. Kataki Pukhuri, Jorhat

সম্পাদকৰ অনুভৱ...

এটা জাতিৰ পৰিচয় পোৱা যায় ভাষা, সাহিত্য ,সংস্কৃতিৰ জৰিয়তে। কিয়নো সংস্কৃতিৰ মাজতে জাতিৰ আচাৰ ব্যৱহাৰ, ৰীতি নীতি, কৃষ্টিৰ প্ৰকাশ ঘটে। তেতিয়াহে এখন সুস্থ সমাজৰ প্ৰতিফলন ঘটে। বাপতি সাহোন এই বিহুক আমি বৃহত্তৰ ৰুক্মিণীনগৰ সমাজে কেইবাটাও দশক জুৰি উলাহ মালহেৰে পালন কৰি আহিছোঁ। অসমত এতিয়া নিৰ্বাচনৰ বতৰ ,সকলোৰে কৰ্মব্যস্ততা বৃদ্ধি পাইছে, তাৰ মাজতেই বিহুটিয়ে ভুমুকি মাৰিলে। ইয়াতকৈও আমাৰ জাতিৰ ট্ৰেজেডী, জাতিৰ ভোটা তৰা, চিৰ নমুষ্য জুবিনদা বিহীন প্ৰথম ৰঙালী বিহু। যাৰ বোকোছাত, যাৰ প্ৰচেষ্টাত, যাৰ সৃষ্টিত বিহুৱে এক বহুল পৰিসৰ পালে সেই লোকজনে আজি হঠাৎ হেৰাই গ'ল। এই ক্ষতি পূৰণ কৰাতো সম্ভৱ নহয়। জাতিৰ প্ৰতি যাৰ অকৃতীম ভালপোৱা, ভাষাৰ প্ৰতি মৰম চেনেহ, সংস্কৃতিৰ সাধক এই পূজাৰীজনে ঐশ্বৰ্য্য বিভূতিৰ প্ৰতি আকৰ্ষিত নহৈ মায়া নগৰী মুম্বাইট নিজকে সংস্থাপন নকৰি কেৱল জাতিৰ প্ৰেমৰ বাবে জন্মভূমিতেই থাকি সাধনা কৰি গ'ল। ৰেকৰ্ড সংখ্যক গীতেৰে সংগীতৰ ভঁৰাল ইমানেই চহকী কৰি থৈ গ'ল যাৰ বাবে বিশ্ববাসী অভিভূত হ'ল। সকলোতকৈ ডাঙৰ কথাটো হ'ল মানুহক কথা ক'বলৈ শিকাই থৈ গ'ল। ভুলটো আঙুলিয়াবলৈ, অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ শিকালে। তেওঁ নথকাৰ অনুভৱ সদায়ে থাকিব যেতিয়ালৈকে অসমীয়া জাতি বিশ্বত জীয়াই থাকিব।

সময়ৰ লগত সংগতি ৰাখি আমি ৰুক্মিণীনগৰবাসী ৰাইজে বিহুৰ স্মৃটিক ৰোমন্থন কৰিবৰ বাবে প্ৰত্যেক বছৰে "সাহোন" প্ৰকাশ কৰি আহিছোঁ। যিসকল ব্যক্তিৰ চিন্তা চৰ্চাত ৰুক্মিণীনগৰ সমাজখন গঢ় লৈ উঠিল, যি সকল অক্লান্ত সৈনিক আমাৰ মাজৰ পৰা হেৰাই গ'ল, যাৰ যোগাত্মক চিন্তাৰ বাবে আমি আজি গুৱাহাটী মহানগৰীত সুন্দৰভাৱে বিহুকে প্ৰমুখ্য কৰি ভাওনালৈকে অনুষ্ঠিত কৰিব পাৰিছোঁ, তেখেতসকল আমাৰ সমাজৰ বাবে চিৰ নমস্য হৈয়ে থাকিব।

"সাহোন" আপোনালোকৰ হাতত অৰ্পণ কৰিলোঁ। অতি কম সময়ত প্ৰকাশ কৰিবলগীয়া হোৱাৰ বাবে অনিচ্ছাকৃত ভুলভ্ৰান্তি হ'ব পাৰে তাৰ বাবে আমি ক্ষমা প্ৰাৰ্থী। গভীৰ কৃতজ্ঞতাৰে লেখক-লেখিকাসকলৰ অৱদান নিতৌ এইধৰণে কামনা কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিশেষভাৱে প্ৰুফ ৰিডিং আৰু বিভিন্ন আলোচনীৰ কামত নিজৰ বহুমূলীয়া সময় ক্ষয় কৰি আমাক যি সহযোগ আগবঢ়ালে তাৰ বাবে পাৰুল বৰুৱা আৰু মিনাক্ষী ডেকা বাইদেউলৈ আমাৰ হিয়াভৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। এইখিনিতে মোৰ দৃষ্টি আৰু ধাৰণাত অতিকৈ ধন্যবাদৰ পাত্ৰ ছপাশাল মুন ষ্টাৰ এণ্টাৰপ্ৰাইজৰ কৰ্মকৰ্তাসকল। এইছেগেতে তেখেতসকলক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিহুৱে সমন্বয় গঢ়ে। সমন্বয়ে এখন সুস্থ সমাজৰ সৃষ্টি কৰে। আমাৰ ৰুক্মিণীনগৰ নৱ-প্ৰজন্মক আহ্বান জনাওঁ যে অনুষ্ঠানবিলাকত আগভাগ লওঁক। আমি সকলোৱে বয়োজেষ্ঠজনৰ লগত হাতত হাত মিলাই মৰমৰ এনাজৰীৰে একে লগে আগবাঢ়ি সবল সুস্থ সমাজ এখন গঢ় দিও।

জয় আই অসম

আপোনালোকৰ আন্তৰিকতাৰে,

অভিজিত নেওগ

সম্পাদক, সাহোন

গুৱাহাটী, অসম

সাধাৰণ সম্পাদক অনুভৱ...

শ্ৰদ্ধাৰ ৰাইজ তথা বৃহত্তৰ ৰুক্মিণীনগৰৰ হেঁপাহৰ বিহুখনৰ লগত জড়িত সমূহ বিষয়ববীয়া আৰু শুভাকাংক্ষীসকল, ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন উদ্‌যাপন সমিতিৰ চলিত বৰ্ষৰ বাৰ্ষিক মুখপত্ৰখনৰ পাতত এই সম্পাদকীয় প্ৰতিবেদন দাঙি ধৰিবলৈ কলম হাতত লৈ আজি বুকুখন এক গভীৰ বিষাদ আৰু শূন্যতাই আৱৰি ধৰিছে। আমাৰ ঐতিহ্যমণ্ডিত এই সমিতিখনে দশকৰ পাছত দশক ধৰি অসমীয়াৰ হিয়াৰ আমঠু বিহুটিৰ মৰ্যাদা আৰু স্বকীয়তা ৰক্ষা কৰি আহিছে। কিন্তু এইবেলি আমাৰ হৰ্ষ-উল্লাসৰ মাজতেই যেন এক অশনি সংকেত নামি আহিল।

এটি যুগৰ অৱসান ঃ এক শোকাকুল স্মৰণ— প্ৰতিবেদনৰ আদিতেই আমি অত্যন্ত গধুৰ মনেৰে আমাৰ সকলোৰে মৰমৰ, অসমীয়াৰ জাতীয় জীৱনৰ স্পন্দন, সুৰৰ যাদুকৰ জুবিন গাৰ্গদেৱৰ অকাল বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছোঁ। তেখেতৰ আকস্মিক প্ৰস্থানে কেৱল সংগীত জগতৰে নহয়, বৰঞ্চ প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত এক অপূৰণীয় ক্ষতি কৰি থৈ গ'ল।

'যাৰ কণ্ঠত বিহুৰ কেঁচা মাটিৰ গোন্ধ আছিল, যাৰ সুৰত লুইতৰ পাৰৰ ডেকা-গাভৰুৰ উচাহ আছিল, সেই মহীৰূহজোপাৰ পতন আমাৰ বাবে এক ব্যক্তিগত শোক।'

জুবিন গাৰ্গ কেৱল এজন শিল্পী নাছিল; তেওঁ আছিল এটি আবেগ, আমাৰ সংস্কৃতিৰ এজন অতন্দ্ৰ প্ৰহৰী। বৃহত্তৰ ৰুক্মিণীনগৰৰ এই বিহু মঞ্চৰ সৈতেও তেখেতৰ সম্পৰ্ক আছিল অতি নিবিড়। হাজাৰ হাজাৰ দৰ্শকৰ মাজত তেওঁ যি আলোড়ন সৃষ্টি কৰিছিল, সেয়া আজিও আমাৰ চকুৰ আগত জিলিকি আছে। আমি তেখেতৰ বিদেহ আত্মাৰ সদগতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমাৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক উত্তৰণ আৰু আমাৰ যাত্ৰা ঃ বিগত বৰ্ষৰ কাৰ্যসূচীসমূহৰ পৰ্যালোচনা কৰিলে দেখা যায় যে ৰুক্মিণীনগৰৰ বিহু কেৱল এক উৎসৱ হৈ থকা নাই, ই এক জাতীয় অনুষ্ঠানত পৰিণত হৈছে। আমাৰ সমিতিৰ প্ৰতিজন সদস্যৰ অক্লান্ত পৰিশ্ৰম আৰু বৃহত্তৰ ৰুক্মিণীনগৰবাসীৰ সঁহাৰিয়ে আমাক প্ৰতিবাৰেই নতুন কিবা এটা কৰিবলৈ সাহস যোগাইছে।

পৰম্পৰা ৰ া ঃ আধুনিকতাৰ ধামখুমীয়াত যাতে আমাৰ মৌলিক বিহুটি হেৰাই নাযায়, তাৰ বাবে আমি হুঁচৰি আৰু থলুৱা লোক-সংস্কৃতিত অধিক গুৰুত্ব প্ৰদান কৰিছোঁ।

সামাজিক দায়বদ্ধতা ঃ কেৱল গীত-নাচতে সীমাবদ্ধ নাথাকি, সমিতিয়ে দুখীয়া-দৰিদ্ৰক সহায় কৰা আৰু প্ৰতিভাশালী ন-শিকাৰু শিল্পীক মঞ্চ প্ৰদান কৰি এক সামাজিক দায়িত্বও পালন কৰিছে।

ঐক্যৰ বাৰ্তা ঃ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে গুৱাহাটীৰ এই প্ৰাণকেন্দ্ৰত আমি বৃহত্তৰ অসমীয়া সমাজৰ মিলনভূমিত পৰিণত হৈছোঁ।

কৃতজ্ঞতা আৰু দায়বদ্ধতা ঃ শেষত, মই বৃহত্তৰ ৰুক্মীণীনগৰৰ প্ৰতিগৰাকী জ্যেষ্ঠ নাগৰিক, মাতৃ গোট আৰু যুৱ সমাজক ধন্যবাদ জনাইছোঁ যাৰ সাহস আৰু আশীৰ্বাদ আমাৰ এই দীঘলীয়া যাত্ৰাৰ মূল চালিকা শক্তি। আমাৰ আগন্তুক পথছোৱাতো আমি অসমৰ কৃষ্টি-সংস্কৃতিক বিশ্বৰ দৰবাৰত জিলিকাই ৰাখিবলৈ সংকল্পবদ্ধ।

জুবিন গাৰ্গৰ দৰে মহান শিল্পীৰ আদৰ্শ আৰু আমাৰ সাংস্কৃতিক উত্তৰাধিকাৰক বুকুত বান্ধি আমি আগুৱাই যাম। আজিৰ এই শোকক শক্তিলৈ ৰূপান্তৰ কৰি অসমীয়া সংস্কৃতিৰ চাকিগছি জ্বলাই ৰখাটোৱেই হ'ব আমাৰ আটাইতকৈ ডাঙৰ কাম।

জয় আই অসম
আপোনালোকৰ আন্তৰিকতাৰে,
পলাশ বৰুৱা
সাধাৰণ সম্পাদক,
৪৩ তম্ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন সমিতি
গুৱাহাটী, অসম

সূচীপত্ৰ —

➢ "সহস্ৰজনে মোকো প্ৰশ্ন কৰে" বিহুটিনো কি?
"অসমীয়া জাতিৰ আয়ুস ৰেখা, গণ জীৱনৰ ই সাহ" — ভৰদ্বাজ মৃণাল চৌধাৰী — ১১
➢ মহাৰজত জয়ন্তীৰ বিৰল সন্ধিক্ষণত লতাশিল
বিহু মঞ্চৰ লগতে জাতীয় মঞ্চও হওক — দীপাংক হাজৰিকা — ১৪
➢ বিহু নাচ ঃ ইয়াৰ ভংগিমাসমূহৰ এক তাত্ত্বিক আলোচনা — নৰহৰি চুতীয়া — ১৯
➢ আগবাৰীৰ শুৱনি জেতুকাজোপা — অজন্তা উপমন্যু — ২৬
➢ কপৌফুলে শুৱাবনে — জুৰি বৰুৱা — ২৮
➢ মোৰ মেজৰ পৰা একলম — কাকলি বৰদলৈ — ৩০
➢ জেং বিহুৰ আঁতি-গুৰি বিচাৰি— পাৰুল বৰুৱা — ৩১
➢ আদৰ্শ কোন পথে — ধ্ৰুৱজ্যোতি তামুলী — ৩৫
➢ তাঁতশালত ব'হাগৰ চানেকি — প্ৰতিভা দেৱী দস্তিদাৰ — ৩৮
➢ অপাৰজেয় বিশ্ব নায়ক ফিডেল কাষ্ট্ৰো— তুলনা দত্ত মেধি — ৪১
➢ ভাৰতত দুৰ্নীতি আৰু চৰকাৰি ব্যৱস্থাপনা— সত্যধৰ মটক — ৪৪
➢ বসন্ত ঋতুক ভাল পাওঁ— জয়ন্ত খনিকৰ — ৫২
➢ সাৰথি (এক আলৌকিক অভিজ্ঞতা) — দণ্ড মটক — ৫৫
➢ দিছপুৰৰ বিহু — ড° সত্যব্ৰত বৰুৱা — ৫৮
➢ গামোচা— কুংকুম সাধনিদাৰ বৰুৱা — ৬২
➢ আউল লগা জীৱনৰ সাৰথি — মিনাক্ষী ডেকা — ৬৪
➢ ভিয়েটনাম ভ্ৰমণ— নিলীমা শইকীয়া দাস — ৬৬
➢ কবিতা এনেকুৱাই — পশুপতি হাজৰিকা — ৭১
➢ বাস্তৱ কি? — অঞ্জয় পাঠক — ৭১
➢ জুবিন বিহীন বিহু, উৰুঙা উৰুহা নিষ্প্ৰাণ মন — মঞ্জুলা কাকতি — ৭২
➢ অজুহাত বিচাৰি — কবিতা মহন্ত — ৭৩
➢ অতীতে ৰিঙিয়াই — ৰাজীৱ হাজৰিকা — ৭৩
➢ এটি ৰূপকথা — পলাশ বৰুৱা— ৭৪
➢ মেঘালী — মাণিক চন্দ্ৰ বৰা — ৭৬
➢ চাকনৈয়া — মধুস্মীতা গগৈ — ৭৬
➢ আশংকা — নৱনীতা মেধি — ৭৭
➢ নৱ ব'হাগ— বিশ্বকুমাৰী শইকীয়া — ৭৮

প্ৰবন্ধ শিতান

"সহস্ৰজনে মোকো প্ৰশ্ন কৰে" বিহুটিনো কি? "অসমীয়া জাতিৰ আয়ুস ৰেখা, গণ জীৱনৰ ই সাহ"

ভৰদ্বাজ মৃণাল চৌধাৰী

চ'ত মাহ যাবলৈ ওলাল যদিও চ'তৰ শেষত ৰঙালী বিহুটিয়ে আকৌ চঞ্চল, প্ৰাঞ্জল ৰূপত আমাৰ প্ৰাণত প্ৰাণ পাই উঠিছে। আকাশে বতাহে কেৱল ঢোল, পেঁপা গগনাৰ মাতৰ জৰিয়তে বিহুটি আকৌ বৰ অসমত প্ৰাণ পাই উঠিল। এইবাৰ আগতীয়া বৰষুণ জাকে ধৰিত্ৰী আইক উৰ্বৰতা দিলে, তৃণমূল, গছ-গছনিৰ কুঁহিপাত সকলো ন বিদ্যমান। কুলি-কেতেকীৰ মাতত সকলোৰে মনত প্ৰাণ পালে।

বাপতি সাহোন ৰঙালী বিহুটি বছৰত এবাৰহে আহে। গায়ক, গীতিকাৰ, সুৰকাৰ, বিহুৱাণী, বিহুদল, ঢুলীয়া, পেঁপুৱা, বাদ্যযন্ত্ৰী হেঁপাহেৰে বৈ থাকে মৰমৰ বিহুটিলৈ। কৃষিজীৱি, শ্ৰমজীৱি জনগণক অধিক উৎসাহ আৰু কৰ্মপ্ৰেৰণাৰে নিয়োজিত কৰিবলৈ ৰং-ৰহইচৰো প্ৰয়োজন, এয়াই ৰঙালী বিহু নতুবা ব'হাগ বিহু।

ত্ৰয়োদশ শতিকাতে টাই আহোমসকলে বৰ অসমত গৰুক ব'হাগ বিহুটিৰ প্ৰথম দিনা পূজা অৰ্চনা কৰাৰ প্ৰথা প্ৰচলন কৰাৰ লগে লগে প্ৰায় ৮০০ বছৰৰ বিহুৱে আজি বিশাল ৰূপত প্ৰতিষ্ঠিত হৈছে। গৰুৱেই ইয়াৰ প্ৰধান উপাদান। ক্ৰমে ক্ৰমে গৰুক পূজা কৰাৰ দৰে প্ৰকৃতিকো উপাসনা কৰিবলৈ ল'লে। এইবোৰৰ মাজতে কৃষিজীৱি সকল আত্মহাৰা হ'ল, লগতে আহিল নীলা আকাশত বৰদৈচিলা, ঢেৰেকনী, বতাহ আৰু বৰষুণ। বড়ো ভাষাত বৰদৈচিখলা মানে বতাহ, বৰষুণৰ গোঁসানী।

এইবোৰৰ সৌন্দৰ্য্য বিহুগীত, হুঁচৰি, বিহুনাচত প্ৰকাশ্য হ'ল। এইবোৰকলৈ আমি স্বাভিমাণী হ'লো, লগে লগে জাতীয়তাবাদৰ সত্বাটো ন-ৰূপত আকৌ উজাগৰিত হ'ল।

ৰঙালী বিহুটি অসমীয়া জাতিৰ আমঠু, ইয়াৰ অবিহনে জাতিটো অস্তিত্ববিহীন। কথাতে কয় —

"ভোগালী গ'লেহে
পাবহি ৰঙালী
তেতিয়াহে কৰিব
হিয়া ৰাঙলী"

কৃষিজীৱি পৰিয়ালত চ'ত মাহটো হ'ল আশাৰ মাহ, মন প্ৰাণ উতনুৱা কৰা ঋতু।

"চ'ততে চেৰেকী
ব'হাগত লগৰী

জেঠতে আমনা ধান
বিহুত আশীৰ্বাদ ল'লেহে
পাবি গৈ শহুৰৰ চোতালত মান।
শাহুৰে আদৰিব
ল'বা হাতত বটাৰ কাঁহ
তেতিয়াহে পাবা সংসাৰৰ সাহ।"
"ঢকুৱাখনাৰ ফাটবিহু
চাৰিকড়ীয়া নদীৰ পাৰত
মিলিত হ'লা ম'হঘুলিৰ বাকৰিত
বিচাৰি পালো ফুলৰ পাপৰি
তাতে পৰিলো সাঁকো
ফাটবিহুতে মাৰি যাওঁ মাঁকো।
মিচিং আহিছে
দেউৰীও আহিছে
মইনো নোযোৱাকৈ
কেনেকৈ থাকোঁ। "

ব'হাগে মানুহক দান কৰে জীৱন আৰু প্ৰকৃতিৰ লগত নিবিড় সম্বন্ধ, ইয়ে কৰে কৰ্মময় জীৱন, উৎসাহ লগতে প্ৰকৃতিৰ আশীৰ্বাদ।

সোনোৱাল কছাৰী সকলৰ হেঁপাহৰ বিহুটি হাইদাং গীতৰ আৰ্হিত হুঁচৰি গায়। ব'হাগৰ হুঁচৰিৰ শেষত 'হগ্ৰা' নৃত্য কৰে। তেওঁলোকৰ পূৰ্বৰ ৰাজ্য হালালী গীতবোৰ গাই নাচোনৰ তালে তালে নাটকীয় পৰিবেশ সৃষ্টি কৰে। ব'হাগৰ শেষত 'বহুৱা' নৃত্য পৰিৱেশন কৰে। কলগছৰ পাত পৰিধান কৰি এই নৃত্যৰ দ্বাৰা গাওঁৰ অপায় অমঙ্গল দূৰ কৰা হয়। সোনোৱাল গাভৰু সকলে লেছেৰি নাচ বা বিহু পালন কৰে পৰাম্পৰাগত সাজ পোছাকৰ লগতে গামখাৰু, মুঠি খাৰু, পটীয়া খাৰু, ডিঙিত মাদলি জোনবিৰি বেনা, দুগদুগী, কানত কেৰু, জাংফাই পৰিধান কৰে।

বসন্তৰ বাহক পৰিভ্ৰমী কুলি আৰু কেতেকী চৰাই। পৃথিৱী জুৰি ১২৭ টা কুলিৰ প্ৰজাতিৰ ২৪ টাহে আমাৰ দেশত পোৱা যায়। ক'ৰবাত কোকিল, ক'ৰবাত কোৱেল আকৌ ক'ৰবাত নাইটিঙ্গল।

সুধাকণ্ঠই কুলি কেতেকীক লৈ কৈছে—"কুলি কেতেকীয়ে ইনালে বিনালে, মৰমী বিহুটিৰ কথাকে ক'লে ....।"

আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬৪৯ (ইং) চনত ৰংঘৰৰ বাকৰিত ৰাজষিক ভাবে বিহু উদ্‌যাপন কৰি এই উৎসৱক ৰজাঘৰীয়া স্বীকৃতি দিছিল।

১৯২৯ ইং চনত গোলাঘাটৰ বেতিয়নীত পোন প্ৰথমবাৰৰ বাবে বিহুৱে মঞ্চত স্থান পায়। ১৯৪১ চনত মহেশ্বৰ নেওগ আৰু কেইবাজনো লোকৰ প্ৰচেষ্টাত শিৱসাগৰ মঞ্চত বিহু প্ৰদৰ্শন কৰা হয়। ইয়াৰ এক দশকৰ পিছত লতাশিল খেলপথাৰত বিহুটিক গুৱাহাটীৰ মঞ্চত পৰিৱেশন কৰা হয়।

সাত বিহুৰ দিনাখন পাউৰা উৎসৱ অসমৰ লোক সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ বুলিব পাৰি। অন্য অঞ্চলৰ লগতে বজালী অঞ্চলত দামোদৰদেৱৰ শিৱ ভক্ত জনজাতীয় লোকসকলৰ মাজত এই পাউৰা উৎসৱ আজিও প্ৰচলিত।

বাপতি সাহোন বিহুটিক বৰপেটা সত্ৰত সত্ৰীয়া সমাজে "দোমাহী" বা "দহ্‌মী" (চ'ত আৰু ব'হাগ মাহৰ সমাহাৰ) হিচাবে পালন

কৰে। সাত ব'হাগত বৰপেটাৰ ২২খন হাটীৰ ভকতসকলে ঠিয় নামত অংশ গ্ৰহণ কৰে আৰু পুৱাৰ ভাগত গীত, ভটিমা গাই বন্তি প্ৰজ্বলন কৰা হয়।

বিহু শব্দটো বিষুৱ শব্দৰ পৰা হোৱা যেন লাগিলেও বড়োসকলৰ "বৈশাগু" বা "বৈহাগু", ৰাভা সকলৰ "বিখু" শব্দৰ পৰা সময়ৰ প্ৰবাহত বিহু শব্দ হৈছে যেন অনুমান হয়।

বিহুৰ লগত অসমৰ বাঁহ গছৰ অতি ঘনিষ্ঠ সম্পৰ্ক আছে। বাঁহেৰে তৈয়াৰী পেঁপা, গগনা, টকা, মাদল, মঞ্জুৰী, বিচনী, টাকোন, বিহুৱান বা গামোছা, মুগাৰ মেখেলা, চাদৰ ববলৈ বাঁহৰ খুটা, গৰকা, খাঁটি, ৰাঁচ, যঁতৰ ইত্যাদিৰ বহুল প্ৰচলন আছে। বাঁহৰ পৰা আমি উক্ত সজুলি সমুহৰ উপৰিও দলা, চালনী, কুলা, জাকৈ, খালৈ ইত্যাদিক লৈ ক্ষুদ্ৰ উদ্যোগ গঢ়িব পাৰোঁ।

আধুনিকতাৰে বাঁহকলৈ আমি আজি স্বভিমান হৈছো গুৱাহাটীৰ উৰা জাহাজ বন্দৰত তৈয়াৰ কৰা সুন্দৰ ৰূপ। গৱেষণা আৰু প্ৰযুক্তিৰ দ্বাৰা নতুন নতুন দ্ৰব্য উলিয়াব পাৰি যায়হ'ক। ৰাইজৰ ইচ্ছা হ'লে চৰকাৰেও দান, অনুদান আগবঢ়াব এই ক্ষেত্ৰত।

ক'ৰবাত শ্ৰীঅনল মেধিয়ে লিখিছে —

"আহাঁ বিহুতলীলৈ
এয়া যে বিহুৰ বতৰ
বিশ্ব দৰবাৰত
বাপতি সাহোন বিঁহুটি
অসমীয়া জাতিৰ পৰিচয়।"❖

মহাৰজত জয়ন্তীৰ বিৰল সন্ধিক্ষণত লতাশিল বিহু মঞ্চৰ লগতে জাতীয় মঞ্চও হওক

দীপাংক হাজৰিকা

ইতিহাস সমৃদ্ধ, প্ৰাচীন কামৰূপ, প্ৰাগ্‌জ্যোতিষপুৰৰ নাভিকেন্দ্ৰ, পৰৱৰ্তী সময়ত অসম নামৰ ভৌগোলিক অঞ্চলৰ কেন্দ্ৰস্থল আৰু পূৰ্বৰ বৰ অসমৰ পৰা আজিৰ বিভক্ত উত্তৰ-পূবৰ সাতোখন ৰাজ্য (সাতভনী)ৰ দুৱাৰমুখ হৈছে এতিয়াৰ গুৱাহাটী মহানগৰী। বেদ, পুৰাণ, মহাকাব্যত উল্লেখ থকা এই অঞ্চলটিৰ মূল স্থান গুৱাহাটীৰ মধ্যস্থলতেই লতাশিলৰ অৱস্থান। লতাশিল পথাৰ অথবা খেলপথাৰৰ লগতেই আমাৰ অসমৰ, অসমীয়াৰ বহু লিখিত-অলিখিত অধ্যায় জড়িত হৈ আছে। জাতীয়প্ৰাণ, অসম সম্পদ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই ব্ৰহ্মপুত্ৰ নদক কেতিয়াবা মহাবাহু আৰু কেতিয়াবা বুঢ়া লুইত বুলি সম্বোধন কৰিছে। ব্ৰহ্মপুত্ৰ যেনেকৈ অসম, অসমীয়াৰ শক্তি, স্বাভিমানৰ আধাৰ, লতাশিল খেলপথাৰো আমাৰ জাতীয় জীৱনৰ পীঠস্থানলৈ ইতিমধ্যে ৰূপান্তৰ হৈছে। কিয় বাৰু? আজি আমি ইয়াৰ কাৰক-কাৰণ সমূহ ফহিয়াই, জুকিয়াই, বিশ্লেষণ কৰাৰ সময় সমাগত। কিন্তু কেৱল অতীত সুঁৱৰি আমি ক্ষান্ত থাকিলে নহ'ব— আমি ইয়াৰ আধাৰত ভৱিষ্যতৰ ৰূপৰেখাও তৈয়াৰ কৰিব লাগিব।

দ্বাদশ শতিকাতে সাতৰাজ মাৰি এক ৰাজ কৰাৰ মন্ত্ৰৰে প্ৰথম দিনৰ পৰা দেশ শাসন কৰা মহামতি চ্যু-কা-ফাই আৰহমান কালৰ পৰাই অসমৰ (এই অসম অবিধাৰে আমি প্ৰাচীন কামৰূপ-প্ৰাগ্‌জ্যোতিষপুৰ- বৰ অসম সকলোকে সাঙুৰি লৈছো।) পাহাৰ-ভৈয়ামত বাস কৰা জাতি, জনগোষ্ঠীসমূহক ৰাজনৈতিকভাৱে শৃংখলিত কৰি শাসন তন্ত্ৰ পৰিচালিত কৰিছিল আৰু সুখৰ বিষয় যে চ্যু-কা-ফাৰ পৰৱৰ্তী আহোম স্বৰ্গদেউসকলেও এই মহামিলনৰ নীতি গ্ৰহণ কৰাত অসম এক শক্তিশালী ৰাজ্যত পৰিগণিত হৈছিল। আমাৰ চাৰিওফালে বিশেষকৈ উত্তৰ ভাৰতৰ শাসক গোষ্ঠীয়েও সমগ্ৰ ভাৰত দখল কৰাৰ পিছতো অসমে দুৰ্বাৰ শক্তিৰে বহিৰাগতৰ আক্ৰমণ প্ৰতিহত কৰা বাবে আমি স্বাধীন হৈ আছিলো। ৰাজনৈতিকভাৱে শক্তিশালী অসম মুলুকৰ ১৪ শ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, তেওঁৰ প্ৰধান শিষ্য মহাপুৰুষ মাধৱদেৱ আৰু আন বৈষ্ণৱ গুৰুসকলে অসমত বিদ্যায়তনিক, ধাৰ্মিক, আধ্যাত্মিক, সাংস্কৃতিক

পৰশ দি এক উন্নত সাংস্কৃতিক ধ্বজাবাহী জাতিসত্তা গঢ়ি তুলিব পাৰিছিল। সংস্কৃতিবান মহাৰাজ নৰনাৰায়ণ আৰু তেওঁৰ ভ্ৰাতৃ বীৰ চিলাৰায়দেৰেও ইয়াত সহযোগ কৰিছিল। স্বৰ্গদেউসকলৰ ৰাজনৈতিক আৰু গুৰুসকলৰ সাংস্কৃতিক দৰ্শনৰ আধাৰ মূলতে একেই আছিল— এক সন্মিলিত উমৈহতীয়া জাতি গঠনৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাটো। এই অসমীয়া জাতিত সম্পৃক্ত, অন্তৰ্ভুক্ত হৈছিল এই ভূখণ্ডৰ সকলো ধৰ্ম, বৰ্ণ, ভাষিক গোষ্ঠীৰ জনসম্প্ৰদায়সমূহ। শান্তি-সম্প্ৰীতি, প্ৰগতিৰ অমোঘ বাণীৰে সকলো জনগোষ্ঠীয়ে একতাৰ ডোলেৰে বান্ধ খাই, হাতত হাত মিলাই ছয়টা শতিকা আগবঢ়াৰ পিছত আহোম ৰাজতন্ত্ৰৰ আভ্যন্তৰীণ বিবাদৰ ফলত মানৰ চাৰিবাৰ অসম আক্ৰমণ, মান-ব্ৰিটিছ সংঘাতৰ পিছত ব্ৰিটিছৰ অসম দেশ অধিকাৰ, কেতিয়াও পৰাজিত নোহোৱা অসমীয়াই অৱশেষত ইয়াণ্ডাবু সন্ধিৰ জৰিয়তে ২৪ ফেব্ৰুৱাৰী, ১৮২৬ চনৰ দিনা স্বাধীনতা হেৰুৱাইও তাপ মাৰি নাথাকি পিয়লী ফুকন, গোমধৰ কোঁৱৰ, জীউৰাম দুলীয়া বৰুৱা, মণিৰাম দেৱান, পিয়লী বৰুৱা আদি মুক্তিকামী যুঁজাৰুৰ নেতৃত্বত এঘড়ী যুঁজিও বিফল হোৱাত অসমীয়া জাতি প্ৰথম বাৰলৈ বিদেশীৰ হাতত পৰাভূত হৈছিল। ইয়াৰ লগতে ব্ৰিটিছৰ দ্বাৰা অসমৰ শাসন চলাবলৈ ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈ অসমত বঙলা ভাষা প্ৰৱৰ্তন কৰাত ৰাজনৈতিক সংস্কৃতি বিপৰ্যয়ৰ পিছত অসমীয়া ভাষা-সাহিত্যলৈও কাল অমানিশা নামি আহিল। ভাষা-সাহিত্য উদ্ধাৰৰ বাবে এই দুৰ্দিনৰ কালত আনন্দৰাম ঢেকিয়াল ফুকন আদিয়ে গ্ৰহণ কৰা ভূমিকা, ১ জানুৱাৰী, ১৮৪৬ খ্ৰীষ্টাব্দৰ দিনা শিৱসাগৰৰ পৰা প্ৰকাশিত হোৱা অসমীয়া বাতৰি কাকত অৰুণোদয় আৰু ইয়াৰ প্ৰকাশক খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান স্মৰণীয় হৈ ৰ'ব।

ইয়াৰ পিছত লতাশিলৰ ভূমিকাৰ বিষয়ে আমি আলোচনা কৰিম। সংস্কৃতিৱান কেইজনমান অসমীয়াৰ তৎপৰতাতে ১৯১২ চনত আধুনিক অসমীয়া নাট পৰিৱেশনৰ অৰ্থে গঠন হয় কামৰূপ নাট্য সমিতি আৰু ইয়াৰ প্ৰেক্ষাগৃহ কুমাৰ ভাস্কৰ নাট্য মন্দিৰ নামেৰে প্ৰতিষ্ঠা কৰা হৈছিল। পুনৰ ভাষা-জননীৰ বহু সেৱকে ১৮৮৮ চনত জন্ম দিয়া অসমীয়া ভাষা উন্নতি সাধনি সভা আৰু ১৯১৭ চনত অসম সাহিত্য সন্মিলনী (পৰৱৰ্তী কালত আজিৰ অসম সাহিত্য সভা) গঠন কৰি অসমীয়া ভাষা সুৰক্ষাৰ বাবে ব্ৰতী হৈছিল। এই সমূহ অনুষ্ঠান, সংস্থাৰ লগতে ১৯০৩ চনত অসম হিতৈষী মাণিক চন্দ্ৰ বৰুৱাৰ উদ্যোগত গঠন হোৱা 'অসাম এছ'চিয়েচন' আৰু ১৯১৬ চনৰ ২৫ ডিচেম্বৰত জন্ম হোৱা 'অসম ছাত্ৰ সন্মিলনে' জনসাধাৰণৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক বিষয়বোৰক প্ৰতিনিধিত্ব কৰি পৰাধীন জাতিটোক সজাগ কৰিবলৈ অহৰহ প্ৰচেষ্টা চলাইছিল। ইয়াৰ পূৰ্বতে ১৮৩৪ চনত স্থাপিত বৰ অসমৰ প্ৰথমখন বিদ্যালয় 'গৌহাটী চেমিনাৰ' (পৰৱৰ্তী কালত গৌহাটী হাইস্কুল, কলেজিয়েট হাইস্কুল, কটন কলেজিয়েট উচ্চ-উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু ১৯০১ চনত স্থাপিত কটন কলেজ, ১৯১৩ চনত আৰ্ল ল' কলেজৰ দ্বাৰা অসমৰ শৈক্ষিক, বৌদ্ধিক ক্ষেত্ৰলৈ নৱ জাগৰণ

বোৱাই আনিছিল। ১৯৫১ চনত গঠন হোৱা গুৱাহাটী বিজ্ঞান সমিতি পৰা ১৯৫৩ চনত নাম লোৱা অসম বিজ্ঞান সমিতিও দীৰ্ঘকাল লতাশিলৰ পৰাই পৰিচালিত হৈছিল। অৰ্থাৎ অসম-অসমীয়াৰ জাতীয় জীৱনৰ এক প্ৰাণকেন্দ্ৰ হৈছে লতাশিল।

ইয়াৰ বিষয়সমূহ এই কাৰণেই উল্লেখ কৰা হৈছে যে আসাম এছ'চিয়েচনৰ মূল হোতা মাণিকচন্দ্ৰ বৰুৱাৰ বাসগৃহ আৰু কৰ্মস্থলী লতাশিল-উজান বজাৰতেই আছিল। অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিৱেশন ৰসৰাজ, সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত ২৫ ডিচেম্বৰ, ১৯১৬ চনত লতাশিল পথাৰতেই আৰু ১৯২৪ চনৰ অসম সাহিত্য সভাৰ সপ্তম অধিৱেশনতো জাতীয় কাণ্ডাৰী লক্ষ্মীনাথ বেজবৰুৱাই সভাপতিত্ব কৰিছিল আৰু জাতীয় জীৱনৰ অন্যতম লতাশিল পথাৰতেই আয়োজিত হৈছিল এই অনুষ্ঠানো। কামৰূপ নাট্য সমিতিৰ পৰা কলেজিয়েট স্কুল, কটন কলেজ, আৰ্ল ল' কলেজ আদিৰ অৱস্থানো লতাশিল পথাৰৰ আশে-পাশেই। এই জাতীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ কৰ্মৰাজিয়ে পৰাধীন জাতিটোক নিৰাশাৰ মাজতো আশাৰ সঞ্চাৰ কৰিবলৈ কিছু পৰিমাণে হ'লেও সফল হৈছিল। ১৯৪৭ চনত ভাৰতবৰ্ষৰ লগতে অসমেও এক অংগ ৰাজ্য ৰূপে ব্ৰিটিছৰ পৰা স্বাধীনতা লাভ কৰিছিল। ১৮২৬ চনৰ পৰা ১৯৪৭ চনলৈ ১২০ বছৰে বিদেশী শাসকৰ তলত থকাৰ বাবে অসমখনো সকলো দিশতে তচ্‌নচ্ হৈ পৰিছিল। তেনে সময়ত ভাৰতবৰ্ষৰ লগতে অসমেও স্বাধীনতাৰ সোৱাদ আৰু বৰ অসমৰ জাতি-জনগোষ্ঠী সমূহৰ আস্থাৰ, বিশ্বাসৰ ব্যক্তি, সৰ্বজনপ্ৰিয় লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰধানমন্ত্ৰী (এতিয়াৰ মুখ্যমন্ত্ৰী)ৰূপে দায়িত্ব পোৱাত ৰাইজে সকাহ ল'বলৈ ধৰোতেই ১৯৫০ চনৰ ৫ আগষ্টৰ দিনা বৰদলৈ ডাঙৰীয়াৰ অকাল আৰু আকস্মিক মৃত্যুৱে অসমৰ জনসাধাৰণক পুনৰ প্ৰচণ্ড আঘাত দিছিল। গভীৰ দুখ-শোকত অসমবাসী নিমজ্জিত থকা সময়তে বৰদলৈৰ মাংগলিক কাজৰ তথা দেশৰ তৃতীয় স্বাধীনতা দিৱস ১৫ আগষ্ট, ১৯৫০ চনৰ দিনাই অসমত সংগঠিত প্ৰলয়ংকৰী সৰ্বনাশী ভূমিকম্পৰ ফলত অসম দেশ আকৌ বিধ্বস্ত হৈ পৰিছিল।

কিন্তু অসমীয়া জাতিৰ সৌভাগ্য যে এই সমূহ জাতীয় দুৰ্য্যোগ, অভাৱনীয় পৰিস্থিতি অতিক্ৰম কৰিবলৈ চিন্তা, কৰ্ম কৰিব পৰা অনন্য অসমীয়া আমাৰ সমাজত সদায় জাতীয় ত্ৰাণকৰ্তাৰূপত আগবাঢ়ি আহে। সিংহপুৰুষ ৰাধা গোবিন্দ বৰুৱা, লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ নেতৃত্বত অসম মাতৃক আপদকালীন সেৱা আগবঢ়াবলৈ এক সুদক্ষ, নিষ্ঠাৱান দল (দলটিৰ আন বৰেণ্য সদস্যসকলৰ নামো আমাৰ সকলোৰে জ্ঞাত আৰু সন্মানীয়) গঠন হ'ল আৰু এই দলটিয়ে গভীৰ চিন্তা-চৰ্চা কৰি দুটা মূল সিদ্ধান্তত উপনীত হ'ল— (১) ভগ্নপ্ৰায় জাতিটোক উজ্জীৱিত কৰিবলৈ মৃতসঞ্জিৱনীৰ দৰে ৰংঘৰৰ বাকৰিত স্বৰ্গদেউয়ে আৰম্ভ কৰাৰ দৰে বিহুৰ আয়োজন, য'ত ঢোল, বাদ্য, নৃত্যৰে উদ্ভাসিত প্ৰাচীন কালৰে পৰাই অসম ভূখণ্ডত বসবাস কৰা সকলো গোষ্ঠী, সম্প্ৰদায়ৰ অংশগ্ৰহণেৰে, সাংস্কৃতিক মহামিলনৰ মন্ত্ৰৰে একত্ৰিত হৈ হতাশা, দুখ অতিক্ৰমি জাতিটো

এখোজ, দুখোজকৈ অগ্রসৰ হোৱা, (২) এই প্ৰক্ৰিয়াক কিছু নতুনত্ব, অভিনৱত্ব ৰূপত আয়োজন কৰিবলৈ ইতিমধ্যে এই আলোচনাতে বিস্তৃতভাৱে উল্লিখিত ঐতিহাসিক লতাশিল খেলপথাৰখন নিৰ্বাচন কৰা। (৩) ফলত জাতীয় জীৱনলৈ সুদূৰ প্ৰসাৰী ভূমিকা গ্ৰহণ কৰিব পৰা এই নব্য-অনন্য কামফেৰাৰ ১৯৫২ চনত পাতনি মেলাৰ লগতে পথাৰৰ পৰা ৰাজচ'ৰা, ৰংঘৰ বাকৰিৰ পৰা এখন আধুনিক মঞ্চলৈ গুৱাহাটী বিহু সন্মিলনীৰ জন্ম দি বিহুক আদৰি অনা হ'ল। এই মঞ্চত মহাবাহু ব্ৰহ্মপুত্ৰ, বুঢ়ালুইতৰ পাৰৰ গণ সম্প্ৰদায়ে তেওঁলোকৰ স্বকীয় গীত, বাদ্য, নৃত্য সমূহ মনোৰম আৰু বহুৰঙী বস্ত্ৰ সম্ভাৰেৰে পৰিধান কৰি পৰিৱেশন কৰাৰ আনন্দ আৰু গৌৰৱ অৰ্জন কৰিলে। পাহাৰ-ভৈয়ামৰ আমাৰ ভাই-ভনী সকলে এদিন যেনেকৈ ৰংঘৰৰ বাকৰিলৈ আগমন কৰিছিল তেনেদৰে লতাশিলৰ মঞ্চলৈ ধাৰাবাহিকভাৱে ঢাপলি মেলিবলৈ ল'লে। লোকগীত, বনগীত, বিহুগীত আৰু হুচৰি, গোৱালপাৰীয়া গীত, ঝুমুৰ, সত্ৰীয়া নৃত্যৰ পৰা ওজাপালি, বাগৰুম্বাৰ পৰা আদি কৰি গুৰুজনা, সাহিত্যৰথী, ৰূপকোঁৱৰ, কলাগুৰু, সুধাকণ্ঠৰ গীত আৰু ৰচনাত বৰ্ণিত সকলো জনগোষ্ঠীৰ বৰ্ণিল সাংস্কৃতিক বৈভৱৰ আখৰা আৰু পৰিৱেশনৰ মঞ্চৰূপে লতাশিল জিলিকি উঠিল। চতুৰ ব্ৰিটিছ শাসক গোষ্ঠীয়ে আৰু পৰৱৰ্তী কালৰ আমাৰ মাজৰেই কেতবোৰ ধুৰন্ধৰে ৰাজনৈতিকভাৱে আমাক ভাগ ভাগ কৰি শাসন কৰিবলৈ চলোৱা অপচেষ্টা লতাশিলৰ মঞ্চৰ পৰা সংস্কৃতিৰ জৰিয়তে প্ৰতিহত কৰিবলৈ আৰম্ভ কৰা যুদ্ধখন অদ্যপি চলি আছে আৰু ইয়াত আমি জয়ী হৈ আহিছো। সমতা আৰু সম্প্ৰীতিৰ এনাজৰীৰে মহামিলনৰ সাঁকোৰে গঢ়া সাংস্কৃতিক জাতীয়তাবাদেৰে সকলো বৰ্ণ, সম্প্ৰদায়ক মহিমামণ্ডিত কৰিবলৈ লতাশিল পথাৰৰ মঞ্চই গ্ৰহণ কৰা ভূমিকা অনাগত দিনতো স্বৰ্ণিল ৰূপত দৃশ্যমান হৈ ৰ'ব বুলি আমি আশা কৰিলোঁ। এই কথাটি অক্ষুণ্ণ ৰাখিব পাৰিলেহে গুৱাহাটী বিহু সন্মিলনী, লতাশিলৰ জন্মদাতা মনিষী সকলৰ প্ৰতি প্ৰকৃত সন্মান যচা হ'ব।

এইখিনিতে উল্লেখযোগ্য যে অসম-অসমীয়াৰ সৈতে জড়িত আৰু দুটা পৰিঘটনাৰো কেন্দ্ৰস্থল আছিল লতাশিল পথাৰ— ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ হোৱা ঐতিহাসিক অসম আন্দোলন তথা ২০১৯-২০ বৰ্ষত হোৱা 'কেব' বিৰোধী (কা আইন) আন্দোলন। এইদৰে বিগত এটা শতিকাৰো অধিক কাল আমাৰ জাতীয় বুৰঞ্জীৰ বহু উত্থান আৰু পতনৰ সাক্ষী হৈ ৰৈছে লতাশিল। এইবোৰ দিশৰ পৰাও লতাশিলৰ ভূমিকা, গুৰুত্ব সকলোৰে আগত। অনাগত দিনত এই পথাৰত, মঞ্চত যাতে জাতীয় বিষয়হে 'প্ৰথম আৰু শেষ' ৰূপে নিৰ্ণিত হয়, ৰং-আনন্দৰ লগতে সজাগ, সচেতন এদল জাতীয় সেনানীৰ সৃষ্টি হয়, কৰ্মমুখী, শ্ৰমজীৱী, আপোচহীন প্ৰজন্মৰ আখৰাৰ স্থলী হয় তাৰ বাবে আমাৰ সকলোৰে দায়িত্ব আৰু কৰ্তব্য পালন কৰি এই পবিত্ৰ স্থানৰ, মঞ্চৰ গৰিমা অটুট আৰু সুৰক্ষিত কৰি ৰাখিব লাগিব।

কৈনো কৈ থাকিলে ওৰকে নপৰে আমাৰ লতাশিলৰ কথা— এতেকে লতাশিলৰ ১৯৫২-২০২৬ বৰ্ষৰ ধাৰাবাহিকতা বিহুৰ প্ৰতীক আৰু

পতাকাখন উত্তোলনেৰে তথা শ্ৰীময়ী অসমীৰ শীতল বুকুত উঠে উছৰৰ মধু আলোড়ন— নতুনক লৈ আৱাহন (সশ্ৰদ্ধ প্ৰণিপাত নিপ বৰুৱা, পুৰুষোত্তম দাস) গীত পৰিৱেশনৰে আলোকময় কৰি ২০২৬ বৰ্ষৰ বাবে সমগ্ৰ বিশ্বতে থকা অসমবাসীয়ে দুটা বিৰল আৰু ঐতিহাসিক কাৰ্যসূচীৰ বাবে— প্ৰথমটি গুৱাহাটী বিহু সন্মিলনী, লতাশিলৰ মহাৰজত জয়ন্তী আৰু দ্বিতীয়টি ‘ভূপেনদাদা’ (সুধাকণ্ঠ ড° ভূপেন হাজৰিকা)ৰ জন্ম শতজয়ন্তী উদ্‌যাপন কৰোঁ আহক। এই দুয়োটা কাৰ্যসূচী ব্যাপক আৰু বিস্তৃত ৰূপত, বৰ্ণাঢ্য আৰু বৰ্ণিল আঁচনিৰে সুপৰিকল্পিত আৰু নিখুঁতভাৱে উদ্‌যাপন কৰাৰ ক্ষেত্ৰত লতাশিলে নেতৃত্ব লোৱাটো জাতীয় আহ্বান। অসমীয়া গীত আৰু কাব্য সাহিত্যৰ পুৰোধা অজিৎ বৰুৱা, নৱকান্ত বৰুৱা আৰু কেশৱ মহন্তৰ জন্ম শতবৰ্ষও (২০২৬) লতাশিলৰ মঞ্চত উদ্‌যাপিত হওঁক। এইসকল মহীৰুহৰ লগতে অসম-অসমীয়াৰ অনন্য সম্পদ, জাতীয় কণ্ঠ, আমাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ অবিস্মৰণীয় জাতীয় সাংস্কৃতিক অৱদানসমূহো লতাশিলৰ লগতে সমগ্ৰ বিশ্বৰ বিহু মঞ্চসমূহত গভীৰ চৰ্চা, পৰিৱেশন কৰি তেখেতৰ প্ৰতি জাতীয় কৃতজ্ঞতা প্ৰকাশ কৰা হওঁক।

‘ব’হাগ অসমীয়া জাতিৰ আয়ুস ৰেখা। গণ জীৱনৰ সাহ হৈ ৰওক। ব’হাগ মাথোঁ বিহুতলী, বিহুগীত নহৈ সৃষ্টিৰ দলিল, এন্ধাৰৰ ত্ৰাস হওক। ব’হাগ সংগ্ৰামী জীৱনৰ ৰণ প্ৰেৰণা...’ ভূপেনদাই সোণোৱালী আখৰেৰে লিখি যোৱা এই অমোঘবাণীকে সাৰোগত কৰি লতাশিল বিহু মঞ্চৰ পৰা সংগ্ৰামী জাতীয় মঞ্চলৈ উত্তৰণ হওক— মহাৰজত জয়ন্তী উৎসৱ আৰু অসমীয়াৰ হিয়াৰ আমঠু, যাযাবৰ, বিশ্ব নাগৰিক, অসম ৰত্ন, ভাৰতৰত্ন, ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীত জাতীয়তাবাদৰ ভিত্তিত নব্য সাংস্কৃতিক উত্থানেৰে সন্মিলীত অসমীয়া জাতিসত্তাই দৃঢ়তাৰে আগবাঢ়ক— সেই জাতীয় প্ৰয়াসত আমি সকলো একত্ৰভাবে ব্ৰতী হওঁ আহক। ❖

বিহু নাচ ঃ ইয়াৰ ভংগিমাসমূহৰ এক তাত্ত্বিক আলোচনা

নৰহৰি চুতীয়া

বিহু নাচ অসমৰ প্ৰাচীন লোক কলা। আদিম কৃষিজীৱী মানৱে পৃথিৱীৰ উৎপাদিকা শক্তিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে নাৰীৰূপী পৃথিৱীৰ বুকুত শৃঙ্গাৰ ধৰ্মী নৃত্য-গীত কৰিলে, পৃথিৱীৰ উৰ্বৰা শক্তি বৃদ্ধি পায়। সেয়েহে আদিম কৃষিজীৱী মানৱে পথাৰৰ বুকুত শৃংগাৰধৰ্মী নৃত্য-গীতৰ আয়োজন কৰিছিল। এনেধৰণৰ বিশ্বাসৰ ভিত্তিতেই সৃষ্টি হোৱা অন্যান্য নৃত্যৰ দৰে আমাৰ বিহুনাচৰো উৎপত্তি হৈছিল। এই প্ৰসঙ্গত অধ্যাপক হেম বৰুৱাই এইবুলি উল্লেখ কৰিছে — "আমাৰ বিহু-নৃত্যৰ আঁচনিত যৌন আকৰ্ষণৰ প্ৰভাৱ অস্বীকাৰ কৰা টান। শস্যৰ বাবে পৃথিৱীৰ উৎপাদিত শক্তিৰ ওপৰত নিৰ্ভৰ নকৰিলে উপায় নাই। পথাৰত খেতিৰ বীজ ৰোপণৰ কথা নৃত্যৰত অবিবাহিত ডেকা-গাভৰুৰ অংগ-চালনাই, কামনা-উদ্দীপক কঁকাল ভঙা ছেৱে প্ৰতীকৰ জৰিয়তে ব্যক্ত কৰে। এইখিনিতে বিহু -নৃত্যৰ বিশেষত্ব। নৃত্যৰ মূলতে আছে যৌনতত্ত্বৰ কথা, ই পৃথিৱীৰ উৎপাদিকা শক্তিৰ প্ৰকাশ। বিহু-নৃত্যক থোৰতে গৰ্ভধাৰণ উৎসৱ বুলিলে সম্ভৱত ভুল কৰা নহ'ব।" (বিহু নাচৰ উৎপত্তি ঃ অধ্যাপক হেম বৰুৱা, ৰামধেনু চতুৰ্থ বছৰ প্ৰথম সংখ্যা, ব'হাগ ১৮৭৩)

বিহু নাচ সৃষ্টিৰ ক্ষেত্ৰত প্ৰকৃতিৰ প্ৰভাৱো মন কৰিবলগীয়া। বছৰৰ অন্য ঋতুৰ তুলনাত বসন্ত কালৰ প্ৰকৃতিৰ ৰূপ-লাৱণ্যৰ পৰশত বিশেষকৈ ডেকা-গাভৰুৰ মন-প্ৰাণ সেউজীয়া হৈ উঠে। এনে সৌন্দৰ্যময় আৰু আনন্দময় পৰিৱেশত তেওঁলোকৰ মাজত প্ৰেম ভালপোৱা ভাব জাগ্ৰত হৈ উঠে। সেই সময়ত তেওঁলোকে তেওঁলোকৰ মনৰ মাজত উদয় হোৱা ভাৱবোৰ নৃত্য-গীতৰ যোগেদি ক'ব বিচাৰে। এনে মধুময় পৰিৱেশত সৃষ্টি হোৱা নৃত্য-গীতসমূহ আমাৰ অসমৰ ক্ষেত্ৰত পৰৱৰ্তী সময়ত বিহুনাচ নামলৈ ৰূপান্তৰিত হ'ল বুলি ক'ব পাৰি। এই ক্ষেত্ৰত বিহু বিশেষজ্ঞ ডঃ প্ৰদীপ নেওগৰ মত প্ৰণিধানযোগ্য। তেওঁ এইবুলি উল্লেখ কৰিছে—" বিহুৱে উৎসৱ হিচাপে আনুষ্ঠানিক ৰূপ লোৱাৰ পূৰ্বেও কোনো প্ৰকাৰৰ বিশ্বাস কিম্বা ধাৰণাৰ বশৱৰ্ত্তী নোহোৱাকৈ কেৱল বসন্তকালৰ মনোৰম প্ৰকৃতিৰ পৰশে কৰা উন্মনা মন-প্ৰাণৰ তাড়নাত ডেকা-গাভৰুৱে স্বতঃস্ফূৰ্তভাৱে নাচিছিল- গাইছিল বুলি ভাবিবৰ থল আছে। (উৎস — 'বিহুনাচৰ বিৱৰ্তন আৰু উত্তৰণ' —ডঃ প্ৰদীপ নেওগ, প্ৰান্তিক, ১- ১৫ এপ্ৰিল,

২০১২)।

মূলতঃ প্ৰকৃতিৰ বুকুৰ পৰাই আমাৰ বিহুনাচৰ ভংগিসমূহ গ্ৰহণ কৰা হৈছে। সাধাৰণতে প্ৰকৃতিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা নাচৰ ভংগীসমূহ প্ৰতীকধৰ্মী হয়। সেয়েহে আমাৰ প্ৰকৃতিৰ মনোহৰ চিত্ৰ পৰিলক্ষিত হয়। প্ৰকৃতিৰ উপৰি প্ৰেম-পিৰীতিমূলক , শৃঙ্গাৰধৰ্মী ভংগীও বিহুনাচত পৰলক্ষিত হয়। অন্যহাতে অসমীয়া সমাজত ব্যৱহৃত কোনো সাংস্কৃতিক সম্পদৰ অনুকৰণ, জীৱনৰ অভিজ্ঞতা ভিত্তিত কিছুমান ভংগী সৃষ্টি হৈছে।

পুৰুষ আৰু নাৰীৰ বিহুনাচৰ ভংগিসমূহৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। পুৰুষতকৈ নাৰীৰ ভংগীসমূহ অধিক পৰিমাণে প্ৰকৃতিকেন্দ্ৰিক।নাৰীৰ বিহুনাচৰ ভংগীসমূহ আমি এইদৰে উল্লেখ কৰিব পাৰো।

বিহুনাচৰ ভংগিমাসমূহ(নাৰীৰ)

১) ম'হৰ শিঙ যোৰৰ দৰে দুখন হাতৰ ভংগিমা
২) কঁকালৰ পাছফালে হাতৰ তলুৱাৰ পিঠি থৈ নচা হাতৰ ভংগিমা
৩) টাকুৰি ঘূৰাদি ঘূৰি নচা হাতৰ ভংগিমা
৪) খোপাত হাত থৈ নচা হাতৰ ভংগিমা
৫) হাতৰ বাহু কান্ধৰ সমানত ৰাখি নচা হাতৰ ভংগিমা
৬) পখিলা উৰাদি হাত মেলি নচা হাতৰ ভংগিমা
৭) বাওঁফালৰ ককাঁলত বাওঁ হাতখন থৈ সোঁহাতেৰে বাওঁ হাতখন স্পৰ্শ কৰি নচা হাতৰ ভংগিমা
৮) পানীৰ দৰে ঢৌ খেলাই নচা হাতৰ ভংগিমা
৯) পাছফালে দুহাতেৰে কঁকাল খামুচি ধৰি নচা হাতৰ ভংগিমা
১০) হালি-জালি নচা হাতৰ ভংগিমা
১১) এখন হাত ককাঁলত থৈ আনখন হাত ম'হৰ শিঙৰ দৰে সন্মুখলৈ ঘোৰ খুৱাই নচা নাচ।
১২) সন্মুখলৈ হাওলি হৈ নচা হাতৰ ভংগিমা।

নাৰীৰ বহুনাচৰ ভঙ্গীমাসমূহৰ দৰে পুৰুষৰ বিহুনাচৰ ভংগিমাসমূহৰো এক সুকীয়া বৈশিষ্ট্য আছে। পুৰুষৰ বিহুনাচৰ ভংগিমাসমূহ আমি এইদৰে উল্লেখ কৰিব পাৰো —

পুৰুষৰ বিহুনাচৰো কিছু সুকীয়া বৈশিষ্ট্য আছে। পুৰুষৰ বিহুনাচৰ ভংগিমাসমূহ হৈছে।

১) ম'হৰ শিঙৰ দৰে দুখন হাতৰ ভংগিমা
২) দুহাত কঁকালৰ পিঠিত থৈ কঁকাল ভাঙি নচা নাচৰ ভংগিমা
৩) অগা-পিছা হাতৰ ভংগিমা
৪) দুহাতেৰে মূৰৰ ওপৰলৈ তুলি ধৰি নচা নাচৰ হাতৰ ভংগিমা
৫) এখন হাত ওপৰলৈ আৰু এখন হাত তললৈ পোনকৈ মেলি নচা হাতৰ ভংগিমা।

নাৰী আৰু পুৰুষৰ বিহুনাচৰ ভংগিমাসমূহৰ উপৰি ঠাই বিশেষে বিহুনাচৰ ভংগিমাৰ অন্য ৰূপো পৰিলক্ষিত হয়। তেনে কেইটামান ভংগিমাৰ বিষয়ে ডঃ অনিল শইকীয়া উল্লেখ কৰিছে। সেই ভংগিমাকেইটা হৈছে — ১) চিলনী হাত ২) শগুণ পাখি হাত ৩) উঁইচিৰিঙা হাত।

(উৎস ঃ মুকলি বিহুৰ পৰিৱেশন শৈলী- বিহুনাচৰ ভংগিমা প্ৰবন্ধ) — ডঃ অনিল শইকীয়া, পৃঃ ৮৪, সম্পাদনা ডঃ দীপেন দাস, প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী, ২০১৮)

বিহুনাচৰ ভংগিমাসমূহত একো একোটা গভীৰ অৰ্থ নিহিত আছে। সেইবোৰ প্ৰতীকৰ যোগেদি ব্যক্ত কৰা হয়। আমি বিহুনাচৰ অৰ্থনিহিত ভংগিমাসমূহৰ বিষয়ে তাত্বিকভাৱে এইদৰে আলোচনা কৰিব পাৰোঁ।

নাৰীৰ বিহুনাচৰ ভংগিমাসমূহ ঃ

১) ম'হৰ শিংযোৰৰ দৰে হাত দুখন ঘেৰ খুৱাই নচা ভংগিমাৰ সন্দৰ্ভত ঃ ম'হৰ শিংযোৰৰ দৰে হাত দুখন কঁপালৰ আগলৈ ঘোৰ খুৱাই হাতৰ সৰুগাঁঠিত হাতৰ তলুৱা ভাঙি আৰু কঁকাল ভাঙি ভাঙি নচা নাচ। বিহুনাচৰ এনে ভংগিমাক কোনো কোনোৱে 'ঘেৰ হাত' বুলিও কয়।

বিহুনাচৰ এই ভংগিমাটো ম'হক বিশেষকৈ শক্তি, সৌন্দৰ্য আৰু যৌৱনৰ প্ৰতীক হিচাপে লৈ গ্ৰহণ কৰা হৈছে। সেয়ে লোক সাংস্কৃতিৰ গৱেষক ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাই উল্লেখ কৰিছে - " ম'হ শক্তি, সৌন্দৰ্য আৰু যৌৱনৰ প্ৰতীক। বিহুগীতত তাৰ পৰিচয় আছেঃ কিনো খুৱাই বঢ়ালে, মতা ম'হৰ গলধন, ওদালৰ তলতে নাকীজৰী বাটোতে ম'হ বনৰীয়া হ'ল। (বিহুগীতত অসমীয়া জীৱনৰ চিত্ৰ- ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, 'অসমীয়া সংস্কৃতি' সম্পাদনা লীলা গগৈ, পৃঃ ৩১৭)

অন্যহাতে ম'হ আমি দৈনন্দিন জীৱনৰ বিভন্ন কৰ্মত (যেনে হাল বোৱা, গাড়ী টনা, আদি কামত) ব্যৱহাৰ কৰোঁ। সেয়ে বিহুনাচৰ হাতৰ ভংগিমাত ঘোৰ খাই থকা ম'হৰ শিংযোৰৰ অনুকৰণ কৰাটো পৰিলক্ষিত হয়।

২) কঁকালৰ পাছফালে হাতৰ তলুৱাৰ পিঠি থৈ নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ কঁকালৰ পাছফালে হাতৰ তলুৱাৰ পিঠি থৈ মুখ এবাৰ বাওঁফালে আৰু এবাৰ সোঁফালে সলনা-সলনিকৈ ঘূৰাই কঁকাল ভাঙি নচা নাচ। হাতৰ এই ভংগিমাত সন্মুখলৈ মুখ কৰিও নচা হয়।

কঁকালৰ পাছফলে হাতৰ তলুৱাৰ পিঠি থৈ কাঁকল ভাঙি নচাটো বিহুনাচৰ এটি পৰম্পৰা। অন্যহাতে কঁকাল ভঙা কাৰ্যত যৌন সম্পৰ্ক নিহিত আছে।

৩) টাকুৰি ঘূৰাদি ঘূৰি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ দুহাত মেলি টাকুৰি ঘূৰাদি ঘূৰি ঘূৰি নচা নাচ।

আমাৰ সমাজ জীৱনত ব্যৱহৃত কোনো বস্তুৰ অনুকৰণত বিহুনাচৰ কোনো ভংগিমা সৃষ্টি হৈছে। উদাহৰণস্ৱৰূপে শিপিনীয়ে সূতা কাটিবলৈ ব্যৱহাৰ কৰা টাকুৰিটো যিদৰে ঘূৰে, সেইদৰে বিহুনাচত নাচনীয়ে ঘূৰি ঘূৰি নাচে (বিহু নামত উল্লেখ আছে- টাকুৰি ঘূৰাদি ঘূৰিবি নাচনী)

৪) খোপাৰ হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ কোনো মুহূৰ্তত এখন হাত খোপাত থৈ, আনখন হাত কঁকালত থৈ আৰু কোনো মুহূৰ্তত দুখন হাত খোপাত থৈ সাধাৰণভাৱে কঁকাল ভাঙি নচা নাচ।

নাৰীৰ বাবে খোপাটো এক সৌন্দৰ্যবোধৰ প্ৰতীক ।নাচনীয়ে খোপাত হাত স্পৰ্শ কৰি কঁকাল ভাঙি নাচি প্ৰেম-প্ৰণয়ৰ বাবে এক ইংগিত ধৰ্মী, সৌন্দৰ্যময় আৰু আকৰ্ষণীয় পৰিৱেশ সৃষ্টি কৰে বুলি ভাবিব পাৰি। সেয়ে বিহুনামত উল্লেখ আছে —

হাতৰে শুৱনি হাতৰ গামখাৰু
কঁকালৰ শুৱনি ৰিহা
মূৰৰে শুৱনি মূৰৰে সেওঁতা
গলধনৰ শুৱনি খোপা।

৫) হাতৰ বাহু কান্ধৰ সমানত ৰাখি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ

হাতৰ বাহু কান্ধৰ লগত সমান কৰি ওপৰলৈ হাত তুলি হাতৰ তলুৱা সঞ্চালন কৰি নচা নাচ।

এইটো এটা বিহুনাচৰ পৰম্পৰাগত ভংগিমা। নাচনীয়ে আনন্দ-উল্লাসত এইদৰে নচাটো পৰিলক্ষিত হয়।

৬) পখিলা উৰাদি হাত মেলি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ পখিলা যিদৰে উৰে, তেনে অনুকৰণত নাচনীয়ে দুহাত মেলি নচা নাচ।

পখিলাৰ উৰণত প্ৰকৃতিৰ এক মনোমোহা আৰু আকৰ্ষণীয় ৰূপ পৰিলক্ষিত হয়। গতিকে পখিলা উৰণৰ অনুকৰণত নাচনীয়ে দুহাত মেলি নচা ভংগিমাটো সৃষ্টি হৈছে বুলি ক'ব পাৰি। (বিহুগীত বা নামত উল্লেখ আছেঃ পখিলা উৰাদি উৰিবি নাচনী)

৭) বাওঁফালে কঁকালৰ কাষত বাওঁহাতখন থৈ সোঁহাতখনেৰে বাওঁহাত স্পৰ্শ কৰি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ

আমাৰ দেহটোক এজোপা গছ আৰু হাত দুখনক লতাৰ প্ৰতীক হিচাপে ধৰি ল'লে, লতাৰ প্ৰতীক হাত দুখনেৰে গছৰ প্ৰতীক আমাৰ দেহটোৰ মধ্য অংশত তথা কঁকালৰ অংশত মেৰিয়াই ধৰা যেন কৰিলে, পুৰুষৰ প্ৰতীক গছক আৰু প্ৰকৃতিৰ প্ৰতীক লতাক মেৰিয়াই ধৰা যেন লাগে। সৃষ্টিৰ বাবে প্ৰকৃতি আৰু পুৰুষৰ মিলনৰ প্ৰয়োজন। উক্ত ভংগিমাটোৰে প্ৰতীকৰ যোগেদি সেই কথাকে বুজাইছে যেন লাগে।

৮) পানীৰ ঢৌ খেলোৱা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ বাওঁহাতৰ আঙুলিবোৰ সোঁহাতৰ আঙুলিৰে লাহেকৈ খামোচ মাৰি ধৰি পানীয়ে ঢৌ খেলোৱাৰ দৰে দুহাত সঞ্চালন কৰি নচা নাচ।

এই ভংগিমাটো প্ৰকৃতিৰ পৰা লোৱাটো পৰিলক্ষিত হৈছে। বিশেষকৈ অসমৰ নৈ কাষৰীয়া লোকে নৈৰ পানীয়ে ঢৌ সৃষ্টি কৰা প্ৰকৃতিৰ এনে মনোৰম দৃশ্য সততে দেখিবলৈ পায়। প্ৰকৃতিৰ পৰা লাভ কৰা এনে অভিজ্ঞতা ভিত্তিত ভংগিমাটো সৃষ্টি কৰা হৈছে বুলি ক'ব পাৰি।

৯) পাছফালে দুহাতেৰে কঁকাল খামুচি ধৰি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ পাছফালে কঁকালত দুহাতেৰে লাহেকৈ খামুচি ধৰি এবাৰ ধৰি, এবাৰ এৰি দি তাল ৰাখি কঁকাল নচা নাচ।

এই নাচতো যৌন সম্পৰ্কৰ অভিজ্ঞতা নিহিত আছে বুলি ক'ব পাৰি।

১০) হালি-জালি নচা হাতৰ ভংগিমা সন্দৰ্ভত ঃ কঁকালত হাত থৈ বতাহত গছ-গছনি হালি-জালি থকাৰ দৰে নচা নাচ। এই ভংগিমাটো প্ৰকৃতিৰ পৰা লোৱা হৈছে যেন লাগে। গছ -গছনি বতাহত যিদৰে হালি-জালি থাকে, সেই দৃশ্যৰ অনুকৰণত এই ভংগিমাটো সৃষ্টি হৈছে বুলি ভাবিব পাৰি।

১১) এখন হাত কঁকালত থৈ আনখন হাত ম'হৰ শিঙৰ দৰে সন্মুখলৈ ঘোৰ খুৰাই নচা নাচঃ—

সোঁহাত বা বাওঁহাত যিকোনো এখন হাত একেফালে কঁকালত থৈ আৰু একেফালে যিকোনো এখন হাত ম'হৰ শিঙৰ দৰে ঘোৰ খুৰাই হাত সলনা-সলনি কৰি সন্মুখলৈ দি হাতৰ সৰু গাঁঠিত হাতৰ তলুৱা ভাঙি সন্মুখলৈ কঁকাল ভাঙি নচা নাচ।

এই ভংগিমাটোক প্ৰেম-প্ৰণয়ৰ এক ইংগিতসূচক ভংগিমা বুলি ক'ব পাৰি।

১২) সন্মুখলৈ হাওলি নচা হাতৰ ভংগিমা সন্দৰ্ভত ঃ সন্মুখলৈ হাওলি হাত মেলি বা কঁকালত হাত থৈ নচা হাতৰ ভংগিমা। এই ভংগিমাটো প্ৰকৃতিৰ বুকুৰ পৰা লোৱা হৈছে বুলি ক'ব পাৰি। গছ-লতিকাৰ ডাল পাতসমূহ সাধাৰণতে তললৈ হাওলি থাকে। প্ৰকৃতিৰ দৃশ্যৰ অনুকৰণত এই ভংগিমাটো সৃষ্টি হৈছে বুলি ক'ব পাৰি।

নাৰীৰ ভংগিমাসমূহৰ দৰে পুৰুষৰ ভংগিমাসমূহতো প্ৰকৃতিৰ সম্পৰ্কৰ লগতে যৌন সম্পৰ্কও নিহিত আছে। পুৰুষৰ ভংগিমাসমূহৰ বিষয়ে আমি এইদৰে আলোচনা কৰিব পাৰো —

১) ম'হৰ শিঙৰ দৰে দুখন হাতৰ ভংগিমাৰ সন্দৰ্ভতঃ

এই ভংগিমাত হাত দুখন ম'হৰ শিঙৰ দৰে ঘোৰ খুৰাই কপালৰ আগলৈকে মেলি দি, হাতৰ সৰু -গাঁঠিত তলুৰা ভাঙি আৰু কঁকাল ভাঙি নচা হয়।

আগতে উল্লেখ কৰা দৰে এই ভংগিমাটোক শক্তি , সৌন্দৰ্য আৰু যৌৱনৰ প্ৰতীক বুলি ক'ব পাৰি। ম'হ শিঙীয়া হাত আৰু ককাঁল ভঙা ভংগিমাটোৱে তেনে অৰ্থকে প্ৰকাশ কৰে বুলি ক'ব পাৰি।

২) দুহাতৰ তলুৰা কঁকালত পাছফালে থৈ কঁকাল ভাঙি নচা নাচৰ হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ দুহাত কঁকালত পাছফালে থৈ কাঁকল খামুচি ধৰি মুখ কোনো মূহূৰ্তত সোঁ বাহুৰ ফালে আৰু কোনো মূহূৰ্তত বাওঁফালৰ ফালে ঘূৰাই বাহু ভাঙি, কঁকাল ভাঙি নচা নাচ।

এইদৰে কঁকাল খামুচি ধৰি বাহু ভাঙি, কঁকাল ভাঙি নচাটোত যৌন সম্পৰ্ক থকাৰ উপৰি ইয়াৰ যোগেদি বিহুৰ অনাবিল আনন্দ ভংগিমাৰ যোগেদি প্ৰকাশ কৰাটো পৰিলক্ষিত হৈছে।

৩) অগা-পিছা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ ঢোলৰ ছেৱৰ লগত সংগতি ৰাখি দুহাত সোঁৱে-বাঁওৱে , আগলৈ পাচলৈ মাৰি, কঁকাল ভাঙি ভাঙি নচা নাচ। এইটো পুৰুষৰ বিহুনাচৰ পৰম্পৰাগত ভংগিমা।

৪) দুহাত মূৰৰ ওপৰলৈ তুলি ধৰি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভতঃ এই ভংগিমাটো প্ৰকৃতিমূলক বুলি ক'ব পাৰি বতাহত গছ-গছনি হালি-জালি থকাৰ দৰে পুৰুষে উৎফুল্লিত হৈ ওপৰলৈ হাত তুলি নাচে বুলি ক'ব পাৰি।

৫) এখন হাত ওপৰলৈ আৰু এখন হাত তলৈ পোনকৈ মেলি নচা হাতৰ ভংগিমাৰ সন্দৰ্ভত ঃ এখন হাত ওপৰলৈ আৰু এখন হাত তলৈ পোনকৈ মেলি হাতৰ তলুৱা ভাঙি নচা নাচ।

এইটো পুৰুষৰ বিহুনাচৰ পৰম্পৰাগত নাচ। এই ভংগিমাতো প্ৰকৃতিৰ পৰশ পৰা যেন লাগে।

ইয়াৰ উপৰি নাৰীৰ বিহুনাচৰ হাতৰ ভংগিমাৰ ক্ষেত্ৰত ডঃ অনিল শইকীয়াই উল্লেখ কৰা ‘চিলনীহাত ’ শগুণ পাখি হাত’, উইচিৰিঙা হাত’ বিহুনাচৰ হাতৰ এই ভংগিমাকেইটা প্ৰকৃতিমূলক। তেখেতে উল্লেখ কৰা চিলনী হাতখন চিলনীয়েআকাশত উৰি যোৱাৰ অনুকৰণত সৃষ্টি কৰা হৈছে। এই ভংগিমাত হাতৰ কিলাকুটি দুটা সামান্য ভাঁজ কৰি প্ৰসাৰিত কৰি হাতৰ তলুৱা সঞ্চালন কৰি নচা হয়। সেইদৰে শগুণ পাখি হাতৰ ভংগিমাটো শগুণে পাখি মেলি উৰাৰ অনুকৰণত সৃষ্টি হৈছে। এই ভংগিমাতো হাত দুখন আৰু সামান্য প্ৰসাৰিত কৰি হাতৰ তলুৱা দুখন সামান্য ঢৌ খেলোৱা নিচিনা কৰা হয়। উঁইচিৰিঙা হাতৰ ভংগিমাত হাতৰ তলুৱা দুখন অলপ ওচৰা-ওচৰিকৈ ৰাখি শৰীৰত আগফালে বাওঁফালৰ পৰা সোঁফাললৈ আৰু সোঁফালৰ পাৰ বাওঁফাললৈ সঞ্চালন কৰা হয়। উঁইচিৰিঙা উৰাৰ দৰে গতি কৰা অনুকৰণত এই ভংগিমা সৃষ্টি হোৱা ইয়াক উঁইচিৰিঙা হাত বুলিও কোৱা হয়।

বিহুনাচৰ পদচালনাঃ

বিহু নাচোতে যিদৰে ভৰি চালনা কৰা হয়,

তাকেই বিহুনাচৰ পদচালনা বুলি কোৱা হয়। বিহু নাচোতে কৰাল পদ চালনাক 'বুলনি' বুলিও কোৱা হয়। বিহু নাচোতে কেইবাপ্ৰকাৰে পদচালনা কৰিব পাৰি। সেই পদচালনাসমূহক বিভিন্ন ধৰণে নামকৰণ কৰাটো পৰিলক্ষিত হয়। সেইবোৰ হৈছে —

১) শালিকা বুলনি

২) মকৰা বুলনি

৩) পৰুৱা বুলনি

শালিকা বুলনিঃ শালিকা চৰাইয়ে দুয়োটা ঠেং একেলগে কৰি খোজ দিয়ে। বিহু নাচোতেও শালিকাই দিয়া খোজৰ অনুকৰণত সেইদৰে পদচালনা কৰা হয় বাবে এনেধৰণৰ পদচালনাক শালিকা বুলনি বুলি কোৱা হয়। এনে পদ চালনাক কোনো কোনোৱে 'গিৰিপণি নাচ' বুলিও কয়।

মকৰা বুলনিঃ মকৰাই খোজ কাঢ়োতে সিহঁতৰ ঠেং কেইটা পৰস্পৰে অঁতৰি থকাটোপৰিলক্ষিত হয়। মকৰাৰ খোজৰ এনে অনুকৰণত বিহু নাচোতে ভৰি দুটা ফাঁক কৰি বিহু নচা হয় বাবে, এনে পদচালনাক মকৰা বুলনি বুলি কোৱা হয়।

পৰুৱা বুলনিঃ ভৰি নদঙাকৈ খুপি খুপি পদচালনা কৰি বিহুনাচ নাচিলে, তেনে পদচালনাক পৰুৱা বুলনি বুলি কোৱা হয়। এই বুলনিত ভৰিৰ পতা খোপনিৰ দ্বাৰা পথালিকৈ গতি কৰিও বিহুনাচ নচা হয়।

এই পদচালনা পৰুৱাই খোজ দিয়াৰ অনুকৰণত সৃষ্টি হৈছে। সেইবাবে ইয়াক পৰুৱা বুলনি বুলি কোৱা হয়। ওপৰৰ উল্লেখিত যিকোনো এটা পদচালনাৰে বিহুনাচ নাচিব পৰা যায়, অথবা আটাইকেইটা পদ চালনা ব্যৱহাৰ কৰিও বিহুনাচ নাচিব পৰা যায়।

এইবোৰৰ উপৰি কোনো কোনোৱে পদচালনাক বিভিন্ন ধৰণে নামকৰণ কৰাটো পৰিলক্ষিত হয় । সেইবোৰ হৈছে — ১) খোপ-খুপি ২) গিৰিপ-গিৰিপ ৩) খুপি-খুপি ৪) ধেনুভিৰিৰয়া আদি

বিহুনাচৰ পাক বা ঘূৰণঃ

বিহুনাচ নাচোতে বিহুৱা-বিহুৱতীয়ে ঢোলৰ ভাঙনি অংশত বা যিকোনো ৰগৰ দিয়া অংশত বা যতি পৰা অংশত পাক দিয়ে বা ঘূৰে। বিহুনাম গাওঁতেও বিহুনামৰ দোহোৰা অংশ বা যতি পৰা অংশত পাক দিয়া বা ঘূৰা হয়। বিহুনাচ নাচোতে দিয়া পাক বা ঘূৰণৰ কোনো কোনোৱে বিভিন্ন ধৰণে নামকৰণ কৰাটো পৰিলক্ষিত হয়। সেইবোৰ হৈছে- ১) টাকুৰি পাক ২) চেৰেকি পাক ৩) বৈ পাক-গৈ পাক ৪) হাওলি পাক ৫) এখন হাত কঁকালত আৰু আনখন হাত খোপাত থৈ দিয়া পাক। ৬) দুয়োখন হাত খোপাত থৈ দিয়া পাক

১) **টাকুৰি পাক ঃ** দুয়োখন হাত কঁকালত ৰাখি একেটা দিশত দ্ৰুত গতিত ঘূৰাকে টাকুৰি পাক বোলে। কেতিয়াবা দুহাত মেলিও টাকুৰি ঘূৰাদি ঘূৰি নচা হয়। টাকুৰি ঘূৰণৰ অনুকৰণত যি পাক দিয়া হয়, তাক টাকুৰি পাক বুলিও আমি ক'ব পাৰো।

২) **চেৰেকি পাকঃ** হাত দুখন সামান্য প্ৰসাৰিত কৰি চেৰেকিৰ আকাৰ কৰি ঘূৰাকে চেৰেকি পাক বোলে।

৩) **বৈ পাক গৈ পাক ঃ** ঢোলৰ চাপৰত নাচনীয়ে কোনো মুহূৰ্ততে বাওঁফালে আধা পাক আৰু সোঁফালে আধা পাক দি ঘূৰাকে বৈ পাক গৈ পাক বুলি কয়।

৪) **হাওলি পাক ঃ** হাত দুখন ঘেৰ কৰি

ঢোলৰ ভাঙনি অংশত নাচনীয়ে সামান্য হাওলি এপাক মৰাকে হাওলি পাক বুলি কোৱা হয়।

৫) এখন হাত কঁকালত আৰু আনখন হাত খোপাত থৈ দিয়া পাকঃ এখন হাত কঁকালত আৰু আনখন হাত খোপাত থৈ নাচনীয়ে কোনো মূহূৰ্ততে বিহু নাচ নাচোতে পাক দিব পাৰে বা ঘূৰিব পাৰে।

৬) দুয়োখন হাত খোপাত থৈ দিয়া পাকঃ নাচনীয়ে দুয়োখন হাত খোপাত থৈ বিহুনাম গাওঁতে আৰু ঢোলৰ চাপৰ মাৰোতে এই পাক দিয়ে।

বিহুনাচৰ কেইটামান পৰম্পৰাগত বৈশিষ্ট্যঃ

১) নাচনীয়ে বিহু নাচোতে হাতৰ আঙুলিবোৰ লগ লগাই নাচিব লাগে।

২) নাচনীয়ে বিহুনাচ নাচোতে মূৰৰ ওপৰলৈ হাত তুলি নাচিব নালাগে।

৩) নাচনীয়ে বিহু নাচোতে ভৰি ওপৰলৈ দাঙি নাচিব নালাগে।

৪) নাচনীৰ চকুৰ চাৱনি মনোমোহা আৰু হাঁহি মিচিকিয়া হ'ব লাগে।

৫) নাচনীয়ে তীব্ৰ বেগত বা দৌৰি নাচিব নালাগে। সৰু সৰু খোজেৰে নাচিব লাগে। নাচোতে জপিয়াব নালাগে।

৬) বিহুনাচ অভিনয়সূচক নহয়। গতিকে বিহুনাচ নাচোতে অভিনয়সূচক মুদ্ৰা দেখুৱাব নালাগে। বিহুনাচত মুদ্ৰা নাথাকে, ভংগিমাহে থাকে।

৭) পুৰুষে বিহু নাচোতে কঁকালৰ ওপৰৰ অংশতকৈ তলৰ অংশহে বেছিকৈ সন্মুখলৈ ভাঙি ভাঙি নাচে।

উৎস প্ৰসঙ্গ

১) বিহুনাচৰ উৎপত্তি ঃ অধ্যাপক হেম বৰুৱা, ৰামধেনু চতুৰ্থ বছৰ প্ৰথম সংখ্যা, ব'হাগ ১৮৭৩শক

২) বিহু নৃত্য-গীত খচৰা নিয়মাৱলী ,তেজপুৰ, ১৪এপ্ৰিল, ১৯৮৭

৩) বিহু নাচ আৰু ইয়াৰ ভংগিবোৰ ঃ নৰহৰি চুতীয়া, প্ৰান্তিক, ১ এপ্ৰিল ২০০৬

৪) বিহু বিনন্দীয়াঃ ডঃ প্ৰদীপ নেওগ, ডিচেম্বৰ, ২০০৯

৫) বিহুনাচৰ ভংগিমা ঃ ডঃ অনিল শইকীয়া, মুকলি বিহুৰ পৰিৱেশন শৈলী (গ্ৰন্থ), সম্পাদনা ডঃ দীপেন দাস, ফেব্ৰুৱাৰী, ২০১৮

৬) বিহু সংস্কৃতিৰ ৰূপৰেখা ঃ মুখ্য সম্পাদনা জয়কান্ত গন্ধীয়া, সম্পাদক নিতুন চাংমাই , অক্টোবৰ ২০১৮

৭) অসমীয়া গাভৰুৰ বিহুনাচ জয়কান্ত গন্ধীয়া।❖

আগবাৰীৰ শুৱনি জেতুকাজোপা

অজন্তা উপমণ্যু

ব'হাগৰ বিহু বুলিলেই যিদৰে ঢোল-পেঁপা গগনাৰ মাতে মন থৌকি-বাথৌ কৰে ঠিক তেনেদৰে দুহাতৰ জেতুকাৰ বোলেও মনলৈ আনন্দৰ জোৱাৰ আনে। শৈশৱৰ সেই মধুৰ দিনবোৰ চকুৰ আগত অগা-দেৱা কৰে। গৰুৰ বিহুৰ দিনা ৰাতি দুহাতত জেতুকা পিহি লগাই হাত দুখন মুঠি মাৰি ফটা কানিৰে মায়ে বান্ধি দিছিল। পুৱা জেতুকা আঁতৰাই ৰঙীন হাত দুখন দেখি কি অপাৰ আনন্দ পাইছিলোঁ আজি আৰু তাক ভাষাৰে বুজোৱা সম্ভৱ নহয়।

আজি অৱশ্যে সকলোৰে পৰিচিত জেতুকা জোপাৰ বিষয়ে কিছু কথা পাতিম।

পৃথিৱীৰ নানান দেশৰ লগতে ভাৰতৰ বিশেষ কিছু অঞ্চল আৰু অসমৰ সমাজ জীৱনত জেতুকা গছৰ প্ৰয়োজনীয়তাৰ বিষয়ে নতুনকৈ একো কোৱা নাযায়। আমাৰ অসমীয়া লোক সংস্কৃতি আৰু পৰম্পৰাৰ লগত জেতুকা গছ ওতঃপ্ৰোতভাৱে জড়িত।

খ্ৰীষ্টপূৰ্ব দুহেজাৰ বছৰৰ আগৰে পৰাই পৃথিবীৰ বিভিন্ন অঞ্চলত প্ৰসাধন আৰু ঔষধি গছ হিচাপে জেতুকাৰ ব্যৱহাৰ হৈ আহিছে। ই যেনেকৈ সৌন্দৰ্য বৰ্দ্ধন গছ হিচাপে ব্যৱহৃত হৈ আহিছে ঠিক তেনেদৰে ঔষধি গুণেৰে সমৃদ্ধ বিশেষ উদ্ভিদ হিচাপেও সমানেই ব্যৱহৃত হৈ আহিছে। এই গছ দক্ষিণ আৰু উত্তৰ আফ্ৰিকাত প্ৰচুৰ পৰিমাণে পোৱা যায়। আলজেৰিয়া, য়েমেন, ইজিপ্ট, লিবিয়া, ইৰাণ, পাকিস্তান বাংলাদেশ ,আফগানিস্তান , ভাৰত, ইৰাক, চৌডি আৰব আদি দেশত ইয়াৰ খেতি কৰা হয়। ভাৰতৰ

ৰাজস্থানৰ পালি জিলাত ইয়াৰ প্ৰচুৰ পৰিমাণে খেতি কৰা হয়। জেতুকা গছক অঞ্চল ভেদে বিভিন্ন নামেৰে জনা যায়। অসমত যেনেকৈ জেতুকা ভাৰতৰ নানান অঞ্চলত মেহেন্দি (Mehendi) , হেনা (Henna) আদি নামেৰে জনা যায় । হেনা টো উৰ্দু শব্দ। ইয়াৰ বৈজ্ঞানিক নাম Lawsonia inermis. ইয়াত ল'চম (Lawsome) নামৰ এবিধ ৰাসায়নিক দ্ৰব্য পোৱা যায় । এই দ্ৰব্য বিধৰ বাবে ইয়াৰ পাত গুড়ি কৰিলে ৰঙা হয়।

ৰাজস্থান , উত্তৰ প্ৰদেশ, গুজৰাট, মহাৰাষ্ট্ৰ, আদিত বিভিন্ন উৎসৱ-পাৰ্বনত মেহেন্দি অৰ্থাৎ জেতুকা লগোৱাটো অপৰিহাৰ্য । ইয়াক বিশেষকৈ মাংগলিক দ্ৰব্য হিচাপে মান্যতা দিয়া হয়। ৰাজস্থান, গুজৰাট, উৰিষ্যা আদিত বিবাহ অনুষ্ঠানত দৰা কইনাই হাত আৰু ভৰিত মেহেন্দী লগোৱাটো অপৰিহাৰ্য। নানান নক্সাৰে হাত ভৰি শুৱনি কৰি লয়। আজিকালি অৱশ্যে অসমীয়া বিবাহ অনুষ্ঠান, পূজা-পাৰ্বণ আদিতো এই পৰম্পৰা আদৰি লৈছে।

অসমত গৰুৰ বিহুৰ দিনা অৰ্থাৎ চ'ত মাহৰ দোমাহীৰ দিনা জেতুকাৰ কেচাঁ পাত পিহি লগোৱা হয়। ইয়াৰ ৰং গাঢ় হবলৈ ডালিমৰ কুমলীয়া পাত, থেকেৰা, চূণ, পাণৰ পিপলী , কেচাঁ হালধিৰ ৰস, কেঁহেৰাজ আদিও লগতে পিহি লোৱা হয়।

জেতুকা যদিও ছাল চুলিৰ প্ৰসাধন সামগ্ৰী হিচাপে বহুল ভাৱে ব্যৱহৃত কিন্তু ইয়াত ঔষধি গুণো অপাৰ আছে। ই চৰ্ম ৰোগৰ বাবে অতি উত্তম ঔষধ।

জেতুকা পাত পিহি লগালে যেনেকৈ হাতৰ সৌন্দৰ্য বৰ্দ্ধন কৰে ঠিক তেনেদৰে ই নানান চৰ্ম ৰোগ আৰু বসন্ত ৰোগৰ সম্ভাৱনা কম কৰে।

নখৰ গুৰিত জেতুকা পাতৰ পিহা লগালে নখ চুকিয়া বেমাৰকে আদি কৰি নখ ফুলা, খৰ আদি নানান ৰোগ নিৰাময় কৰে।

জেতুকা পাত পিহি সম পৰিমাণৰ শিলিখা পিহা লৈ চুলিত লগালে চুলি সৰা ৰোধ হোৱাৰ লগতে উফি নোহোৱা হৈ চুলি স্বাস্থ্যৱান কৰি তোলে।

গৰমৰ দিনত বেছি ঘামচি হ'লে জেতুকাৰ ৰস আৰু হালধিৰ ৰস পানীত মিহলাই গা ধুলে ঘামচি ভাল হয়। ই শৰীৰৰ দূৰ্গন্ধও নোহোৱা কৰে। পাঁচ ছয়দিন এনেদৰে গা ধুব লাগে ।

উচ্চ ৰক্তচাপৰ জেতুকা পাতৰ ৰসেৰে কপালত ভৰণ দিলে আৰাম পোৱা যায়। ই মুৰৰ বিষতো কাম কৰে।

মুৰৰ বিষ হ'লে জেতুকা পাতৰ ৰস আধা চামুচ খালে মুৰৰ বিষ নোহোৱা হয়।

জণ্ডিছ হ'লে জেতুকা পাতৰ দুচামুচ ৰসৰ লগত দহ চামুচ চাউল ধোৱা পানী মিহলাই দৈনিক এবাৰকৈ পাঁচ/ছয়দিন খালে আৰোগ্য লাভ কৰে।

ভৰিৰ তলুৱা জলা পোৱা কৰিলে নাইবা বিষালে জেতুকা পাতৰ ৰস লগালে আৰাম পোৱা যায় লগতে আৰোগ্য হয়।❖

কপৌফুলে শুৱাবনে

জুৰি বৰুৱা



কপৌ ফুলত মদাৰ ফুলৰ ৰঙা তীব্ৰতা নাই, পলাশ ফুলৰ ৰক্তিমত উন্মাদনা নাই। নাই শিমলু ফুলৰ উৰণীয়া চঞ্চলতা, নাহৰ ফুলৰ অপৰ্যাপ্ত অপচয় নাই, নাই তগৰৰ মতলীয়া উগ্ৰতা। কপৌ ফুলত আছে মাথোন এক কোমল গভীৰ বতৰা, ধূপৰ সুৰভিৰ দৰে কোমল, গভীৰ প্ৰেমৰ দৰে সমাহিত এক বতৰা অজস্ৰ এধান, এধান পাপৰিৰ আখৰেৰে লিখা — "ময়ে বসন্ত ময়ে বসন্ত ময়ে বসন্ত"।

মোৰ গতি অনিৰুদ্ধ মোৰ আগমনৰ বাবে নাই কোনো প্ৰস্তুতি, ঘৰৰ পদূলিত বা চোতালত। বসন্ত ঋতুত ফুলা এক বিশেষ ফুল হ'ল কপৌফুল। এই কপৌ ফুলপাহ বৰ সুন্দৰ, বিহুৱতী নাচনীৰ ই বৰ প্ৰিয়। এই কপৌপাহ মিঠা সুবাসৰ এক শিহৰণকাৰী ফুল। বগা বেঙুনীয়া ৰঙৰ অজস্ৰ পাহিৰ সংমিশ্ৰণেৰে ই যেন ভোমোৰাৰ থূপ খোৱা এক গুঞ্জন। ই হ'ল ৰঙীন ঋতুৰ জীৱন্ত প্ৰতিশ্ৰুতি।

> *"বগা আৰু বেঙুনীয়া লুকাভাকু*
> *অপৰূপ ৰং।*
> *যেন ফাগুনৰ বোল লগা গোপন এক*
> *উক্‌মুক্ মন।। "*

বিহুৰ এমাহমান আগৰ পৰা ৰহদৈ, তৰাদৈহঁতে নৈৰ পাৰ, পুখুৰীৰ পাৰৰ পথাৰলৈ যোৱা বাটত বা পথাৰত থকা গছৰ ফেৰেঙণিত, পিছফালৰ বাৰীৰ জাম, কঁঠাল, আম গছত ক'তনো কপৌফুল ফুলিছে জানিবলৈ চকুৰে পিত্‌পিতাই ফুৰে। আকাংক্ষিত সেই ফুলপাহ নিজে গছৰ পৰা ছিঙিব নোৱাৰে আৰু পাৰিলেও তাত কোনো মাদকতা নাই, মাদকতা আছে প্ৰেমিকে পাৰি আনি খোপাত গুজি দিয়া কপৌ পাহিৰহে।

"লংগুটি আনিবা ল'ম
হাতৰে টিপতে কপৌফুল আনিবা
(তোমাক) ভাঙি কথাষাৰি ক'ম।"

কপৌফুল, কেতেকী ফুল, অংগৰাগৰ লগতে পূৰ্বৰাগৰ মনোৰম প্ৰতীকো। পোন বিৰিয়া বেঁকা কৰি ডাঙৰি কঢ়িওৱা পাহুৱাল ডেকাৰ চিত

চঞ্চল হৈ উঠে। যুৱীয়া হাতীকো বলাব পৰা এনে ডেকাই প্ৰেয়সীৰ বাবে গছ বগাই এপাহ কপৌফুল পাৰি দিয়াটোনো কি ডাঙৰ কথা —

“ৰিঙৈকৈ পহুৰে শিঙে মোৰ মইনা
ৰিঙৈকৈ পহুৰে শিং
চতাই পৰ্ৱতৰ পৰা কপৌফুল আনিছো
খোপাতে পিন্ধায়ে দিম।”

এনেবোৰ লগ্নত এইপাহ ফুল ভাষাৰে বুজাব নোৱাৰা মনৰ আকুলতাৰ যেন এক উলাহময় গীত। প্ৰিয়াৰ চুলিৰ অন্ধকাৰত বাট হেৰুৱাব খোজা সেয়া যেন সৰ্বকালৰ বন্যতা।

“খোপাৰে শুৱনি
কপৌফুল এপাহি ঐ
ঢাপৰ কটা সিজু
এইপাহ কপৌফুল দিবাগৈ মইনাক
খোপাত খায়ে যাব ৰিজু।”

কেঁচ বছা ৰঙা ৰিহা, সেওঁতাৰ সেন্দূৰ যেনেকৈ ঋতুমতী, পুষ্পিতা গাভৰুৰ ঋতুপ্ৰাপ্তিৰ প্ৰতীক কপৌফুল, কেতেকী ফুলো পুৰুষাংগৰ প্ৰতীক। ঠিক ব'হাগৰ আগে আগে ফুলা কপৌফুল, কেতেকী ফুল অকল প্ৰেমিক- প্ৰেমিকাৰ গোপন মৰমৰ দূত নহয়। বিহুৰ দিনা স্বামীয়ে স্ত্ৰীক কপৌফুল আৰু কেতেকী ফুলৰ বিহুৰ বিশেষ উপহাৰ দিয়া এক মিঠা নিয়ম উজনি অসমৰ ঠায়ে ঠায়ে আছে।

প্ৰেয়সীৰ খোপাত আলফুলে সজোৱা কপৌ ফুলপাহ অসমীয়া সংস্কৃতিৰ এক চিৰন্তন প্ৰতীক। এয়া যেন অসমীয়া জাতিৰ, অসমীয়া সংস্কৃতিৰ জাতীয় প্ৰতীক। বিহুৰ সৈতে অসমীয়া সংস্কৃতিৰ সৈতে ফুলাম গামোচাখনৰ যিমান ঘনিষ্ঠ সম্পৰ্ক তাতোকৈ বেছি ঘনিষ্ঠ সম্পৰ্ক আমাৰ প্ৰাণৰো প্ৰাণৰ পাতল বেঙুনীয়া আৰু বগা ৰঙৰ সংমিশ্ৰণৰ এই কপৌফুল পাহৰ। আমাৰ কপৌ ফুলপাহিও এক অনন্য সুন্দৰ প্ৰজাতি। কপৌফুলৰ বৈজ্ঞানিক নাম ৰাইনকষ্টাইলিজ।

কপৌফুল পৰজীৱি উদ্ভিদ। ইয়াক ৰুবলৈ বেছি কষ্ট কৰিব নালাগে। কপৌফুল ছিঙোতে এই গছৰ গা-অংশ সংগ্ৰহ কৰি ঘৰৰ ওচৰতে থকা আমগছ, তামোলগছ বা গছ নাথাকিলেও গা-গছৰ টুকুৰাত শেলাই বান্ধি লৈ তাৰ ওপৰত কপৌ গছডাল ৰোপন কৰিব পাৰি।ব্ৰহ্মদেশ, তিব্বত আদি দেশৰ সাংস্কৃতিক প্ৰভাৱ বা প্ৰবাহে অসমৰ কপৌফুলক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। ❖

মোৰ মেজৰ পৰা একলম

কাকলি বৰদলৈ

আজিৰ নাৰীয়ে সকলো ক্ষেত্ৰতে আগুৱাই যাবলৈ মূলতঃ সচেতনতা, আত্মবিশ্বাস আৰু সুযোগ- এই তিনিটাই আটাইতকৈ ডাঙৰ প্ৰয়োজন।

১) যিকোনো বিষয়ৰ শিক্ষাত পাৰদৰ্শী হোৱাৰ সচেতনতাই নাৰীক কেৱল চাকৰি নহয়, নিজৰ অধিকাৰ, সিদ্ধান্ত লোৱাৰ ক্ষমতা আৰু সমাজখন বুজাৰ দৃষ্টি প্ৰদান কৰে।

২) নিজৰ ওপৰত বিশ্বাস থাকিলে বাধা-প্ৰতিবন্ধকতা কেতিয়াও ডাঙৰ হ'ব নোৱাৰে। "মই পাৰোঁ" এই মানসিকতাই নাৰীক আগুৱাই নিয়াৰ আটাইতকৈ শক্তিশালী শক্তি। আত্মবিশ্বাসী কৰি গঢ়ি তুলিব লাগিব নিজক।

৩) সমান সুযোগ আৰু সমৰ্থন থাকিলে পুৰুষৰ দৰে নাৰীয়েও শিক্ষা, কৰ্মসংস্থান, নেতৃত্ব আৰু সিদ্ধান্ত লোৱাৰ সুবিধা পায়। পৰিয়াল আৰু সমাজৰ সমৰ্থন ইয়াত অতি গুৰুত্বপূৰ্ণ।

৪) অৰ্থনৈতিক স্বাৱলম্বন নিজে উপাৰ্জন কৰিব পৰা মানেই নিজৰ জীৱনৰ ওপৰত নিজৰ নিয়ন্ত্ৰণ। আৰ্থিক স্বাৱলম্বন নাৰীৰ স্বাধীনতাৰ আধাৰ।

৫) সামাজিক মানসিকতাৰ পৰিবৰ্তন লাগিব, "নাৰী মানেই দুৰ্বল" এই ধাৰণাটো ভাঙিব লাগিব। নাৰী এগৰাকী সক্ষম, চিন্তাশীল আৰু নেতৃত্ব দিব পৰা ব্যক্তি-এই বোধ সমাজত গঢ়ি উঠাটো অতি জৰুৰী।

শেষত ক'ম — আজিৰ নাৰীক আগুৱাই যাবলৈ সহানুভূতি নহয়, প্ৰয়োজন-যোগ্যজনৰ পৰামৰ্শৰ, দয়া নহয়, প্ৰয়োজন-বিশ্বাসৰ আৰু বাধা নহয়— প্ৰয়োজন চৌপাশৰ মানুহৰ পৰা অলপ উৎসাহৰ।❖

জেং বিহুৰ আঁতি-গুৰি বিচাৰি

পাৰুল বৰুৱা

বিহু উৎসৱ অসমীয়া সংস্কৃতিৰ এটি অমূল্য সম্পদ। ৰঙৰ উৎসৱ ৰঙালী বিহু বুলিলে হুঁচৰি, ডেকা-গাভৰুৰ মুকলি বিহু, ঢোল পেঁপা গগনাৰ বিভিন্ন ছেও আদিয়েই মনলৈ আহে যদিও ইয়াৰ লগতে ৰঙালী বিহুৰ এটি অতি অকৰ্ষণীয় আৰু উল্লেখযোগ্য বিহু হ'ল জেং বিহু। অতীজতে কৃষিভিত্তিক উৎসৱ বিহু পুৰুষসকলেহে পথাৰৰ মাজত বা গছৰ তলত মুকলিকৈ মাৰিছিল। নাৰীসকলে বিহুৰ আনুসংগিক লোকচাৰসমূহ পালন কৰি ঘৰতে বিহু উদ্‌যাপন কৰিছিল। সেইসময়ৰ ৰক্ষণশীল সমাজ ব্যৱস্থাই নাৰীসকলক মুক্ত মনেৰে ফুৰা-চকা কৰা আদিত প্ৰাচীৰ হৈ বাধা দিছিল। কিন্তু ঢোল, পেঁপা, গগনাৰ মাতত ডেকাসকলৰ দূৰৈৰ পৰা ভাঁহি অহা বিহুনামৰ সুৰে গাভৰুৰ মনবোৰো উতনুৱা কৰি তুলিলে আৰু এদিন বাধাৰ প্ৰাচীৰ নেওচি নাৰীসকলো ঘৰৰ মাজত আৱদ্ধ নাথাকি আছুতীয়া ঠাইত লগৰ সমনীয়াৰ সৈতে মনৰ কথা পাতি, বিহুনাম গাই আৰু নাচ-গান কৰি ৰং ধেমালি কৰিবলৈ ধৰিলে। এনেকৈয়ে জেং বিহু বা গাভৰু বিহুৱে অসমীয়া সংস্কৃতিত স্থান দখল কৰিলে। তেতিয়াৰ পৰাই নাৰীসকলে পৃথককৈ বিহু মাৰি আহিছে। সেয়েহে এতিয়া জনপ্ৰিয় হৈ পৰা জেং বিহুৰ ইতিহাস বহু পুৰণি। পদ্মনাথ গোহাঞি বৰুৱাই (১৮৭১-১৯৪০) বিহু উৎসৱৰ কথা "মোৰ সোঁৱৰণী"ত উল্লেখ কৰিছে—চ'ত ব'হাগৰ দোমাহীৰ এপষমান আগৰে পৰা মোৰ গাত বিহু বিহু লাগেহি। শিলিখাতলীয়া বিহু খোলাত গঞা জীয়ৰীহঁতে টকা-চাপৰিৰে পতা বিহুত থমকা থমকি চেও ধৰা নাচোন চোৱালৈ আৰু তাৰ ছেৰে ছেৰে তাল মিলাই গোৱা বিহুনাম শুনালৈ মনত পৰিলে আজিও কাণত সুত লাগি চকু পিৰিকিয়াবলৈ ধৰোঁ।" কমলাকান্ত ভট্টাচাৰ্যদেৱৰ লেখাত পোৱা যায় — "মানুহ বিহুৰ দিনাৰ পৰা সাতবিহুৰ দিনালৈ গাভৰুৱে দিনত কোনোবা গছৰ গুৰিত, পথাৰৰ কাষত বিহুতলী পাতি টকা গগনা বজাই বিহু মাৰিছিল। তাত পুৰুষৰ প্ৰৱেশ সামাজিকভাৱেই নিষেধ আছিল।" হেম বুঢ়াগোহাঞিদেৱে লিখিছে — "জীয়ৰীসকলে দিনত গছতলত বিহু মাৰি গীত নাচেৰে মুখৰ কৰেগৈ। আজিকালিৰ দৰে কোনো হুঁচৰি দলৰ লগত নাৰীয়ে নিশা বিহু নাচিবলৈ ঘৰে ঘৰে যোৱা

নাছিল। গাভৰুসকলে সুকীয়াকৈ গছৰ তলত ৰাতি বিহু মাৰিছিল। কোনো ঠাইত গাভৰুহঁতে দৈনন্দিন কাম সামৰি সন্ধিয়া বা ৰাতি বিহুলৈ ওলাইছিল। সেইবাবেই এই বিহুক গছতলৰ গাভৰু বিহু বোলা হৈছিল। "উজনিৰ বিহুতলিয়ে তলিয়ে" নামৰ প্ৰবন্ধত তেখেতে লিখিছে — "খেলুৱা অঞ্চলত বাঁহৰ জেং পুতি বেহু সাজি গাভৰুসকলে ৰাতি বিহু মাৰিছিল। এই বিহুলৈ ডেকাসকলে প্ৰৱেশ কৰিলে উচিত দণ্ড ভৰিবলগা হৈছিল। জেং পুতি মৰা গাভৰু বিহুক জেং বিহু নামকৰণ কৰা হয় যদিও জেং বিহু আচলতে টাই গাভৰুসকলে মৰা গাভৰু বিহুৰে হ'ব লাগে। কোনো কোনো গাভৰু বিহু চ'তেতে আৰম্ভ হৈ ব'হাগলৈকে থাকে। কালক্ৰমত ৰাতিৰ সলনি গাভৰু বিহু দিনৰ ভাগত শেষ হ'বলৈ ধৰিলে আৰু ৰাতি বিহু নোহোৱা হ'ল।" গাঁৱৰ গছতলৰ বিহু মঞ্চত উঠিবৰে পৰা আজিকালি এই গাভৰু বিহুটো "জেং বিহু" বুলিয়ে ঠাই পালে। জেং বিহু প্ৰতিযোগিতাত গছৰ তলত বিহু মৰাৰ প্ৰতীক হিচাপে গছৰ সৰু ডাল এটা মঞ্চত গুঁজি লোৱা দেখা যায়। বিহু মৰাৰ আগতে মঞ্চলৈ আহি প্ৰতীকী গছৰ ডালটোতে বিহু ডাঙৰীয়ালৈ বুলি গুৱা-পাণ আগবঢ়াই গামোচা এখনো দি লয়। হেম বুঢ়াগোহাঞিদেৱে লিখিছে — "মঞ্চ প্ৰেমী, বিহু সংস্কৃতিপ্ৰেমীসকলে অধুনা প্ৰচলিত জেং বিহু নামটো মষিমূৰ কৰি জেং বিহু বা মাইকী বিহুক গাভৰু বিহু নামকৰণ কৰিলেহে ভৱিষ্যতে এই পাহি সংস্কৃতিৰ ফুল অনিন্দ্য সুন্দৰ হৈ ৰ'ব। "

জামুগুৰিহাটৰ ফালে এই গাভৰু বিহুৰ আন এটা নাম জুম বিহু। এই সম্পকে ইন্দ্ৰপ্ৰসাদ শহকীয়াদেৱে লিখিছে —"যোৱা দুশ বছৰতকৈও অধিক কাল সুদূৰ হাৰাজানৰ পৰা জামুগুৰিহাটলৈ এই বিস্তৃত এলেকাটোৰ মুকলি পথাৰবোৰত "জুম বিহু" চলি আহিছিল। আনন্দ মোহন ভাগবতীদেৱৰ লেখাত 'ঘৰ বিহু'ৰ কথা উল্লেখ আছে এনেদৰে — কোনো কোনো ঠাইত ঘৰত পুৰুষসকলৰ অনুপস্থিতিত গাভৰুসকলে ঘৰৰ ভিতৰত বিহু মাৰে। জয়কান্ত গন্ধীয়াদেৱে লিখিছে —"আমিও সৰুতে এবাৰ আমাৰ গাঁৱতে কাষৰ আন এখন গাঁৱৰ গাভৰুৱে আহি ঘৰৰ ভিতৰত বিহু মৰাৰ কথা মনত পৰে। কোনো কোনো ঠাইত তাহানি এই বিহুকে ঘৰ বিহু বুলিছিল। এই বিহুত গাভৰুৰ লগতে বোৱাৰী আৰু বুঢ়ীসকলেও অংশগ্ৰহণ কৰিছিল।"

অৱশ্যে কোনো কোনো বিজ্ঞলোকৰ মতে—জেং বিহু গাভৰু বিহু হ'ব নোৱাৰে। জেং বিহু জেং বিহুৱেই। বিষ্ণু ৰাভাৰ মতে জেং বিহু হৈছে বহুৱা বিহু। এই বিহুত এচাম ডেকাই ঢোলৰ ছেৱে ছেৱে, তালৰ তালে তালে ছাগলৰ মুখা পিন্ধি নাচি বাগি যায় আৰু পিছে পিছে এজুম ডেকাই ধনু-কাঁড় লৈ চিকাৰীৰ বেশেৰে যায়। এই বহুৱা বিহু অসমৰ মাত্ৰ কেইটামান অঞ্চলতহে হয়। বহুৱা বিহুত বিহুতলিতে জেং থকা বাঁহ এটা পুতি লোৱা হয়। এই বহুৱা বিহু আজিকালি লোপ পাই আহিছে। জেং বিহু সম্পৰ্কত ডঃ মহেশ্বৰ নেওগদেৱে লিখিছে—"বুঢ়ী ভকতী বিহুমাৰতীহঁতে হেনো বিহু মৰা ঠাইত শুকান জেং কেইডালমান থিয়কৈ লয় আৰু পাছত তাতে সেউজীয়া ডাল-পাত লগাই দিয়ে।"

শিৱসাগৰ জিলাৰ টেপৰ বৰচহকী গাঁৱত

দেখা মতে জেং বিহু সম্পৰ্কে প্ৰদীপ চলিহাদেৱে কৈছে—আহোমসকল পোনতে সৌমাৰ সোমাওঁতে হয়তো বিহুৰ বতৰত অসমৰ আদিম নিবাসী মৰাণ, বৰাহী আদি জাতীয় স্বাধীন চিতীয়া গাভৰুসকলে জুমে জুমে গছতলত বিহু পতা দেখি তাক তেওঁলোকে "জেং নাং পঙ" বুলি অভিহিত কৰিছিল। কালক্ৰমত আহোমসকলৰ মুখত থলুৱা অসমীয়া ভাষাই ঠাই পোৱাত সেই টাই ভাষাৰ নামৰ অৰ্থ পাহৰি গ'ল। পঙ শব্দটো বিহুলৈ ৰূপান্তৰিত হ'ল। গোটেই নামটোৰ একাংশ হেৰাই কেৱল জেং বিহু ৰ'লগৈ। বৰ্তমানৰ জেং বিহুৰ অৰ্থ নিভাঁজ বিহু অৰ্থাৎ নিভাঁজ গাভৰু বিহু।" সেয়াই এতিয়া জেং বিহু নামে জনপ্ৰিয় হৈ পৰিল। এই গাভৰু বিহুকে টাই ভাষাত "চেং নাং বিহু" বোলা হয়। উজনি অঞ্চলত নিশা গছতলত বিহু নামাৰিলেও ব'হাগ বিহু বুলিয়ে আজিও প্ৰকৃতি পৰিৱেশৰ মাজত, গছৰ তলত এই বিহু মাৰে। তাহানিৰ গাভৰু বিহুৰ আন এটা ৰূপ ঢকুৱাখানাৰ ফালে প্ৰচলিত গছৰ তলত মৰা টকা বিহু। বিহুৱতী গাভৰুৱে টকা লৈ নাচে বাবেই এই বিহুক টকা বিহু বোলে। পূৰ্বে এই বিহুত গাভৰুসকলহে অংশ গ্ৰহণ কৰিছিল যদিও বৰ্তমান সময়ত বয়সীয়া মহিলায়ো অংশগ্ৰহণ কৰা দেখা যায়। "খেলুৱাৰ গাভৰু বিহু" প্ৰবন্ধত হেম বুঢ়াগোহাঁয়ে লিখিছে—জেঙৰ বেহুৰ মাজত গাভৰুৱে বিহু মৰা বাবেই এই বিহুক কোনো কোনোৱে জেং বিহু বুলি ক'লেও আচলতে এই জেং বিহু গাভৰু বিহুহে, যাক টাই ভাষাত এগ্ৰা-পয়-নাং বা এগ্ৰা-পয়-ছেং বোলে।

বিহু বিশেষজ্ঞ জয়কান্ত গন্ধীয়াদেৱে লিখিছে—'পূৰ্বে চ'ত মহীয়া গছতলত গাভৰুসকলেই বিহু মাৰিছিল। গাভৰুসকলৰ বিহু বা নাংসকলৰ বিহু পুৰুষসকলক চাবলৈ দিয়া নাহৈছিল, ওচৰলৈ গৈ একেলগে বিহু মৰা দূৰতে থাকক। সেইফালৰ পৰা চেং নাং বিহু মানে গাভৰুসকলৰ বিহু বুলিহে ক'ব পাৰি।

'জেং বিহু নে ঘৰ বিহু' নামৰ প্ৰৱন্ধত তীৰ্থ ফুকনদেৱে লিখিছে —বিহুৰ বতৰত, নাহৰ-তগৰ আমোল-মোলোৱা বতৰত এপাক নানাচি থাকিব পাৰিনে? সেইবাবেই এদিন সৃষ্টি হ'ল গাভৰুহঁতৰ এই বিহু। তেওঁলোকে গাঁৱৰ এমূৰে হাবিতলীয়া ঠাইত তৰিলে এইখন বিহু। বিহু মৰা ঠাইডোখৰৰ চাৰিওফালে পুতি ল'লে জেং — বাঁহৰ জেং। সেয়া যেন নিষেধৰ সীমা। সেইবাবেই এই বিহুক বোলা হয় জেং বিহু। জেং বিহুক নাৰী মুক্তিৰ প্ৰথম প্ৰয়াস বুলি কোৱাৰ থল আছে। জেং নিষেধৰ প্ৰতীক। যেনে 'বাটৰ বগৰী জেং', 'ধনশিৰী ভেঁটিলে জেঙে জাবৰে'।

শিৱসাগৰ অঞ্চলৰ ভিতৰুৱা গাঁৱত বহু দিনলৈকে জেং বিহু মৰাৰ কথা জনা যায়। জেং বিহু আহোম আৰু চুতীয়া সম্প্ৰদায়ৰ মাজতহে এসময়ত অধিক জনপ্ৰিয় আছিল। আজিও নাগালেণ্ড আৰু অৰুণাচল সীমান্তৰ অসমীয়া গাওঁবোৰত আহোম চুতীয়া সম্প্ৰদায়ৰ ছোৱালী জেং বিহু মাৰে। জেং বিহুৰ নামত গোৱা হয় —

"জেং বিহু হুঁচৰি
আহিছোঁ চুঁচৰি
বিহু মাৰিবলৈ যাওঁ ঐ লগৰীয়া।

জেং বিহুৰ বাদ্য গগনা, সুতুলি, টকা আৰু হাত চাপৰি। হাতৰ চাপৰি, ভৰিৰ গিৰিপনি, বিহু

নাম আৰু কিৰিলিৰে জেং বিহুক আকৰ্ষণীয় কৰি তোলে। জেং বিহুৰ নামত অশ্লীলতা নাথাকে। নাৰীৰ নিভাঁজ মনৰ ধেমালিবোৰেই নামত ঠাই পায় —

অ' ৰাধা হাৰলি
যমুনালৈ নাযাবি
শ্ৰীকৃষ্ণ গোঁসায়ে
ঘিলানো খেল খেলিছে
যমুনা নৈ নকৰে পাৰ।

জেং বিহুত অংশ গ্ৰহণ কৰা বোৱাৰীয়ে গায় —

দিহিং নৈ ইপাৰে
দিহিং নৈ সিপাৰে
কোনে দিয়ে যাব সাঁকো
গাভৰু কালতে আছিলোঁ এজনী
এতিয়া কেনেকৈ থাকো।।

ঢোল পেঁপাৰ মাতি শুনি জীয়ৰী বোৱাৰীয়ে বিহুলৈ ওলায় —

হাঁচতিৰে তামোল খোলা সমনীয়া
বহি একেলগে খাওঁ
ঢোলৰ মাত শুনিছোঁ, পেঁপাৰ মাত শুনিছোঁ
আমিও বিহুলৈ যাঁও।।

\+

ইফালে টকাৰ মাত হাঁয় হাঁয়, হাঁয় ঐ ৰঙিলী
হাঁয় ঐ পমিলী, মাজত নো সোলেংগুৰি সূঁতি
টকাৰ মাতে শুনি হাঁয় হাঁয় হাঁয় ঐ ৰঙিলী
হাঁয় ঐ পমিলী, বাঢ়িলনো চতিয়না
পুলিয়েনো ধৰিলে গুটি। আদি ......

\+

লালৈ ভাদৈ চম্পাদৈ
কেৰুমণি সোলোকাই আঁহাগৈ
ৰাতি বিহু চাবলৈ যাওঁ।

মুঠতে জেং বিহুত গোৱা নামবিলাক সমনীয়াৰ স'তে জোকাই চুপতি ধেমালি কৰা আৰু মনৰ আনন্দত গোৱা গীত। শিৱসাগৰৰ উপৰি শ্যামগাঁৰৰ ৰতন শ্যামে গাভৰু বিহুৰ প্ৰসংগত কৈছিল—''আমি লুকাই চুৰকৈ গাভৰুহঁতৰ বিহু চাইছিলোঁ। সিহঁতৰ নিজৰ মাজতে বেলেগ আনন্দ। ইজনীয়ে সিজনীক জোকাই নাচে, গায়, চিকুটা চিকুটি কৰে। আমাক দেখিলে খেদা মাৰি আহে, আমি লৰ মাৰোঁ।

নাৰীসকলৰ গাভৰু বিহু, টকা বিহু, ঘৰ বিহু, মাইকী বিহু সকলোবোৰ সামৰি আজিকালি "জেং বিহু" নামটোৰেই প্ৰচলন হৈ জনপ্ৰিয় হৈ পৰিছে আৰু ৰঙালী বিহুৰ এক আকৰ্ষণীয় বিহু সংস্কৃতিত পৰিণত হৈছে।

টোকা —

সহায়ক গ্ৰন্থ ঃ

১) বিহু-বিধি আৰু ব্যাধি — জয়কান্ত গন্ধীয়া।
২) সাত বিহু — মণ্টু শইকীয়া। ❖

আদর্শ কোন পথে

ধ্ৰুৱজ্যোতি তামুলী

আমাৰ দেশৰ স্বাধীনতাৰ ৭৫ বছৰ অতিবাহিত হৈ গ'ল। পৰাধীন ভাৰতবৰ্ষ আমি দেখা নাই, গতিকে স্বাধীনতা সংগ্ৰামো দেখা নাই। এই স্বাধীনতা সংগ্ৰামৰ প্ৰধান সেনাপতি মহামানৱ মহাত্মা গান্ধীক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে তেখেতৰ মহান আদৰ্শ আৰু বৰ্ত্তমানৰ আদৰ্শৰ ৰূপ সম্পৰ্কে কিছু চৰ্চা কৰিব খুজিছো।

এই সংগ্ৰামত ৰাজনৈতিক, আৰ্থসামাজিক, আন্তৰ্জাতিক আদি বহু দিশ সাঙোৰ খাই আছিল যদিও মোৰ ধাৰণাত এই গোটেই সংগ্ৰামক বলিষ্ঠ ৰূপত আগবঢ়াই নিছিল এক মহান আদৰ্শই। যি আদৰ্শক মহাত্মা গান্ধীয়ে বুটলি আনি নিজৰ জীৱন শৈলীতো পদে পদে ধাৰণ কৰিছিল। সেই আদৰ্শই হ'ল 'অহিংসাই পৰম ধৰ্ম।' বুদ্ধদেৱে প্ৰকাশ কৰা এই মহান বাণী লোকসমাজত কিমান প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিলে সেই বিষয়ে ইয়াত আলোচনা কৰিব বিচৰা নাই।

আজিকালি নিজকে সমাজসেৱী বুলি ফলক লগোৱা নামী-দামী মুধাফুটা লোকসকলৰ আদৰ্শ বুলিবলৈ ৰাতিপুৱালে এটা গধূলি আন এটা, পৰিয়ালৰ সৈতে এটা সমাজত আন এটা, দেশত এটা বিদেশত এটা। কিন্তু গান্ধীজীৰ আদৰ্শ আছিল একেটাই, সি লাগিলে নিজৰ পৰিয়াল আত্মীয়জন বন্ধু-বান্ধৱৰ বেষ্টনীৰে ভৰা পোৰবন্দৰতেই হওক অথবা অকলশৰে দক্ষিণ আফ্ৰিকাতেই হওক। উল্লেখযোগ্য যে গান্ধীজীয়ে সংগ্ৰাম আৰম্ভ কৰিছিল দক্ষিণ আফ্ৰিকাত, বৰ্ণ বৈষম্যৰ বিৰুদ্ধে। য'ত অকলশৰীয়া ক'লা চৰ্মৰ গান্ধীক বগা চৰ্মৰ বৃটিছ আৰক্ষীৰ নিৰ্যাতনে সেও মনাব পৰা নাছিল।

মহান বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইন গান্ধীৰ সত্যাগ্ৰহ নীতিৰ দ্বাৰা প্ৰবলভাৱে অনুপ্ৰাণিত হৈছিল। তেখেতে গান্ধীলৈ লিখা পত্ৰ এখনৰ মূলভাৱ এনেধৰণৰ — 'হিংসাৰ পথ গ্ৰহণ কৰা লোকৰ মাজত থাকিও আপুনি সমগ্ৰ বিশ্বকে দেখুৱাই দিলে যে অহিংসাৰ দ্বাৰাও বিজয় বা সফলতা সম্ভৱ। আশাকৰো আপোনাৰ এই নীতি দেশৰ সীমা অতিক্ৰম কৰি বিশ্ববাসীক যুদ্ধ ওৰ পেলোৱাৰ এক শক্তি গঠনত সহায়ক হ'ব। ১৯৪৪ চনত তেখেতে পুনৰ কৈছিল —Generation to come it may be will scarcly believe that such one as this ever in flash and blood walked upon earth. অৰ্থাৎ আহি থকা প্ৰজন্ম সমূহে বিশ্বাস

কৰিবলৈ টান পাব যে মহাত্মা গান্ধীৰ দৰে এজন তেজ মঙহৰ লোকে এইখন পৃথিৱীতে এদিন চলাফিৰা কৰিছিল। গান্ধীৰ জীৱনী লিখোতা মাৰ্ক ষ্টেফাৰ্ডেও কৈছিল যে — বন্দুকৰ নলীৰে শাসন চলোৱাত অভ্যস্তসকলৰ বাবে সত্যাগ্ৰহৰ গূঢ়াৰ্থ উপলব্ধি কৰাটো এক দুঃসাধ্য মাথোন।

গান্ধীজীৰ অহিংসা আদৰ্শই বিশ্বত খলকনি তুলিছিল। তেখেতৰ জনপ্ৰিয়তা বিশ্বজুৰি বিয়পিছিল। তেখেতৰ আদৰ্শত অনুপ্ৰাণিত হৈ দেশী-বিদেশী বহুতো সেৱক-সেৱিকাই স্বেচ্ছাই তেখেতৰ আশ্ৰমত ভিৰ কৰিছিল আৰু সেৱা আগবঢ়াইছিল। তাৰে কিছুজন ডানিছ মিছনাৰী, এস্থাৰ ফেয়াৰিং, নীলা ক্ৰাম কুক, মাৰ্গেৰেট স্পিগেল, সুশীলা নায়াৰ, আভা গান্ধী, মনুবেন, ৰেহেনা তেয়াবজী, মীৰা বেন, সৰলা দেৱী চৌধুৰাণী, অমৃত কৌৰ আদি।

তাৰে ভিতৰত এগৰাকী যুৱতী মীৰাবেন। বৃটিছ নৌসেনাৰ এগৰাকী উচ্চপদস্থ বিষয়াৰ কন্যা। গান্ধীজী যেতিয়া গুলীবিদ্ধ হৈছিল তেখেতৰ দুয়োকাষে থকা যুৱতী দুগৰাকীৰ এগৰাকী। যি বৃটিছৰ বিৰুদ্ধে গান্ধীয়ে সংগ্ৰাম চলাইছিল সেই বৃটিছৰ দেশতে তেখেতৰ জনপ্ৰিয়তাৰ এক নমুনা মীৰাবেনৰ আত্মজীৱনীৰ পৰা চমুকৈ বৰ্ণনা কৰিব বিচাৰিছোঁ।

বৃটিছসকল স্বভাৱতে নিয়মানুৱৰ্তী। বিষয়া সকল যেন ঘড়ীতকৈও puntual। গান্ধীজীও কম নহয়। তেখেতে কঁকালত বান্ধি লৈ ফুৰা ঘড়ীটোৱে অবিৰত ভাৱে টিক্‌টিকাই সময়ৰ সচেতনতা বজায়। ইংলেণ্ডলৈ ইংৰাজ প্ৰশাসকে গান্ধীক বহুবাৰ আলোচনাৰ বাবে আমন্ত্ৰণ কৰিছিল। প্ৰায়বোৰ আলোচনা সভালৈ গান্ধীজীয়ে সময়মতে গৈ নাপাইছিল। অতি নিয়মানুৱৰ্তী ইংৰাজ প্ৰশাসনিক বিষয়া সকলেও বহু সময় ধৰি তেখেতলৈ বাট চাবলগীয়া হৈছিল। ইয়াৰ কাৰণ গান্ধী বৈঠকলৈ অহা বাটত ইংলণ্ডৰ সাধাৰণ জনতাই গান্ধী দৰ্শনৰ বাবে ভীৰ কৰিছিল। এই ভীৰ ঠেলি সভাস্থলীত উপস্থিত হওঁতে পলম হৈছিল। এই নঙঠা ফকিৰজনৰ প্ৰতি ইংৰাজ প্ৰজাৰ কিহৰ ইমান আকৰ্ষণ ? এয়া গান্ধীজীয়ে দেখুওৱা ভাৰতীয় আদৰ্শৰ আকৰ্ষণ। যি আদৰ্শক প্ৰচলন কৰি কাৰ্যত পৰিণত কৰাই নহয় তেওঁৰ সংগ্ৰামৰ আমোঘ অস্ত্ৰ হিচাপে প্ৰতিপন্ন কৰিছিল।

ড° ভূপেন হাজৰিকাইও গান্ধীকলৈ গীত ৰচনা কৰিছে। তেখেতৰ ৫১ টা গীতৰ বৰ্ণনা সম্বলিত গ্ৰন্থ "ড° ভূপেন হাজৰিকাৰ গীত আৰু কিছু প্ৰাসঙ্গিক কথা"ত "মহাত্মাই হাঁসি বোলে ৰাম ৰহিম" গীতৰ বৰ্ণনাৰ শেষৰ ফালে লিখা মহাত্মা গান্ধী আৰু শান্তিৰ ন'বেল বঁটা সম্পৰ্কীয় কথাখিনি উদ্ধৃতি কৰা হ'ল।

"অহিংসাৰ বিশ্বনেতা মহাত্মা গান্ধীক ন'বেল বঁটা নিদি ভুল কৰা বুলি ন'বেল বঁটা সমিতিয়ে ২০০৬ চনতহে স্বীকাৰ কৰিছে। ১৯৩৭-৩৮-৩৯-৪৭ আৰু ৪৮ চনত পাঁচবাৰ তেওঁক বাছনি কৰিও শান্তিৰ ন'বেল বঁটা নিদিলে। ১৯৮৯ চনত দালাই লামাই শান্তিৰ ন'বেল বঁটা পালে।"

আদৰ্শ দেশপ্ৰেম এনেবোৰ শব্দই আজিকালি অযথা অভিধানত ঠাই দখল কৰি আছে। এই শব্দবোৰৰ অৰ্থ কাৰো প্ৰয়োজন নাই। কোনোবা গোটাচেৰেকৰ থাকিলেও সমাজত তেওঁলোকৰ বলিষ্ঠ স্থিতি নাই। সেয়ে সমাজবাদ, গান্ধীবাদ আদি যতবোৰ বাদ সকলো বাদেই বৰ্বাদ মাত্ৰ সুবিধাবাদ জিন্দাবাদ।

দেৱতাসকলকে ধৰি চণ্ডাল পৰ্যন্ত উচ্চশ্ৰেণীৰ জীৱকূলৰ এক আমোদ-প্ৰমোদৰ ব্যৱস্থা সুৰাপান। কিন্তু কোনো কোনো ৰাজ্যত সুৰাপান বন্ধ কৰাও শুনা যায়। সুৰা নিবাৰণী সন্থাও জন্ম হৈছে। কিন্তু সুৰাপায়ী অবিহনে দেখা দিয়া চৰকাৰৰ আৰ্থিক অচলাৱস্থাই

তাৰা সৰৰ উচ্চমান অটুত ৰাখিছে। বাতৰিত প্ৰকাশ কৰা মতে যোৱা ৬ বছৰত (২০১৭-১৮ৰ পৰা ২০২৩ ফেব্ৰুৱাৰী) ৰাজ্যৰ অৰ্থনীতিত সুৰাপায়ীৰ অৰদান ১৬ হাজাৰ কোটি টকা।

প্ৰকৃতি ৰক্ষাৰ বাবে বন বিভাগৰ এটা শ্লোগান আছে "গছ থাকিলেহে মানুহ থাকিব।" সেয়ে আমাৰ ঘৰবোৰ আছিল কল, তামোল, নাৰিকল গছেৰে ঘেৰা একোখন সৰু সৰু বননি। "গোহালিত গৰু পুখুৰীত মাছ বাৰীত তামোল-পাণ।" আজিকালি গছ-বন কাটি বৰ বৰ অট্টালিকা নিৰ্মাণৰ যুগ। "ঘৰ থাকিলেহে মানুহ থাকিব।" মোৰ ঘৰলৈ কলপাত বিচাৰি অহা চুবুৰীয়া লোকক কলপাতৰ লগতে কলপুলি এটাও নি ৰুই ল'বলৈ ক'লে তেওঁলোকে কয় — "গছ ৰুলে বৰ জংঘল হয়, আজিকালি ঠাইও নাই গোটেইখন পকা কৰি ল'লো নহয়।" এতিয়া বৰষুণৰ পানী চোতালৰ পৰা ৰাস্তাৰ নলালৈ বৈ যায়। চোতালৰ মাটিয়ে শুহিবলৈ বৰষুণৰ পানী নাপায়। ফলত ঘৰৰ নলীনাদ বা পাত নাদত পৰ্যাপ্ত পানী জমা নহয়। খৰালিতো কথাই নাই এতিয়া বাৰিষাও দেখা যায় 'তলে পানী ওপৰে পানী খাবলৈ নাই পানী।'

বেদবেদান্ত পুৰাণ ভাৰত ভাৰতীয় সভ্যতা সংস্কৃতিৰ আধাৰ। দেৱ-দেৱী উপাসনা তাৰেই অংশ। কিন্তু আজিকালি দেৱ-দেৱীসকলে মন্দিৰ এৰি field duty কৰা দেখা যায়। দেৱালত লগাই থ'ব পৰাকৈ কিছুমান দেৱদেৱীৰ মূৰ্ত্তি পোৱা যায়। সেই মূৰ্তিবোৰক কিছুমানে ঠায়ে ঠায়ে দেৱালত লগাই দি পৰিৱেশ পৰিস্কাৰ কৰি ৰখাৰ ৰক্ষক হিচাপে ব্যৱহাৰ কৰে। এনে কাৰ্য্যই অকল যে আদৰ্শকেই বিঘ্নিত কৰিছে এনে নহয় বৰং বিশ্বৰ প্ৰাচীনতম সভ্যতাক চূড়ান্ত অসভ্যতা হিচাপে প্ৰদৰ্শন কৰাৰ যেন অনুশীলন আৰম্ভ কৰিছে।

ভেজালকৰণৰ প্ৰতিৰোধৰ বাবে ভেজাল নিষিদ্ধকৰণ আইন আমাৰ দেশত আছে নে নাই নাজানো

(যিহেতু মই আইনৰ ছাত্ৰ নহয়) কিন্তু এটা কথা জানো ভেজালকৰণত অনুমোদনৰ ব্যৱস্থা আমাৰ দেশত আছে। উদাহৰণ স্বৰূপে প্ৰতিলিটাৰ সৰিয়হ তেলত ২০০ মিঃ লিঃ (শতকৰা ২০ শতাংশ) টি চি তেল (তৈল খেজুৰৰ তেল) মিলোৱা, পেট্ৰলতো শতকৰা ২০ শতাংশ ইথানল মিলোৱা আমাৰ দেশত প্ৰচলিত ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত (Nationalised) ভেজালকৰণ ব্যৱস্থা।

প্ৰায় সকলো সভ্য জাতিৰে এক অভ্যাস early to bad and early to rise. এই বাক্যৰো এক দুখ লগা অৱস্থা দেখা যায়। চাকৰিৰ তাগিদাত আজিৰ প্ৰজন্মৰ বহুজনে নিশা উজাগৰে থাকি ঘৰৰ পৰাই অনলাইন যোগে কৰ্তব্যৰত হোৱা দেখা যায়। কাম কৰি কৰি শেষ নিশা শোৱাপাতিলৈ যোৱা সন্তানটোক যদি পুৱা পোহৰ হোৱাৰ লগে লগে পিতৃত্বৰ দাবীত Early to rise প্ৰয়োগ কৰিব যাওঁ, এক বিসঙ্গতিহে সংঘটিত হ'ব।

আজিৰ আদৰ্শ High living and Simple thinking or No thinking. No Thinking is the best policy.

আদৰ্শ এনে এক আহিলা যাক প্ৰচাৰ কৰি প্ৰচাৰকৰ জনপ্ৰিয়তা বৃদ্ধি কৰিব পাৰি। আদৰ্শ পালন ধাৰণ আদি কথাবোৰ যেন গান্ধীজীৰ যুগতহে চলিছিল। ❖

তাঁতশালত ব'হাগৰ চানেকি

প্ৰতিভা দেৱী দস্তিদাৰ

অসমীয়া সংস্কৃতিৰ কথা ক'বলৈ গ'লে ঘাইকৈ বিহুগীত নাচৰ কথাই মনলৈ আহে। ব'হাগ, মাঘ আৰু কাতি মাহত পালন কৰা তিনিওটা বিহুয়ে অসমৰ পাহাৰে ভৈয়ামে বাস কৰা জাতি-গোষ্ঠীৰ মূলতঃ কৃষি উৎসৱ। ব'হাগ বিহুৰ গীত-নৃত্য অসমীয়া মানুহৰ প্ৰাণ সঞ্চাৰি মন্ত্ৰ আৰু উৎসৱ উপলক্ষে তাঁতশালত বোৱা অসমীয়া শিপিনীৰ ফুলাম গামোছাখনে অসমীয়া লোকক স্নেহ আৰু ঐক্যতাৰ এনাজৰীৰে বান্ধি ৰাখিছে।

অসমীয়াৰ বাপতি সাহোন ব'হাগ বিহুৰ লগত তাঁতশালখন ওতঃপ্ৰোতঃভাৱে জড়িত। কিন্তু অতীজৰ দৰে বৰ্তমান এই শিল্পকৰ্মৰ লগত অসমীয়া মহিলাসকল সম্পূৰ্ণৰূপে জড়িত বুলি ক'ব নোৱাৰি। অসমৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত অতীজৰে পৰাই কুটিৰ শিল্পই এক বিশেষ অৰিহণা যোগাই আহিবলৈ সক্ষম হৈছে। থলুৱা সম্পদৰ ওপৰত নিৰ্ভৰ কৰি ঘৰৰ সকলোৰে মিলি ঘৰতে থাকি যন্ত্ৰৰ আশ্ৰয় নোলোৱাকৈ উৎপাদন কৰা শিল্পই কুটিৰ শিল্প। আমি অতীতক সুঁৱৰিলে গম পাওঁ যে আগৰ সময়ত গ্ৰাম্য অঞ্চলৰ ঘৰে ঘৰে কুটীৰ শিল্পৰ চৰ্চা আছিল, ব্যৱহাৰ আছিল। প্ৰতিজন লোকে আজৰি সময়কণৰ পূৰ্ণ ব্যৱহাৰ কৰিছিল, কুটীৰ শিল্পৰ কাম-কাজৰ মাজেৰে। খ্ৰীষ্টীয় সপ্তম শতিকাৰ কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত বিদেশী অতিথি- সকলক তেওঁ দিয়া উপঢৌকন সমূহৰ ভিতৰত আছিল - হাতী দাঁতৰ পাটী, পাটৰ কাপোৰ, কাঁহৰ বাচন, ভোৰতাল, শৰাই, লোটা আদি ঘৰতে উৎপাদিত সামগ্ৰী সমূহ। একেদৰে আহোম ৰাজত্ব কালতো কুটীৰ শিল্পৰ উন্নতিৰ কাৰণে ৰজাঘৰে কিছুমান নিয়ম কৰি দিছিল। তেনে নিয়মৰ ভিতৰত প্ৰতি গৰাকী তিৰোতাই এনেছাকৈ সুঁতা কটা আৰু প্ৰতিজন পুৰুষে খৰাহী বা পাচি সাজিব জনাটো বাধ্যতামূলক আছিল। সেইদিনৰ কুটীৰ শিল্পীয়ে কাঁহৰ বৰটোপ সজা, শিপিনীয়ে নিশাৰ ভিতৰতে সূতা কাটি, কাপোৰ বৈ, পিন্ধাই প্ৰিয়জনক ৰণলৈ পঠোৱাৰ নিদৰ্শনো আছিল। ৰজাঘৰে এনে শিল্পীক মৰ্য্যদা দিছিল, পুৰস্কৃত কৰিছিল। জীউ ধন কঁহাৰক স্বৰ্গদেউ শিৱসিংহই -মাটি-বৃত্তি আৰু খিতাপ দিয়াৰ কথা বুৰঞ্জীয়ে আজিও কয়। অসমৰ অৰ্থনীতিৰ বুনিয়াদ গঢ়ি তোলা মোমাই তামুলী বৰবৰুৱাৰো অৱদান আছে কুটীৰ শিল্পৰ ক্ষেত্ৰত। বাঁচা, দৈয়াং

অঞ্চলৰ পৰা তাঁতী আনি শুৱালকুছিত থকা মেলাৰ সুবিধা কৰি দি পাট, মুগাকে ধৰি বস্ত্ৰশিল্পত তেওঁ এক নতুন উদ্যমৰ বীজ সিঁচিছিল। মুঠতে সেই সময়ৰ অসমৰ কুটীৰ শিল্পীসকল ভাগে ভাগে এই শিল্পৰ উন্নতি কল্পে ব্ৰতী হোৱাৰ লগতে আত্মনিৰ্ভৰশীলো হ'ব পাৰিছিল। কুমাৰে লোৰ কাম কৰিছিল। দা, কুঠাৰ, হিলৈ, বৰটোপ সাজিছিল। কুমাৰে মাটিৰ পাত্ৰ, বাঢ়ৈয়ে কাটিছিল কাঠ। তাঁতশাল জাতি-বৰ্ণ-নিৰ্বিশেষে সকলোৰে ঘৰে ঘৰে আছিল। মঙ্গোলীয় মানুহৰ মাজত অতি পুৰণি কালৰে পৰা সৰল অথচ কাৰ্য্যকৰী তাঁতশালৰ ব্যৱহাৰ আছিল। তাঁতশাল দুবিধ- মাটিৰ শাল আৰু ককাঁলত বান্ধি বোৱা শাল। গছৰ আঁহৰ পৰা তৈয়াৰী সূঁতাৰ উপৰিও, কপাহী, পাট, মুগা আৰু এৰি সূতাৰ কাপোৰ বোৱাত মঙ্গোলীয় শিপিনী অতি পাকৈত আছিল। থলুৱা গছ-লতা আৰু তাৰ শিপাৰ পৰা ৰং তৈয়াৰ কৰি সেই ৰঙেৰে সূতা আৰু আঁচু বোলাই, ৰঙৰ সামঞ্জস্য ৰাখি ফুল বাছি কাপোৰ বোৱা বিদ্যাত মঙ্গোলীয় তিৰোতা অতি পাকৈত আছিল। মিচিং, কাৰ্বি, বড়ো, খামতি, ফাকিয়াল তিৰোতাৰ হাতৰ পৰশত সপোন দিঠক হৈছিল। তাঁতশাল একোখনৰ আটাইবোৰ সজুঁলি বাঁহৰে তৈয়াৰী যদিও পিছলৈ কাঠৰে তৈয়াৰ কৰিবলৈ ল'লে।

বৰ্তমান শুৱালকুছিৰ দৰে বস্ত্ৰনগৰী আমাৰ গৌৰৱৰ থলী যাৰ নাম অসমৰ পাট মুগা এড়ী কাপোৰৰ বাবে বিদেশতো আদৰ আছে। গান্ধীজীয়ে তাহানিতে কৈ গৈছে অসমৰ তাঁতশালখনৰ প্ৰতি অসমীয়া তিৰোতাৰ আগ্ৰহ থকাটো একান্ত বাঞ্চনীয়। বৰ্তমান বহু কথাই সলনিহ'ল যদিও ডেকা গাভৰুৰ পবিত্ৰ প্ৰেমৰ যোগসূত্ৰ এই তাঁতশালখনিয়ে নহয় জানো!

চেনেহীয়ে চেনাইৰ বাবে বিহুনামত গায় —

“বহোঁ তাঁতৰ পাটত
চকু আলিবাটত
মাকোঁ সৰি সৰি পৰে।”

আকৌ ছোৱালী প্ৰেমিকাই গায় —

খিটিক খিটিক তৰি তাঁতে বৈ আছিলোঁ
গৰকাত ভৰি থৈ মাধৈ মালতী
বিহুৱান বৈছিলোঁ মাধৈ মালতী।
তোমাক দিবলৈ মাধৈ মালতী
বিহুলৈ আহিবা তুমি।

বিহু অসমীয়াৰ ৰং আনন্দৰ উৎসৱ, ঠিক তেনেকৈ সৰুৰ পৰা ডাঙৰলৈকে শ্ৰদ্ধা, প্ৰেম, আনন্দ আৰু মিলনৰ সূঁতি বিহুৱান অসমৰ সমন্বয়ৰ বুনিয়াদ। মানুহ বিহুৰ দিনা ধনী-দুনীয়া সকলোৰে নতুন কাপোৰ পিন্ধে, বয়োবৃদ্ধক বা মান্যজনক সেৱা জনায়। অসমীয়া তিৰোতাসকলে নিজৰ নিজৰ তাঁতশালত বৈ উলিওৱা বিহুৱানবোৰ সন্মানীয় আৰু মৰমৰ আত্মীয় স্বজনলৈ, প্ৰেমিকাই প্ৰেমিকলৈ মৰমৰ চিন স্বৰূপে আগবঢ়ায়। তাঁতশালত বৈ উলিওৱা হাঁচতীকলৈ বহুতো বিহুনাম শুনিবলৈ পাওঁ, য'ত প্ৰেমিক প্ৰেমিকাৰ প্ৰেমৰ গাঢ়তা নিৰূপণ কৰিব পাৰি।

‘বিহুৱান’ৰ গুণ অপৰিসীম। কিন্তু তাতোকৈ অসমীয়া নাৰী পুৰুষ উভয়ৰে দেহত পৰিধান কৰা পৰম্পৰাগত সাজপাৰ যিবিলাক তাঁতশালত তৈয়াৰ কৰা হয়; যেনে - ৰিহা, মেখেলা, চাঁদৰ, ধূতি, চেলেং, খনীয়া, চোলা, গাপ, কাঁচুলি বা ব্লাউজ, বৰকাপোৰ, তিঁয়নী আদি। গামোচাক অসমীয়া সংস্কৃতিৰ বিশেষ অঙ্গ বুলি কোৱা হয়। প্ৰতিজন অসমীয়াৰ ব্যৱহাৰ্য্য বস্ত্ৰ হ'ল গামোচা। চেলেং সাধাৰণতে মাঙ্গলিক উৎসৱত ব্যৱহাৰ কৰা হয়। যেনে — বিবাহ, বিহু, ভাওনা আদিত।

সাজপাৰ আৰম্ভণিৰ পৰাই মানুহে লজ্জা নিবাৰণৰ বাবে গছৰ ডাল-পাত বাকলিৰ সলনি নানান কৌশল অৱলম্বন কৰি আঁহ প্ৰস্তুতৰ জৰিয়তে সাজপাৰ তৈয়াৰ কৰি পৰিধান কৰিবলৈ শিকিলে। জলবায়ু ভেদে কেনেধৰণৰ সাজপাৰ পৰিধান কৰিব লাগিব সেয়াও মানুহে আয়ত্ব কৰি ল'লে। মানুহ হৈছে সৌন্দৰ্য্যৰ পিপাসু। সেয়ে এই সৌন্দৰ্যৰ আৰাধনাতহে মানুহে সুখ উপভোগ কৰে। লগতে সেই সুখ সৌন্দৰ্য্যৰ মাজতে একোটা জাতিৰ সাধনা আৰু বৈশিষ্ট্য লুকাই থাকে. অসমীয়া নাৰীৰ সাজপাৰৰ বাবে অসমীয়া সমাজত নাৰীসকল বিবাহিত নে অবিবাহিত সকলো বুজিবলৈ সহজ হৈ পৰে। বৈষ্ণৱ কবি সকলৰ ৰচনাত শাৰীৰ উল্লেখ থাকিলেও সময়ৰ পৰিপ্ৰেক্ষিতত মহিলাসকলে ৰিহা-মেখেলা-চাদৰ পৰিধান কৰে। ৰিহা-মেখেলাৰ প্ৰক্ৰিয়াটো সৰ্বপ্ৰথমে আহোমসকলৰ মাজত দেখা গৈছিল বুলি উল্লেখ কৰা হৈছে। আহোম সকলে কপাহী এৰি-মুগা আৰু পাট এই চাৰিধৰণৰ সূতাৰ কাপোৰ বা ৰিহা-মেখেলা বৈ পিন্ধিছিল। পিছলৈ বাৰেৰহনীয়া অসমীয়া সমাজৰ মাজতো ৰিহা-মেখেলাৰ প্ৰচলন হ'ল। অসমীয়া নাৰীৰ সাজপাৰৰ বৈশিষ্ট্যও মন কৰিবলগীয়া তিনি বস্ত্ৰ পৰিধান কৰে যদিও বিয়াত কন্যাক ৰিহা পৰিধান কৰোৱাটো অপৰিহাৰ্য্য। বয়সীয়াল তিৰোতাই সকানে নিকানে ৰিহা পৰিধান কৰে। অসমীয়া তিৰোতাই গা চাকি কাপোৰ পিন্ধে। অসমীয়া নাৰীৰ কাপোৰ কানি গহীন অথচ জাকজমকীয়া। অসমৰ তিৰোতাৰ বাবে তাঁত বোৱা কামটো সৃজনীশীল শিল্পীৰ কাম। তাঁত বব জনাটো অসমৰ নাৰীৰ অপৰিহাৰ্য্য অৰ্হতা বুলি গণ্য কৰা হয়। সেয়েহে অসমৰ এইবিধ কুটীৰ শিল্পৰ ব্যৱহাৰ চিৰযুগমীয়া হওঁক।

দুৰ্ভাগ্যবশতঃ বিংশ শতিকাত বিশ্বায়নৰ অধিক প্ৰসাৰতাৰ বাবে অসমীয়া সাজপাৰবোৰ নাইকীয়া হোৱাৰ পথ ল'লে। বহুজাতিক কোম্পানীৰ আমদানিকৃত কাপোৰ যেনে- জিন্‌ছ, কুৰ্তা, চাৰ্ট আদি পৰিধান কৰিবলৈ ধৰিলে। হয়তো বৰ্তমান সময়ত আন মানুহৰ চকুত হেয় জ্ঞান হোৱাৰ ভয়ত ৰঙীয়াল সাজ পৰিধান কৰিবলৈ ধৰিলে। আনপিনে বাপতি সাহোন 'ছাঁতে শুকুৰা, মুঠিতে লুকুৰা' কাপোৰ সাজৰ কথা পাহৰিলে। এই সন্ধিক্ষণতে আইৰ মৰমৰ তাঁতশালখনো পাহৰিলে। আজিৰ প্ৰাক্ বিহুৰ সময়তো চহৰ অঞ্চল বাদেই গাঁৱৰ জীয়ৰী-বোৱাৰীও তাঁতশালত বহি খিটিক্ খিটিক্ মাকো মৰা শব্দ শুনিব পৰা নাই। সৰুতে মাহী-পেহীৰ মুখত শুনিছিলোঁ -- 'বিহু চেৰা' শাল হেনো অমঙ্গলীয়া। সেইবাবে চ'ততে গামোচা কাটি উলিয়াবলৈ কি যে লৰা ঢপৰা। বিহুগীত সমূহো অসমীয়া জনজীৱনৰ লগত জড়িত তাঁতশালৰ ওপৰতে বৰ্ণিত। বৰ্তমান এটা সুবাৰ্তা যে নিজৰ দেহ অসুস্থ হ'লে নিজে উপলব্ধি কৰাৰ দৰে আজিৰ কিছু সংখ্যক শিপিনীও অৱশ্যে হাত সাৰটি বহি থকা নাই। পাটমুগা এৰীৰে ৰপ্তানীকৃত বস্ত্ৰৰে বিশ্বৰ বজাৰত অসমৰ অসমীয়া মহিলাৰ পৰিচয় দিছে। শিক্ষিত সকলেও দোপদদোপে উন্নতিৰ জখলা বগাই অসমীয়া শিল্পক প্ৰতিষ্ঠা কৰিবলৈ যত্নপৰ হৈছে।❖

অপাৰজেয় বিপ্লৱ নায়ক ফিডেল কাষ্ট্ৰো

তুলনা দত্ত মেধি

সুদৰ্শন চেহেৰা, আকৰ্ষণীয় ব্যাক্তিত্ব, এমুখ ডাড়িয়ে মুখত হাভানা চিগাৰেট লৈ ফুৰা দুৰ্মদ সাহসেৰে প্ৰায় ৫০ বছৰে লেটিন আমেৰিকা, আফ্ৰিকা আৰু তৃতীয় বিশ্বত নিষ্পেষিত, নিপীড়িত জনতাৰ প্ৰাণস্বৰূপ কমিউনিষ্ট আন্দোলনৰ গুৰি ধৰোঁতা, ফিডেল কাষ্ট্ৰো আছিল কিউবাৰ প্ৰধানমন্ত্ৰী, পিচলৈ ৰাষ্ট্ৰপতি।

ফিডেল কাষ্ট্ৰোৰ দেউতাক এঞ্জেল কাষ্ট্ৰো এজন স্পেনিছ কৃষক আহিল। পিছলৈ তেওঁ কিউবা লৈ আহি স্থায়ীভাৱে থাকিবলৈ লয়। তেওঁ জীৱনৰ প্ৰথমছোৱা অত্যন্ত দৰিদ্ৰ লোক আছিল। পিছলৈ তেওঁ এজন বিত্তশালী ব্যাক্তিত পৰিণত হৈছিল।

১৯২৬ চনত ১৩ আগষ্টত ফিডেল কাষ্ট্ৰোৰ উত্তৰ কিউবাত জন্ম গ্ৰহণ কৰিছিল। এজন সম্পত্তিবান লোকৰ ঘৰত জন্ম গ্ৰহণ কৰিও তেওঁ সুখী নাছিল। সৰুৰে পৰা তেওঁ সমাজবাদত বিশ্বাসী আছিল। দেউতাকৰ ফাৰ্মত কাম কৰা আফ্ৰিকান বনুৱাসকলৰ দ্বাৰাই তেওঁৰ হৃদয়ত বিদ্ৰোহৰ ভাব জগাই তুলিছিল । ছয় বছৰ বয়সতে তেওঁক এজন ব্যাক্তিগত শিক্ষকৰ অধীনত পঢ়িবলৈ পঠিওৱা হৈছিল। শিক্ষকজনৰ আৰ্থিক দুৰবস্থা দেখি তেওঁৰ অন্তৰ আত্মাই কান্দি উঠিছিল। স্কুলীয়া দিনবোৰত তেওঁ শোষণ-বঞ্চনাৰ সদায় প্ৰতিবাদ কৰি আহিছিল। দেউতাকৰ অগাধ সম্পত্তিৰ প্ৰতি তেওঁৰ অকণো মোহ নাছিল। তেওঁ সকলো শ্ৰেণীৰ লোকৰ মাজত সামাজিক আৰু অৰ্থনৈতিক সমতা বিচাৰিছিল।

কিউবাৰ অতীতটো বৰ দুখ লগা। কিউবাক স্পেইনে চাৰিশবছৰ ধৰি শাসন কৰি দুখীয়া শ্ৰেণীবোৰক বৰ অত্যাচাৰ কৰিছিল। শেষত কিউবাই স্পেইনৰ পৰা স্বাধীনতা লাভ কৰে যদিও কাষতে থকা সাম্ৰাজ্যবাদী আমেৰিকাৰ অধীন হৈ পৰে। আমেৰিকাৰ বহতীয়া কিউবাৰ ৰাষ্ট্ৰপতি জেৰাৰ্ডো মাছাডো, ফুলজেনচিঅ' বাটিষ্টা আৰু ৰামন গ্ৰাউৰ স্বেচ্ছাচাৰী শাসনত অতিষ্ঠ হৈ কাষ্ট্ৰো বিদ্ৰোহী হৈ উঠিছিল।

ইতিহাস, ভূগোল আৰু তৰ্কত তেওঁৰ যথেষ্ট ৰাপ আছিল। এজন ভাল তাৰ্কিক হিচাবে যিকোনো ৰাজনৈতিক বিতৰ্কত তেওঁ সদায় জয়ী হৈছিল। ১৯৪৫ চনৰ শেষৰ ফালে কাষ্ট্ৰোৰে

হাভানা বিশ্ববিদ্যালয়ত আইন অধ্যয়ন আৰম্ভ কৰে।

১৯৪৬ চনত মাত্ৰ বিশবছৰ বয়সত তেওঁ আমেৰিকাৰ বহতীয়া ৰামন গ্ৰাউৰ শাসন ব্যৱস্থা আৰু দুৰ্নীতিক সমালোচনা কৰি এখন সভাত যি দুৰ্দান্ত ভাষণ দিছিল, সেই সময়ৰ কেইবাখনো আন্তৰাষ্ট্ৰীয় বাতৰি কাকতৰ শিৰোনাম দখল কৰিবলৈ সমৰ্থ হৈছিল। তেওঁ যেতিয়া কোনো ঘটনা বৰ্ণনা কৰিছিল সি লাগে সমসাময়িকেই হওঁক বা ঐতিহাসিক, মানুহৰ মন-মগজুত অগা-পিছা কৰিছিল।

১৯৫৩ চনত এদল বিদ্ৰোহীৰ সৈতে মনকাডা মিলিটাৰী গেৰিছন দখল কৰিবলৈ গৈ কাষ্ট্ৰো বন্দী হ'বলগীয়া হৈছিল। তেওঁৰ বিৰুদ্ধে আইনী যুঁজ আৰম্ভ হয়। আদালতত তেওঁ ১৯৫৩ চনৰ ১৬ অক্টোবৰৰ দিনা নিজৰ পক্ষত সুদীৰ্ঘ যুক্তি দাঙি ধৰিছিল। পিছত সিয়ে কিতাপৰ আকাৰ পালে— 'History will alsale me' ইতিহাসেই মোক সঠিক বিচাৰ কৰিব। ইয়াৰ পৰাই তেওঁৰ গভীৰতা গম পোৱা যায়। এই কিতাপখন বছৰ বছৰ ধৰি পাঠক সমাজত সমাদৃত।

১৯৬০ চনৰ ১৩ চেপ্তেম্বৰ ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত চাৰে চাৰি ঘন্টা তেওঁ এক দীঘলীয়া বক্তব্য ডাঙি ধৰিছিল। এই বক্তব্যতেই কাষ্ট্ৰোৱে কিউবাৰ ভবিষ্যতৰ ৰূপৰেখা বিস্তৃত ভাবে তুলি ধৰিছিল।

গেৰিলা যুদ্ধৰ জৰিয়তে বিশেষ সফলতা লাভ কৰা ফিডেল কাষ্ট্ৰোৱে খেলা-ধুলা, শৰীৰৰ চৰ্চা, সাহিত্য চৰ্চা আদিত বিশেষ গুৰুত্ব দিছিল।

তেওঁ বহুতো কিতাপ লিখি থৈ গৈছে। তেওঁৰ লিখনিয়ে বহুলোকৰ মন জয় কৰি ৰাখিছে। চে,. ফিডেল কাষ্ট্ৰোৰ কাৰাগাৰৰ চিঠি, কিউবা এট্দা ক্ৰুছ-ৰ'ডছ, নাৰী আৰু কিউবাৰ বিপ্লৱ ইত্যাদি।

১৯৫৯ চনত ১ জানুৱাৰীত আমেৰিকাৰ সমৰ্থনপুষ্ট কিউবাৰ শাসক ফ্ৰনজেনচিঅ' বাটিষ্টাক উফৰাই কিউবাৰ ক্ষমতা নিজৰ হাতলৈ আনি কমিউনিষ্ট পাৰ্টীৰ শাসনৰ অধীনত কিউবাৰ প্ৰধানমন্ত্ৰী হিচাবে দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁ শাসন ভাৰ লৈয়ে বিনামূলীয়া শিক্ষা আছে স্বাস্থ্য ব্যৱস্থাৰ আঁচনি গ্ৰহণ কৰি জনগণক সুফল প্ৰদান কৰিবলৈ সক্ষম হৈছিল।

পঞ্চাশ বছৰ কাল শাসনৰ প্ৰায় সোতৰ বছৰ ১৯৫৯ চনৰ পৰা ১৯৭৬ চনলৈ তেওঁ আছিল কিউবাৰ প্ৰধানমন্ত্ৰী আৰু সৰ্বাধিক সময় বত্ৰিশ বছৰ। ১৯৭৬ চনৰ পৰা ২০০৮ চনলৈ তেওঁ আছিল ইয়াত ৰাষ্ট্ৰপতি। ইমান আত্মাসংযমৰ অধিকাৰী হৈ ইমান দীৰ্ঘ সময় ধৰি ৰাষ্ট্ৰ এখনৰ মুৰব্বী হ'ব পাৰে সেয়া আজিও বহুতৰ বাবে নুবুজা সাঁথৰ।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অহোৰাত্ৰ যুদ্ধ দি কাহানিও ক্লান্ত নোহোৱা আমেৰিকাৰ ভূমিৰ পৰা মাত্ৰ ১৪৫ কিলোমিটাৰ নিলগত ক্ষুদ্ৰ দ্বীপৰাষ্ট্ৰ কিউবাৰ বিপ্লৱত প্ৰধান কামাণ্ডাৰ ফিডেল কাষ্ট্ৰোক হত্যা কৰিবলৈ মাৰ্কিন প্ৰশাসনে ৬৩৮ বাৰ চেষ্টা কৰিও ব্যাৰ্থ হৈছিল।

কিন্তু তেওঁৰ শাসন ব্যৱস্থাৰ বিৰুদ্ধে ''একনায়কত্ব বাদ''ৰ অভিযোগ উঠিছিল। মানৱাধিকাৰ লুণ্ঠন, বাক স্বাধীনতা খৰ্ব কৰা আদি

কাৰণত হাজাৰ-হাজাৰ নাগৰিক দেশ এৰি আমেৰিকা যুক্তৰাষ্ট্ৰত আশ্ৰয় লৈছিল। সেই সকল লোকেই কাষ্ট্ৰোৰ মৃত্যু দিনা গাড়ীত হৰ্ণ বজাই চিঞৰ বাখৰ কৰি আনন্দ উল্লাস কৰিছিল।

ফিডেল কাষ্ট্ৰোৱে কেৱল কিতাপ লিখাই নহয়, তেওঁ অধ্যয়ন পিপাসুও আছিল। কিউবাৰ ইতিহাসৰ প্ৰতি তেওঁৰ আগ্ৰহ আছিল যথেষ্ট। সেয়েহে কিউবাৰ ইতিহাসৰ প্ৰায়বিলাক কিতাপেই তেওঁৰ পঢ়ি শেষ কৰিছিল। ১৯৫০ চনৰ পৰা ১৯৫৫ চনৰ সময়যিনি জেলত থকা অৱস্থাত বেছি সময় তেওঁ গ্ৰন্থ অধ্যয়নতে ব্যৱহাৰ কৰিছিল কাৰণে সম্ভৱ হৈছে কিউবাৰ জয়গান। কিউবাৰ সাধাৰণ ৰাইজ মনেপ্ৰাণে আছিল তেওঁৰ লগত। ৰাইজেই শাসকৰ শক্তি, ৰাইজৰ স্বাৰ্থই শাসকৰ স্বাৰ্থ এয়াই আছিল ফিডেল কাষ্ট্ৰোৰ আদৰ্শ।

অপৰাজেয় মহানায়ক কিংবদন্তি সংগ্ৰামী কেতিয়াও ভাগৰি নপৰা ফিডেল কাষ্ট্ৰোৰ ২০১৬ চনৰ ২৬ নৱেম্বৰৰ দিনা ৯০ বছৰ বয়সত মহাপ্ৰস্থান ঘটে। ❖



ভাৰতত দুৰ্নীতি আৰু চৰকাৰি ব্যৱস্থাপনা

সত্যধৰ মটক

বাৰ্লিন চহৰত কাৰ্য্যলয় থকা ট্ৰেন্সপেৰেঞ্চি ইন্টাৰ নেচনেল নামৰ বিশ্ব সন্থা এটাই দুৰ্নীতিৰ বিপক্ষে এক অভিযানৰ সূত্ৰধাৰ হিচাপে কাম কৰি আহিছে। বিশ্বৰ দেশবোৰক দুৰ্নীতিৰ ক্ষেত্ৰত কম-বেছিৰ জোখ-মাপ অনুপাতে এই অতন্দ্ৰ প্ৰহৰীয়ে ১৯৯৫ চনৰে পৰা বছৰি একোখনকৈ দূনীৰ্তি উপলব্ধি বৰ্ণানুক্ৰমিক তালিকা (Corruption Perception Index) প্ৰকাশ কৰি আহিছে। এই তালিকাখনে চমুতে বৰ্ণনা কৰা মতে — দূনীৰ্তি হ'ল ব্যক্তিগত লাভালাভৰ বাবে ৰাজহুৱা ক্ষমতাৰ অপব্যৱহাৰ। যদিও দূনীতিৰ এই সংজ্ঞাই কেৱল বিত্তীয় দুৰ্নীতিৰ কথাৰ মাজতে সীমাৱদ্ধ আছে, দুৰ্নীতি বুলিলে আমি বহু কথাকেই সামৰি ল'ব পাৰো। আমাৰ ব্যৱহাৰিক জীৱনত আমি অনেক দুৰ্নীতি কৰিয়েই আহিছো। ৰাইজৰ অনিষ্ট বা অসুবিধা হোৱা আৰু দেশখনৰ যথা উন্নতিত বাধাগ্ৰস্ত হোৱা সকলো কাৰ্য্যই দুৰ্নীতি। আমাৰ শ্ৰদ্ধেয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই প্ৰৱৰ্ত্তন কৰা স্বচ্ছ ভাৰত অভিযানক কেৰেপ নকৰি আমি য'তে ত'তে থু-খেকাৰ বা তামোল খাই পিক পেলাই পৰিৱেশ বিনষ্ট কৰাটোও এক প্ৰকাৰ দুৰ্নীতি। মহান ভাৰতীয় পৰম্পৰা মতে "অতিথি দেৱ ভৱ" —তথা আলহীক দেৱতা বা ঈশ্বৰ জ্ঞান কৰি যথা শুশ্ৰুষা নকৰাটোও দুৰ্নীতি। যাইহওক, সদ্যহতে ট্ৰেন্সপেৰেঞ্চি ইন্টাৰনেচলে দুৰ্নীতি বিপক্ষে চলোৱা অভিযানৰ কথালৈ আহো।

এই অনুষ্ঠানে প্ৰকাশ কথা দুৰ্নীতিগ্ৰস্ত দেশৰ এখন তালিকা মতে ১৮০ খন দেশৰ ভিতৰত কৰা সমীক্ষা অনুযায়ী ভাৰত দুৰ্নীতিগস্ত দেশসমূহৰ ভিতৰত ৯৬ (চিয়ানৱৈ) স্থানত আছে। অৱশ্যে এছিয়া দেশসমূহৰ ভিতৰত ভাৰততকৈ বেছি দুৰ্নীতিগ্ৰস্ত দেশ হিচাবে শ্ৰীলঙ্কা, পাকিস্থান, নেপাল, থাইলেণ্ড, মালদ্বীপ আদি দেশসমূহে স্থান পাইছে। ৰাছিয়া আৰু নৰ্থ-কোৰিয়া আদি দেশো এই তালিকাত ভাৰতৰ দৰেই স্থান নোপোৱাকৈ থকা নাই। দুৰ্নীতি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ড দুই স্থানতেই বহুলভাৱে হয়। আমেৰিকা, গ্ৰেট-বৃটেইন আদি দেশ সমূহত ব্যক্তিগত খণ্ডত হোৱা দুৰ্নীতিৰ বিপক্ষেও পদক্ষেপ লোৱাৰ ব্যৱস্থা আছে। বিশ্বৰ সকলো দেশৰে একোখনকৈ সংবিধান আছে। এই

সংবিধানৰ আধাৰতেই প্ৰতেকখন দেশেই নিজৰ নিজৰ আৱশ্যক অনুযায়ী আইন কানুনৰ ব্যৱস্থা কৰিছে যাতে দেশক শৃংখলাবদ্ধভাৱে আগবঢ়াই নিব পাৰি ও শান্তি স্থাপন কৰিব পাৰি। দেশসমূহৰ আইন ব্যৱস্থাসমূহৰ ভিতৰত বৰ্তমান পৰিস্থিতিত দুৰ্নীতিৰ বিপক্ষে ব্যৱস্থা গ্ৰহণৰ আইনৰ আৱশ্যকতা দিনে দিনে বাঢ়ি আহিছে। বিশ্ব মুক্ত অৰ্থনীতিৰ ধাৰাই প্ৰায় সকলো দেশতেই প্ৰভাৱ পেলাইছে। বৰ্তমানে প্ৰতেকখন দেশেই বিশ্বৰ অন্যান্য দেশৰ সৈতে মুক্ত বেহা-বেপাৰ অব্যাহত ৰাখিবলৈ বাধ্য হৈছে। সেয়েহে অৰ্থনৈতিক অপৰাধ সংঘটিত কৰাৰ ক্ষেত্ৰও বহল হৈ আহিছে। সকলো মানুহৰ মাজত অৰ্থ তথা ধনসম্পত্তি আহৰণৰ প্ৰৱণতা বিদ্যমান। এই প্ৰৱণতাই সাৰপানী পায় যদিহে ব্যক্তিজনে ধন সহজ লভ্য এখন ক্ষেত্ৰ পায়। আমাৰ দেশত অনেক বিত্তীয় কেলেংকাৰী সংঘটিত হৈ আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডি ডাঙৰীয়াই দুৰ্নীতি প্ৰতিৰোধৰ বাবে অন্যান্য ব্যৱস্থা লগতে বিমুদ্ৰাকৰণৰ যোগে দুনীতিৰ প্ৰতিৰোধক হোৱা বিশিষ্ট ব্যৱস্থা লৈছে যাতে দেশৰ গুপ্তধন মজুতকাৰী সকলৰ অবৈধ ধনৰ ভাণ্ডাৰ উদ্ধাৰ কৰিব পাৰি।

ভাৰতত সংঘটিত আমি প্ৰত্যক্ষ কৰা কেইটামান বিত্তীয় কেলেংকাৰী তলত উল্লেখ কৰা হ'ল। (ক) পাঞ্জাৱ নেচনেল বেংক কেলেংকাৰী (২০১১-১৮) ঃ- নীৰৱ মোডি নামৰ হীৰাৰ অলঙ্কাৰ ব্যৱসায়ীজনে তেওঁৰ মুম্বাইস্থিত 'ব্লেডি-হাউচ' নামৰ অনুষ্ঠানৰ নামত ভুৱা নথি পত্ৰৰ যোগে পঞ্জাৱ নেচনেল বেঙ্কৰ পৰা প্ৰায় ১১,৬০০ কোটি টকাৰ এক বৃহৎ পৰিমাণৰ ঋণ আদায় কৰিছে আৰু বৰ্ত্তমান দেশ এৰি বিদেশত অজ্ঞাত স্থানত আত্মগোপন কৰি আছে। নীৰৱ মোডিৰ সৈতে তেওঁৰ সম্পৰ্কীয় আমি মোডি, নীহাল মোডি, মেহুল চিচক্‌চে আদি বহুকেইজন জড়িত। এই ঠগকাৰ্য্য সংঘটিত কৰাত উল্লেখিত বেঙ্কৰ উচ্চ পদস্থ বহু কেইজন বিষয়া জড়িত থকাৰ প্ৰমাণ হৈছে।

(খ) 'বিজয় মাল্য' অপৰিশোধ ঋণ মোকদমা ঃ- বিজয় মাল্য নামৰ বহু কেইটা কোম্পানীৰ মালিক তথা ৰাজ্যসভাৰ অপসাৰিত সদস্যজনে বহু কেইটা বেঙ্কৰ পৰা বৃহৎ অঙ্কৰ ধন ঋণলৈ লৈ ঘূৰাই নিদি ভাৰতৰ পৰা পলাই গৈ বিলাতত বসবাস কৰি আছে। মুঠ ১৭ টা বেঙ্কৰ এটা গোটে বিজয় মাল্যৰ পৰা ৯,০০০ কোটি টকাৰ ঋণ উদ্ধাৰৰ চেষ্টাত আদালতৰ আশ্ৰয় লৈছে যদিও সফল হ'ব পৰা নাই। ভাৰত চৰকাৰে বিলাতৰ পৰা তেওঁক ঘূৰাই অনাৰ বাবে আইনগত প্ৰচেষ্টা অব্যাহত ৰাখিছে।

(গ) সাৰদা গ্ৰোপ্ বিত্তীয় কেলেংকাৰী ঃ- প্ৰায় ২০০ ব্যক্তিগত খণ্ডৰ কোম্পানী জড়িত থকা সাৰদা গ্ৰোপ্ চিট্ ফান্দ জাতীয় জনসাধাৰণৰ ধন জমা ৰখাও সুতত ধাৰলৈ দিয়া ধৰণৰ ভুৱা ব্যৱসায়িক প্ৰতিষ্ঠানটোৰ মূল ব্যক্তিসকল যেনে — পশ্চিম বঙ্গৰ কুনাল ঘোচ, সুদিপ্ত সেন, মদন মিত্ৰ, মুকুল ৰয় আৰু অন্যান্য বহুজন মিলি ২,৫০০ কোটি টকাৰ এক কেলেংকাৰী সংঘটিত কৰিছে। পশ্চিম বঙ্গৰ পৰা ৰাজ্যসভালৈ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী হিচাবে নিৰ্বাচিত হোৱা কুনাল ঘোষ নামৰ

এই অপৰাধী জনে ২০১৩ চনৰ নৱেম্বৰ পৰা জেলৰ ভাত খাই আছে। তেওঁৰ সহযোগী সঞ্জয় ঘোষো গ্ৰেপ্তাৰ হৈছে। এই কেলেংকাৰীত উড়িচ্ছাৰ বিজু জনতা দলৰ পালিয়ামেণ্ট সদস্য ৰামচন্দ্ৰ হাচদা আৰু বিধান সভাৰ সদস্য প্ৰভাত ত্ৰিপাথিও জড়িত।

(ঘ) অভিযেক বাৰ্ম্মা অস্ত্ৰ-শস্ত্ৰ ব্যৱসায়িক লেনদেন কেলেংকাৰী ঃ- ভাৰতৰ প্ৰতিৰক্ষা বিভাগত হোৱা ৮০,০০০ কোটি টকাৰ এই কেলেংকাৰীৰ লগত গোলকীয় (Global) অস্ত্ৰ-শস্ত্ৰ ব্যৱসায়ী কোম্পানী 'চিগ্ চউচেৰ' আৰু 'জি অণ্টনৰ' স্বত্বাধিকাৰী অভিলেখ বাৰ্ম্মা আৰু তেওঁৰ পত্নী ৰোমানিয়া এনিয়া বাৰ্ম্মা (পূৰ্বৰ বিশ্বসুন্দৰী) জড়িত।বলৎকৰণ সঞ্চালকালয়ৰ (Enforcement Directorate) দ্বাৰা প্ৰতিৰক্ষা বিভাগৰ বহুকেইটা অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ কিনা বিষয়ক কেলেংকাৰীত অভিযুক্ত হৈ তেওঁলোক বৰ্তমানে তিহাৰ জেলত আছে।

(ঙ) কমনৱেলথ ক্ৰীড়া কেলেংকাৰী (Commonwealth Games Scam)—২০১০ চনত ভাৰতত অনুষ্ঠিত কমনৱেলথ গেমচৰ সময়ত ৭০,০০০ কোটি টকাৰ এক কেলেংকাৰী হয়।এই কেলেংকাৰীৰ লগত বিশেষভাৱে জড়িত তেতিয়াৰ কংগ্ৰেছ সাংসদ আৰু ভাৰতীয় তালিম্পিক এসোচিয়েচনৰ মুৰব্বী সুৰেশ কালমাদি অভিযুক্ত হৈছিল।খৰছৰ এক গণনামতে ৭০,০০০ কোটি টকাৰ আৰ্দ্ধেকে অংশৰ ধনহে ভাৰতীয় খেলুৱৈৰ লগত খৰছ কৰা হৈছিল। মূখ্য তদাৰকি সঞ্চালকে (Chief Vigilance Commissioner) ধৰা পেলোৱা মতে বহু বহু টকাৰ নিবিদা নামগোন্ধ নোহোৱা ব্যৱসায়িক গোটৰ নামত দাখিল কৰি কোটি কোটি টকা সৰকোৱাৰ তথ্য লাভ কৰিছে। তাৰোপৰি ইচ্ছাকৃতভাৱে চুক্তিবদ্ধ ঠিকাৰ কাম দেৰিলৈকে পেলাই ৰখা, আৱশ্যকীয় সামগ্ৰী বহু বৰ্দ্ধিত হাৰৰ দামত যোগান ধৰা আদি অনেক দুষ্কাৰ্য্যৰ ঘটনা উৎঘাটিত কৰিছে।

চ) ভাৰতীয় কয়লা আবণ্টন কেলেংকাৰি (২০১২) ঃ— এইটো ভাৰত চৰকাৰৰ কয়লা মন্ত্ৰালয়ৰ ভিতৰত সংঘটিত হোৱা ১৮৫,৫৯১ কোটি টকীয়া কেলেঙ্কাৰীৰ ঘটনা। ইউনাইটেড প্ৰগ্ৰেচিভ এলাৱেঞ্চ চৰকাৰৰ সময়ত কয়লা ব্লকবোৰ উচিৎমূল্যত নীলাম নকৰি কোটি কোটি টকাৰ ব্যক্তিগত লাভালাভৰ স্বাৰ্থত আবন্টন দিয়া হৈছিল, যাৰ বাবে ৰাজকোষৰ কোটি কোটি টকা লোকচান হৈছিল। উচ্চতম ন্যায়ালয়ে ১৯৯৩ চনৰ পৰা বেআইনীভাৱে দিয়া ২০১৪ টা কইলা ব্লকৰ আবন্টন বাতিল কৰে।

ছ) পশুধন খাদ্য কেলেংকাৰী ঃ- ৯.৫ কোটি টকীয়া পশুধন খাদ্য আত্মসাৎ কেলেংকাৰিত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী লালু প্ৰসাদ যাদবৰ জেল হোৱাৰ লগতে তেওঁৰ সাংসদ পদ খাৰিজ কৰা হয়।

জ) নৌসেনা বাহিনী যুদ্ধ কোঠাৰ তথ্য ফাদিল কেলেংকাৰি (2005), (Navy war room leak scandle)ঃ- আমাৰ প্ৰতিৰক্ষা বিভাগত হোৱা ১৮০০০ কোটি টকাৰ এই কেলেংকাৰীৰ নায়ক আছিল অস্ত্ৰ- শস্ত্ৰৰ ব্যৱসায়ী অভিযেক বাৰ্ম্মা আৰু ৰবি শঙ্কৰণ। এওঁলোকে প্ৰধান মন্ত্ৰীৰ সচিবালয়ত অৱস্থিত নৌসেনা

বাহিনীৰ ৱাৰ ৰুম (war_room) ত কৰ্মৰত বিষয়াক হাত কৰি সেনাবাহিনীৰ অস্ত্ৰশস্ত্ৰ ক্ৰয় তথা আহৰণ কৰিব লগা গুৰুত্বপূৰ্ণ তথ্য সংগ্ৰহ কৰি ভাৰত আৰু আমেৰিকাৰ মাজত স্বৰূপেন চামেৰিণ (scorpene subma rines) সংক্ৰান্তত হেজাৰ কোটি টকীয়া ঠিকা লাভৰ কামত জড়িত আছিল। ২০০৬ চনত ৰবি শঙ্কৰণ বিলাত (United Kingdom) লৈ পলায়ন কৰে। ভাৰত চৰকাৰে এই অপৰাধীজনক প্ৰত্যাপৰ্ণ (extradition) কৰি আনি শাস্তি বিহিব নোৱাৰিলে।

ঝ) এম বি বি এচ (MBBS) কেলেংকাৰীঃ- দিল্লীৰ এখন আদালতে ২০০৩ চনত ৰছীদ মাচুদ নামৰ উত্তৰ প্ৰদেশৰ ৰাজ্যসভাৰ কংগ্ৰেছী সাংসদ জনে ত্ৰিপুৰা ৰাজ্যৰ বাবে সংৰক্ষীত ৰখা মেডিকেল কলেজৰ এম. বি.বি. এড. পাঠ্যক্ৰমৰ আসন ঠগ প্ৰৱঞ্চনাৰ আধায় লৈ অযোগ্য প্ৰাৰ্থীক মনোনয়ন দিছিল। এই মোকদমাত তেওঁৰ ৪ বছৰৰ বাবে কাৰাদণ্ড হয়। তেওঁ ১৯90 চনত ভি.পি.সিং চৰকাৰৰ স্বাস্থ্যমন্ত্ৰীৰ দায়িত্বত আছিল। য

(ঞ) লুইচ বাৰ্গাৰ উৎকোষ (Louis Berger Bribery) গোছৰ ঃ- এই মোকৰ্দমাৰ বিষয়বস্তু গোৱা আৰু অসম এই দুখন ৰাজ্যত পানী ব্যৱস্থাপনাৰ (Management) বাবে লোৱা আঁচনি ১৯১৫ চনৰ জুলাইত লুইচ বাজাৰ নামৰ আমেৰিকাৰ নিউ জাৰ্চিত অফিচ থকা এটা ব্যৱসায়িক প্ৰতিস্থানৰ বিপক্ষে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন্যায় বিভাগে "বিদেশ দূৰ্নীতি আইন (Foreign Corrupt Practices Act)ৰ অধিনত এটা মোকদমা ৰছে। লুইচ বাৰ্জাৰ প্ৰতিস্থানটোৰ বিষয়াবৰ্গই আমেৰিকাৰ এখন আদালতত স্বীকাৰুক্তি দিয়ে যে তেওঁলোকে ভাৰতত পানী ব্যৱস্থাপনা আঁচনিৰ কামৰ ঠিকা হস্তগত কৰাৰ বাবে ২০১০ চনত শাসনৰ গাদিত থকা উচ্চপদস্থ ব্যক্তি তথা কোনো মন্ত্ৰীক ঘোচ দিছিল। আমেৰিকাত তৰা এই মোকদমাৰ পিছতে ভাৰতত গোৱা ৰাজ্যৰ চৰকাৰ তৎপৰ হয়, আৰু পানী ব্যৱস্থাপনাৰ লগত জড়িত বহুকেইজন অপৰাধী চৰকাৰী বিষয়াক আৰু লগতে চাৰ্চিল 'এলেমাও' নামৰ মন্ত্ৰীজনকো গ্ৰেপ্তাৰ কৰে।

অসমত গুৱাহাটী নগৰ উন্নয়ন প্ৰাধিকাৰী (GMDA) য়ে লুইচ বাৰ্গাৰ প্ৰতিস্থানক গুৱাহাটীত পানী ব্যৱস্থাকৰণ আঁচনিৰ বাবে বাচনি কৰিছিল। গোৱাৰ দৰে অসমতো এই কেলেংকাৰীৰ তদন্ত হব লাগে বুলি দাবী উত্থাপন হোৱাত গৌহাটি উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশত বৰ্তমান এই কেলেংকাৰীৰ তদন্ত কেন্দ্ৰীয় তদন্তকাৰী সন্থা (Central Bureau of Investigation) যোগেদি চলি আছে।

উত্তৰ কাছাৰ জিলাৰ ১০০০কোটি টকীয়া কেলেংকাৰী ঃ- উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বিভিন্ন চৰকাৰী বিভাগত উন্নয়নৰ বাবে আবন্টিত ধন দূৰ্নীতিগ্ৰস্থ আৰ. এইচ খান (সমাজ উন্নয়ন বিভাগৰ বিষয়া) নামৰ বিষয়া গৰাকীৰ নেতৃত্বত অন্যান্য চৰকাৰী বিষয়া আৰু নৰ্থ কাছাৰ হিলচ্ অটনমাচ কাউন্সিলৰ গাদিত থকা সদস্যবৰ্গ মিলি হেজাৰ কোটি টকাৰ এই আত্মসাৎৰ ঘটনা সকলোৰে জ্ঞাত। আৰ. এইচ খান নামৰ বিষয়া জনৰ গুৱাহাটীৰ 'ছয়মাইল এলেকাত থকা

বাসভৱনৰ পৰা ২০০9 চনত বহু কোটিৰ নগদ ধন উদ্ধাৰ হৈছিল। ২০০৬-০৯ চনৰ কালছোৱাত আৰ এইচ খান আৰু তেওঁৰ সহযোগী বহু চৰকাৰী বিষয়াই উন্নয়নৰ নামত আবণ্টিত হেজাৰ হেজাৰ কোটি টকা আত্মসাৎ কৰাৰ লগতে সন্ত্ৰাসবাদী গোট সমূহক অস্ত্ৰ-শস্ত্ৰ কিনাৰ বাবে পুজিৰ যোগান ধৰিছিল। ২০১৭ চনত নেচনেল ইনভেষ্টিগেটিভ এজেঞ্চিৰ বিশেষ আললতে ১৪ জন অভিযুক্তক দোষি সাব্যস্ত কৰি কাৰাদণ্ড বিহিছে। উত্তৰ কাছাৰ জিলাৰ এই বৃহৎ বিত্তীয় কেলেংকাৰীৰ সংক্ৰান্তত ডিমা হাচাও দাওগা নামৰ সন্ত্ৰাসবাদী সংগঠনৰ পূৰ্বৰ নেতা জুবেল গালোচা, নীৰঞ্জন হোজাই, মেহিত হোজাই আদি জড়িত আছিল।

ভাৰতত হৈ থকা কেইটিমান বিত্তীয় কেলেংকাৰী তথা দূৰ্নীতি সংঘটিত ঘটনাৰ বিষয়ে কিছু ধাৰণা আপোনালোকে পালে । এতিয়া কথা হ'ল, এই সীমাহীন দুৰ্নীতিবোৰ কিয় হব পাইছে? আমি নিশ্চয় দুৰ্নীতি ৰোধ কৰা সঠিক পদক্ষেপ লব পৰা নাই। হয়তো তলত উল্লেখ কৰা কাৰণ সমূহৰ বাবে দূৰ্নীতি সম্পূৰ্ণ নিমূল কৰিব পৰা হোৱা নাই।

১। দুৰ্নীতিৰ বিপক্ষে যুঁজিবলৈ পৰ্য্যাপ্ত পৰিমাণৰ আইন আৰু নীতি নিৰ্দেশনাৰ অভাৱ হৈছে।

২। ৰাজহুৱা জীৱনত প্ৰত্যেকটো কামৰেই স্পষ্ট ছবি জনসাধাৰণৰ জ্ঞাতাৰ্থে প্ৰচাৰ মাধ্যম যোগে তুলি দিয়া নহয়। তাৰোপৰি চৰকাৰী কাৰ্য্যালয়ৰ প্ৰত্যেকটো স্তৰৰ বিষয়াই তলৰ বিষয়াৰ কাৰ্য্যকলাপ ভালদৰে পৰ্য্যালোচনা নকৰে আৰু নিজেও নিঃস্বাৰ্থভাৱে কাম নকৰে।

৩। দূৰ্নীতিক আমি নিয়মীয়া কাৰ্য্য বুলি সহা কৰি থাকো আৰু দুৰ্নীতিৰ বিৰুদ্ধে মাত নামাতো।

৪। দূৰ্নীতিৰ বিপক্ষে মাত মাত মাতিবলৈ যথেষ্ট পৰিমানে শক্তিশালী ৰাজহুৱা সংগঠনৰ অভাৱ। বিভিন্ন দেশে তেওঁলোকৰ আৱশ্যক অনুযায়ী দুৰ্নীতিৰ বিপক্ষে আইন প্ৰণয়ন কৰি যথা ব্যৱস্থা লৈছে। ভাৰততো দুৰ্নীতি প্ৰতিৰোধৰ চেষ্টা হিচাবে বহুখিনি আইন প্ৰণয়ন কৰিছে। এই আইন সমূহৰ কেইখনমান চমুকৈ পৰ্যালোচনা কৰি চোৱা যাওক।

ভাৰতীয় দণ্ডবিধি আইন, ৰজ্মজ্জ্বজ্জ্ব (Indian Penal Code, 1988) ঃ- ইংৰাজৰ আমোলতে ১৯৮৮ চনত এই আইনখন বলবৎ কৰে। মুঠ ৫১১ টা ধাৰা সনিবিষ্ট কৰ। এই আইনখন অতি নিখুত বুলি প্ৰমাণিত হোৱাৰ বাবে স্বাধীনতাৰ ৭১ বছৰ পিছতো আইনখন আমাৰ দেশত চলিয়েই আছে। এতিয়ালৈ আইনখনৰ নিছেই সামান্য সংশোধনহে ঘটোৱা হৈছে। আইনখনৰ ১৭ তম অধ্যায়ত সা-সম্পত্তিৰ বিপক্ষে কৰা অপৰাধৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ শাস্তি বিধানৰ কথা কোৱা হৈছে। সেই অধ্যায়ত থকা ৪০৯ ধাৰাত চৰকাৰী বিষয়াই বিশ্বাসঘাটকতা কৰি ধন আত্মসাৎ কৰিলে শাস্তি হিচাপে জীৱনজোৰা কাৰাবাসৰ কথা কোৱা হৈছে।

দূৰ্নীতি প্ৰতিৰোধক আইন, ১৯৮৮ (The prevention of corruption Act, 1988) ঃ- ১৯৪৭ চনত পোনতে প্ৰৱৰ্তন কৰা এই আইনখন ১৯৫২, ১৯৬৪ আৰু ১৯৮৮ চনত সংশোধন ঘটোৱা হয়। এই আইন খনত চৰকাৰী ও ৰাজহুৱা খণ্ডৰ বিষয়াই বিভিন্ন ধৰণে উৎকোচ লোৱা তথা

লবলৈ সন্মতি প্ৰদান কৰি চুক্তি কৰিলে তেনে বিষয়াৰ ৭ বছৰ পৰ্য্যন্ত কাৰাবাস হোৱাৰ কথা কৈছে।

বেনামি লেন-ডেন প্ৰতিৰোধ আইন, ১৯৮৮ (Benami Transactions Prohibition Act 1988) ঃ- এই আইনখনৰ যোগেদি সকলোধৰণৰ বেনামী লেন-দেনৰ ওপৰত বাধা আৰোপ কৰা হৈছে। আইনখনে বেনামী লেন-দেনৰ সংজ্ঞা আগবঢ়াইছে এনেদৰে কোনো ব্যক্তিয়ে নিজে মূল্য পৰিশোধ কৰি বেলেগৰ নামত সম্পত্তি ক্ৰয় কৰাকেই বেনামী লেন-দেন বুলি কোৱা হয়। এই আইনখন শক্তিশালী কৰাৰ উদ্দেশ্যে ২০১৬ চনত মাননীয় নৰেন্দ্ৰ মোডি ডাঙৰীয়াৰ চৰকাৰে সংশোধন ঘটাই এই আইনত দোষী সাৰ্য্যস্ত হোৱা জনক ৭ বছৰৰ কাৰাদণ্ড লগতে বেনামী সম্পত্তিৰ ২৫ জড়িমনা ভৰোৱাৰ ব্যৱস্থা কৰা হৈছে।

অবৈধ আৰ্জনৰ ধন বৈধভাৱে ব্যৱহাৰৰ বিৰোধ আইন, ২০০২ (Prevention of Money Laundering Act 2002) ঃ- ২০০২ চনত এন ডি এ চৰকাৰে বেংকিং তথা বিত্তীয় লেন-দেন সম্পকীয় ব্যৱসায়ত জড়িত অনুষ্ঠান প্ৰতিষ্ঠান সমূহে অবৈধভাৱে অৰ্জন কৰা ধন বাজেয়াপ্ত কৰি প্ৰতিষ্ঠান সমূহৰ মালিকীস্বত্বাধিকাৰীক ৭বছৰ পৰ্য্যন্ত কাৰাগাৰবৰণৰ ব্যৱস্থা কৰিছে। যদিহে এনে অবৈধ ধন সংগ্ৰহৰ লগত কানি ভাং আদিৰ দৰে “মাদক দ্ৰব্য” আইন ১৯৮৫ৰ অপৰাধত ও জড়িত থাকে তেন্তে শাস্তি হিচাবে ৭ বছৰৰ ঠাইত ১০ বছৰৰ কাৰাগাৰ অপৰাধীয়ে বৰণ কৰিব লাগিব।

বিদেশী ধন যোগান (নিয়ন্ত্ৰণ) আইন, ২০১০, (Foreign contribution Regulation Act 2010) ঃ- বিদেশৰ পৰা পুজি লাভ কৰা বহুতো বেচৰকাৰী অনুষ্ঠানে আমাৰ দেশৰ অৰ্থনৈতিক উন্নতিত বাধাহে প্ৰদান কৰাৰ প্ৰমাণ পোৱা গৈছে। আমাৰ দেশৰ স্বাৰ্থৰ বিপৰীতে কাম কৰাৰ বাবে কোনো ব্যক্তি বিশেষ অথবা অনুস্থান প্ৰতিস্থানে যাতে বিদেশি পুজি অথবা অনুগ্ৰহৰ ৰূপত আগবঢ়োৱা কোনো ৰকমৰ শুশ্ৰষা লাভ কৰিব নোৱাৰে সেইটো বাধা দিয়া বা নিয়ন্ত্ৰণ কৰাৰ বাবে এই আইনখন প্ৰণয়ন কৰা হয়। এই আইনৰ আধাৰত ব্যক্তি বিশেষ যেনে সংসদ সদস্য, আদালতৰ বিচাৰক, ৰাজনৈতিক দক্সল আৰু কৰ্মকৰ্ত্তা, চৰকাৰী চাকৰিয়াল, চৰকাৰৰ নিয়ন্ত্ৰণৰ আওতাত থকা কোনো প্ৰতিষ্ঠানক বিদেশী অনুগ্ৰহ লাভৰ পৰা বাৰণ কৰা হৈছে। বিদেশী পুঁজি লাভ কৰা অনুষ্ঠান-প্ৰতিষ্ঠানে পুঁজি লাভৰ হিচাব আদি ভালদৰে ৰাখি পৰীক্ষাৰ বাবে চৰকাৰক দিব লাগে। হিচাব দাখিল কৰিব নোৱাৰা অনষ্ঠান-প্ৰতিষ্ঠানৰ বিদেশী পুজি গ্ৰহণৰ অনুজ্ঞা পত্ৰ (Ferra Licence) বাতিল কৰা হয়। ২০১৬ চনত ২০,০০০ (বিশ হেজাৰ) এনে বেচৰকাৰী অনুস্থান (NGO)ৰ অনুজ্ঞাপত্ৰ ঠিকমতে হিচাব দাখিল কৰিব নোৱাৰাৰ বাবদ বাতিল কৰা হৈছে। অনুজ্ঞাপত্ৰ বাতিল কৰা অনুস্থান সমূহৰ ভিতৰত ‘জৱাহৰলাল নেহেৰু বিশ্ববিদ্যালয়’, ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠান, কাণপুৰ, জামিয়া মিলিয়া ইচলামিয়া কেন্দ্ৰিয় বিশ্ববিদ্যালয় আদিও আছে। ভাৰতৰ চোৰাংচোৱা সন্থা (Intelligecne Bureau)ই “ভাৰতৰ

উন্নতিত বেচৰকাৰী অনুষ্ঠানৰ প্ৰভাৱ” শীৰ্ষক এক প্ৰতিবেদন দাখিল কৰাৰ ভিত্তিত বহুকেইটা বেছৰকাৰী অনুষ্ঠানে তেওঁলোকে বিদেশৰ পৰা দান হিচাপে লাভ কৰা পুঁজি “কুদান কুলাম পৰমানৱিক শক্তি প্ৰকল্প”ৰ বিপক্ষে হোৱা আন্দোলনলত সাৰপানী যোগোৱাৰ হকে লগোৱাৰ প্ৰমাণ পাই সেই বেচৰকাৰী অনুষ্ঠানসমূহৰ বেঙ্কৰ জমাধন চৰকাৰে জব্দ কৰিছে।

আমদানি আৰু ৰপ্তানী নিয়ন্ত্ৰণ আইন ১৯৫০ (The Import and Export Control Aact ১৯৫০)ঃ- দেশত পৰ্য্যাপ্ত পৰিমাণে উৎপাদিত হোৱা খাদ্য সামগ্ৰি বা কাৰিকৰী যন্ত্ৰপাতি তথা সজুলি আদি অন্য দেশলৈ ৰপ্তানি কৰা আৰু আমাৰ দেশত অভাৱ হোৱা খাদ্য সামগ্ৰী বা কাৰিকৰী যন্ত্ৰপাতি তথা সজুলি আদি অন্য আমাৰ দেশত অভাৱ হোৱা যিকোনো আৱশ্যকীয় সামগ্ৰী অন্য দেশৰ পৰা আমদানি কৰা ধৰণৰ বাণিজ্য অতীতৰে পৰা চলি আহিছে আৰু বৰ্তমান সময়ত ভাৰতবৰ্ষ এনে বহু সামগ্ৰীৰ আৰ্ন্তজাতিক বজাৰৰ সৈতে জড়িত। এই আমদানি আৰু ৰপ্তানিৰ ক্ষেত্ৰত বহুতো সময়ত ইয়াৰ লগত জড়িত ব্যক্তি বিশেষে ঠগ প্ৰৱঞ্চনাৰ আশ্ৰয় লয়। সেয়েহে এই আইন খনৰ প্ৰয়োগৰ যোগে দোষী ব্যক্তিক ১বছৰৰ কাৰাবাস আৰু ৰনিজুত টকালৈকে জৰিমনাৰ ব্যৱস্থা কৰা হৈছে।

খাদ্য ভেজালকৰণ প্ৰতিৰোধ আইন ১৯৫৪ (The Prevention of Food Adulteration Act 1954) ঃ-আমাৰ দেশত খাদ্য সামগ্ৰী ব্যৱসায়ী সকলে উপযুক্ত হাৰতকৈ বেছি লাভ কৰাৰ স্বাৰ্থত খাদ্য সামগ্ৰিও ভেজাল কৰাৰ দৰে অপৰাধ কৰি আহিছে। এই খাদ্য সমাগ্ৰী ভেজালকৰণ অপৰাধ প্ৰতিৰোধ ৰৰাৰ বাবে ১৯৫৪ চনতে প্ৰচলন কৰা এই আইন খনৰ যোগেদি ভেজাল খাদ্য আমদানি, বিক্ৰীৰ বাবে প্ৰস্তুতকৰণ, মজুতকৰণ, বিক্ৰী আৰু ভেজাল খাদ্যৰ বিতৰণ আদিৰ অপৰাধৰ বাবে ৩ বছৰলৈ কাৰাবাসৰ ব্যৱস্থা কৰা হৈছে। ওপৰত বৰ্ণনা কৰা দূৰ্নীতি বিৰোধী আইন কেইখনৰ উপৰিও বিদেশী মুদ্ৰা পৰিচালনা আইন, ১৯৯৯ (Foreign Exchange Management Act, 1999), “অত্যাৱশ্যকীয় সামগ্ৰী আইন, ১৯৫৫ (The Essential Commodities Act, 1955), আইকৰ আইন,১৯৬১ (The Income Tax Act, 1961), শুল্ক আইন, 1962 (The Customs Act,১৯৬২), সোণ নিয়গুণ আইন, ১৯৬৮ (The Gold Control Act, 1968), বিদ্যুত শক্তি যোগান আইন ২০০২, (Elec tricity Supply Act, 2002), তথ্য প্ৰযুক্তি (সংশোধন) আইন, ২০০৯ (Information Technology Amend- ment Act, 2009) আদি আইনসমূহৰ যোগেদি বিভিন্ন প্ৰকাৰৰ দূৰ্নীতিৰ সৈতে মোকাবিলা কৰাৰ চেষ্টা কৰা হৈছে।

উল্লেখিত আইনসমূহৰ উপৰিও কেন্দ্ৰীয় আৰু ৰাজ্যসমূহৰ চাকৰিয়ালে তেওঁলোকৰ দায়বদ্ধ কৰ্ম্মৰ আঁৰলৈ যাতে অনিয়মিত বা অনৈতিক কোনো কামত লিপ্ত হ’ব নোৱাৰে তাৰ প্ৰতিৰোধৰ বাবে কেন্দ্ৰীয় অসামৰিক সেৱা আচৰণ নিয়মাৱলী, ১৯৬৪ (Central Civil

Service Conduct Rules. 1964), অসম সেৱা (নিয়মানুবৰ্তিতা আৰু আপীল) নিয়মাবলী, ১৯৬৪ (Assam Services Discripline and Appeal Rules, 1964) আদি বিধি বা নিয়মাৱলী দূৰ্নীতি প্ৰতিৰোধ কৰাৰ বাবেই প্ৰবৰ্ত্তন কৰা হৈছে।

ওপৰত উল্লেখ কৰা আইন কানুন নিয়মাৱলী আদি থাকিলেও এই বিধি ব্যৱস্থা বোৰ সঠিকৰূপে কাৰ্য্যকৰী নকৰাৰ বাবে দুৰ্নীতি প্ৰতিৰোধৰ এই আইনবোৰ বহু ক্ষেত্ৰতে অসাৰ প্ৰমাণিত হৈছে অথবা সম্পূৰ্ণ কাযক্ষম হোৱা নাই। গতিকে, সকলোতকৈ দৰকাৰী কথাটো হৈছে আইনসমূহ কাৰ্য্যকৰীকৰণৰ লগত জড়িত শাসনৰ গাদীত থকা সকলে সততাবে দায়িত্ব পালন কৰি এই দূৰ্নীতি বিৰোধি আইনবোৰ কাৰ্য্যকৰি কৰিব লাগিব। এই মহান কাৰ্য্যত দেশৰ দায়িত্বশীল নাগৰিক সকলেও সম্পূৰ্ণ সহায় সহযোগ আগবঢ়াব লাগিব। আগতেই কোৱা হৈছে সকলোবোৰ আইনকেই উৎস হৈছে আমাৰ সংবিধান খন। এই সংবিধানখন ভাল-বেয়া সংক্ৰান্তত আমাৰ সংবিধান প্ৰণেতা মহান আইনবিদ ডঃ বি আৰু আম্বোদকাৰৰ এষাৰ কথা উল্লেখ কৰাৰ প্ৰয়োজন বোধ কৰিলো। 'However good a Constitution may be. if those who are implementing it are not good. it will prove to be bad. However bad a Constitution may be. it those implementing it are good. it will prove to be good'. - B. R. Ambedkar. ।কথাষাৰ অসমীয়াত নিম্নভাৱে ভাঙনি কৰা হ'ল —

এখন সংবিধান যিমানেই নহওঁক কিয় যিসকলে সেইখন কাৰ্য্যকৰী কৰিব সেইসকল লোক যদি ভাল মানুহ নহয়, তেন্তে সেইখন বেয়া বুলিয়েই প্ৰমাণিত হব। সংবিধানখন যিমানই বেয়া নহওককিয়, যদি সেইখন কাৰ্য্যকৰী কৰা লোকসকল ভাল মানুহ হয়, সেইখন সংবিধান ভাল বুলিয়েই প্ৰমাণিত হব।" ❖

গল্প শিতান

বসন্ত ঋতুক ভাল পাওঁ

জয়ন্ত খনিকৰ

নিবেদিতাৰ মগজুত আজি অজস্ৰ চিন্তাই দৌৰি ফুৰিছে। বাৰাণ্ডাৰ আৰামী চকীখনত গাটো এৰি দি চিন্তাৰ সাগৰত ডুব গ'ল। জীৱনৰ ঘাত-প্ৰতিঘাত, খলা-বমা গছকি আজি দুকুৰি তিনিটা বছৰ পাৰ হ'ল। পাৰ কৰি অহা দিনবোৰৰ কথা ভাবি চকুৰ কোণেদি দুটোপাল অশ্ৰু বাগৰি আহিল, এনেকৈয়ে কিমান সময় পাৰ হৈ গ'ল তাই গমেই পোৱা নাছিল। মাকৰ ঘৰৰ ভিতৰৰ পৰা অহা মাতষাৰতহে তাই গম পালে যে আন্ধাৰতে বহি আছে। তাই মনতে ভাবিলে যে আজি তাই এটা স্থিৰ সিদ্ধান্ত লব আৰু অহাকালি ৰমেনক তাই লোৱা সিদ্ধান্তৰ বিষয়ে অৱগত কৰিব। তাই খৰধৰকৈ চকীৰ পৰা উঠি আহিল আৰু বাৰাণ্ডাৰ লাইটটো জ্বলাই দিলে।

নিবেদিতাৰ দেউতাক আছিল গড়কাপ্তনী বিভাগৰ অস্থায়ী কৰ্মচাৰী। বিভাগীয় মহৰীৰ অধীনত কাম কৰিছিল। চৰকাৰী বিভাগৰ পৰা অতি নূন্যতম মাননি পাইছিল। তিনিটা ল'ৰা-ছোৱালীৰে পেটে-ভাতে খাই জীয়াই আছিল। চৰকাৰী কাম কৰাৰ উপৰিও মহৰী আৰু বিভাগীয় অভিযন্ত্ৰাৰ ঘৰতো কাম কৰি দিবলগীয়া হৈছিল। অৱশ্যে তেওঁলোকৰ পৰা কিছু সকাহ নোপোৱাও নহয়। বিহু সংক্ৰান্তি আদিত নুন্যতম আৰ্থিক সঁহাৰি একোটা পাইছিল। দেউতাকেও নিজৰ বাৰীত হোৱা ভাতকেৰেলা, নেমুটেঙা, ঢেঁকীয়া মাজে মাজে যোগান ধৰিছিল।

হঠাৎ নিবেদিতাহঁতৰ পৰিয়ালটো ক'লা ডাৱৰে আৱৰি ধৰিল। অষ্টম শ্ৰেণীত পঢ়ি থাকোতেই মাত্ৰ দুদিন দেউতাক শয্যাগত হৈ চকু মুদিলে। সাঁচতীয়া বুলিবলৈ একোৱেই নাছিল। বিভাগীয় সকলোৰে সহায় সহযোগিতাত যেনে তেনে সামাজিক ৰীতি-নীতিৰে ক্ৰিয়া কৰমখিনি হ'ল। পিছলৈ খবৰলোৱা মানুহৰ সংখ্যা অতি সীমিত হৈ পৰিল। মাকে ঘৰৰ কাষৰে দুঘৰত ৰাতিপুৱা ঘৰ সৰা-মুচা কৰাৰ দায়িত্ব ল'লে। ওচৰৰে দুই এঘৰত ধান, চাউল জৰাৰ কামো কৰি দি মুঠতে কিবাকিবি কৰি পৰিয়ালটো চলাই নিবলৈ প্ৰচেষ্টা কৰিছে যদিও অভাৱে সিহঁতক চেঁপা মাৰি ধৰিলে। তাই স্কুললৈ যোৱাৰ পৰিমাণটো কমাই আনিলে। মাক নাথাকিলে ঘৰৰ কাম, ভাত ৰন্ধা, ভায়েক ভনীয়েকক চোৱাচিতা কৰাৰ দায়িত্ব কান্ধ পাতি ল'ব লগা হ'ল। গাঁৱৰ স্কুলৰ প্ৰধান

শিক্ষকজন অতি মৰমিয়াল আৰু সুহৃদয়ৰ আছিল। তেওঁ এদিন নিবেদিতাহঁতৰ ঘৰখনলৈ খবৰ ল'বলৈ আহি ক'লে যে, তাই স্কুল এৰিব নালাগে কিতাপ পত্ৰ তেখেতে সম্পূৰ্ণ ব্যৱস্থা কৰি দিব। কিবা নুবুজিলে বা নোৱাৰিলে শিক্ষকসকলে তাইক সহায় কৰিব। শিক্ষা জীৱনৰ প্ৰকৃত সময়তেই গ্ৰহণ কৰিব লাগিব। তেখেত ঘৰলৈ আহি খবৰ খাতি লৈ থাকিব বুলি মনত তাইকো বল দি থৈ গ'ল। তায়ো শিক্ষাৰ প্ৰতি থকা অগাধ হেঁপাহৰ বাবে বহু কষ্টৰে ভায়েক-ভনীয়েকৰ লগতে নিজৰো পঢ়া-শুনা আগবঢ়াই লৈ গ'ল। অভাৱ যাতে শিক্ষাৰ বাধা ৰূপে থিয় হ'ব নোৱাৰে সেইবাবে তাই দৃঢ় সংকল্পবদ্ধ। ভায়েক-ভনীয়েকক সকলো সময়তে উৎসাহ যোগাইছিল। এযোৰ সাজেৰে স্কুললৈ অহা-যোৱা কৰিছিল। বৰষুণৰ বতৰত কাপোৰ নুশুকালে পিছৰদিনা স্কুল খতি হৈছিল। এইদৰেই সময় বাগৰি হাইস্কুলৰ মূল পৰীক্ষা মেট্ৰিক দিবলৈ হ'ল। তাইয়ো বহু ৰাতিলৈকে টোপনি খতি কৰি কলমকে দৰিদ্ৰতাৰ মহা অস্ত্ৰ হিচাপে লৈ আগবাঢ়িল। প্ৰধান শিক্ষকৰ আশাক বাস্তৱত ৰূপ দি প্ৰথম বিভাগত দুখনত লেটাৰ মাৰ্ক পাই লৈ শিক্ষান্ত পৰীক্ষাৰ দেওনা পাৰ হ'ল। ঘৰলৈ আলহীৰ সোঁত বলিলে। নিবেদিতাক সকলোৰে ভূয়সী প্ৰশংসা কৰিলে। স্থানীয় ছাত্ৰ সন্থায়ো সম্বৰ্ধনা জনালে। উচ্চ শিক্ষাৰ বাবে কোনো কোনোৰে সহায়ৰ হাত আগবঢ়োৰ প্ৰতিশ্ৰুতি দিলে। মাকৰ চকুতো আনন্দৰ বন্যা। ভায়েক-ভনীয়েকেও দৃঢ় প্ৰতিজ্ঞ হ'ল অভাৱক নেওচি শিক্ষাৰ জ্ঞানেৰে ঘৰখন পোহৰাই তুলিব।

আজিকালি নিবেদিতা অতি ব্যস্ত। নিজৰ পঢ়াশুনাৰ লগতে স্থানীয় সৰু ল'ৰা-ছোৱালীৰ টিউচন লয়। আগতে পঢ়া স্কুলখন উচ্চতৰ মাধ্যমিকলৈ উন্নীত হোৱাত তাই পুৰণি স্কুলতেই আগৰ দৰেই মৰম-চেনেহ সহায়-সহযোগিতা শিক্ষকসকলৰ পৰা লাভ কৰিলে। নতুন উদ্যমেৰে জীৱন যুদ্ধত নামি পৰিল। বায়েক-ভনীয়েক দুটাও পঢ়াত কম নাছিল। সিহঁতৰ পঢ়াৰ প্ৰতি থকা ধাউতি দেখি নিবেদিতাই বৰ ভাল পায়। তাই সদায় অনুপ্ৰেৰণা যোগায় যে পৰিয়ালটোৰ নাম সমাজত স্বীকৃতিপ্ৰাপ্ত হ'ব লাগিব। নিবেদিতাৰ ভনীয়েক ভাল নাচনী। সুন্দৰ কণ্ঠ। ভায়েকেও ভাল ঢোল বজাব পাৰে। বিহুৰ দিনকেইটা সিহঁতৰ ঘৰখন ঢোলে গোম-গোমাই থাকে। লাহে লাহে সিহঁতে বিহুৰ প্ৰতিযোগিতা বিলাকত ভাগ লোৱা হ'ল। কেইবাটাও অনুষ্ঠানত শ্ৰেষ্ঠ বিহুৱতীৰ সন্মানে সন্মানিত হৈ আৰ্থিক অনুদান বুটলিবলৈ সক্ষম হৈছে। অভাৱ অনাটনৰ ঘৰখনত কিছু সকাহ। উচ্চতৰ শিক্ষাতো ভবাৰ দৰে প্ৰথম বিভাগত দুখন লেটাৰ সহ উত্তীৰ্ণ হৈ দূৰৰ মহাবিদ্যালয়ত নাম লগাবলৈ আগ্ৰহী নহল। তাই টিউচনৰ জৰিয়তে ভায়েক ভনীয়েকক পঢ়াবলৈ হে আগ্ৰহী।

ভগবানৰ কৃপা থাকিলে কিছুমান সমস্যা আপোনা আপুনি নাশ হয়। স্থানীয় এল.পি.স্কুলত শিক্ষকৰ প্ৰয়োজন হোৱাত নিবেদিতাই শিক্ষক হিচাপে নিয়োজিত হ'ল। ঘৰখনলৈ এতিয়া মাহেকীয়া এটা দৰমহা অহা হ'ল। তাইৰ পোৱা দৰমহা আৰু টিউচনৰ পৰা অহা টকা কেইটাৰে ঘৰখন চলিবলৈ বিশেষ অসুবিধা নোহোৱা হ'ল। সেয়েহে ভায়েকে-ভনীয়েকে মনপুতি পঢ়িব পৰা

হ'ল। সিহঁত দুটা উচ্চ শিক্ষাৰে শিক্ষিত হৈ সংস্থাপিত হ'ল। ঘৰখন এতিয়া জয় জয় ময় ময়, জীৱনৰ বহু মূল্যৱান সময় পাৰ কৰি লাহেকৈ তাই উশাহ লৈছে, কষ্টৰ বিনিময়ত সফল হোৱাত নিজকে গৰ্বিত অনুভৱ কৰিছে।

ভায়েক ভনীয়েকৰ কিন্তু তাইৰ প্ৰতি অগাধ মৰমও শ্ৰদ্ধা। তাইৰ খুউব ভাল লাহে সিহঁতে তাইৰ ত্যাগক সন্মান কৰাৰ বাবে। আজিকালি ল'ৰা-ছোৱালীবিলাকে জ্যেষ্ঠ জনক সন্মান কৰিবলৈ পাহৰি গৈছে। বাহিৰত শিক্ষা ল'বলৈ গৈ ঘৰমুখী হ'বলৈ ইচ্ছা নকৰে। তেনেস্থলত ইহঁতৰ স্বভাৱ চৰিত্ৰৰ বাবে নিবেদিতাই গৌৰৱ বোধ কৰে। আজিকালি সিহঁত ডাঙৰ হোৱাৰ বাবে বায়েকক বিয়াৰ বাবে হেঁচা দি থাকে। সিহঁতৰ কথা "আমাৰ বাবে বহুত ভাবিলা এতিয়া নিজৰ কথা ভাবা"। সংসাৰখন কৰা। নিবেদিতাই কয় এই বয়সত মোক কোনে বিয়া কৰাব। তোমালোকৰ লগতেই "কাবাব মে হাৰ্ডি"হৈ থাকিম। দিগদাৰ পালে কবা। তেতিয়া মই নিজৰ ব্যৱস্থা নিজে কৰি ল'ম। ভায়েকহঁতো নাচোৰ বান্দা বায়েকৰ বিয়া নহ'লে তিনিওটা এনেকৈয়ে একে লগে থাকিম।

নিবেদিতাৰ স্কুলত চাকৰি কৰা সহঃশিক্ষক ৰমেনৰ পত্নীৰ দুৰাৰোগ্য বেমাৰত চকু মুদিলে। থৈ গ'ল এগৰাকী কন্যা সন্তান। তাই সপ্তম শ্ৰেণীত পঢ়ে। মাকৰ মৃত্যুৰ আগে আগে তাইক মাকে মানসিকভাৱে দৃঢ় কৰি থৈ গৈছে। জীয়েকক কৈ থৈ গৈছে দেউতাকক পুনৰ বিয়া পাতি দিবলৈ আৰু সেইগৰাকীক নিজৰ মা বুলি মান্য কৰিবলৈ। এতিয়া তাইয়ো মাকৰ কথা মতে দেউতাকক দ্বিতীয় বিবাহৰ বাবে হেঁচা প্ৰয়োগ কৰিছে। ৰমেনেও এটা কথা উপলব্ধি কৰিছে যে এজনী গাভৰু ছোৱালী ঘৰত এৰি থৈ নিজৰ কাম বন কৰি ফুৰাত সমস্যা আছে। বহু ভাবি চিন্তি ৰমেনে এদিন নিবেদিতাহঁতৰ ঘৰলৈ আহি বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। নিবেদিতাই একেবাৰে অসন্মতি প্ৰকাশ কৰিলে। ভায়েক ভনীয়েকে ৰমেনক সন্মানেৰে বিদায় দিলে আৰু তেওঁ আগবঢ়োৱা প্ৰস্তাৱক গুৰুত্ব দিব বুলি জনালে। ঘৰখনত কেইবা দিন ধৰি এই বিষয়ৰ ওপৰত আলোচনা চলিল। নিবেদিতাৰ মনটো লাহে লাহে কুমলিল। ৰমেনৰ বিষয়ে ভাবোতে তাৰ ভাল বিনয়ী, স্বভাৱটো চকুৰ আগত ভাহি উঠিল। তাই মনে মনে এটা সিদ্ধান্ত কৰি পেলালে যে এইবাৰ তাই ৰমেনৰ ছোৱালীজনীকো মানুহ কৰি তুলিব। মাকৰ মৰমেৰে তাইক বান্ধি পেলাব। তাই অহাকালি এযোৰ সুন্দৰ পোছাক পৰিধান কৰি যাব যাতে ৰমেনে দেখা মাত্ৰেই উপলব্ধি কৰিব পাৰে তাৰ জীৱনলৈ পুনৰ বসন্তৰ আগমন ঘটিছে। নিবেদিতাৰ পৰশত ঠন ধৰি উঠিব তাৰ পজা। পুনৰ জাতিষ্কাৰ হৈ পৰিব চন্দ্ৰাৱলী নিশা। ভায়েক ভনীয়েককো পুৱাই চাহৰ টেবুলত জনাই দিব। বসন্ত ঋতুটো অথলে যাবলৈ নিদিওঁ, তঁহতি সাজু হ ৰমেনক আদৰি হ'বলৈ।❖

সাৰথি
(এক আলৌকিক অভিজ্ঞতা)

দণ্ড মটক

১৯৭১ চনতে গুৱাহাটীত পঢ়ি থকা সময়ৰ কথা।

ডিচেম্বৰ মাহৰ ঠেটুৰৈ ধৰা ৰাতি। ঘন কুঁৱলী ফালি মই দৌৰি আছো। কৰবাৰ পৰা তিনিতা ঘণ্টা বজাৰ শব্দ ভাহি আহিল। গম পালো সেয়া ৰাতি তিনি বজাৰ সংকেত। ইহ! ইমান সোনকালে দৌৰিবলৈ ওলাই আহি ভুল কৰিলো নেকি? মন টো অলপ গধুৰ হৈ পৰিল। উভতি যাওঁ নেকি—এবাৰ ভাবিলো। আমি সদায় একেলগে দৌৰা চিন্ময় আৰু তপনো আজি মোৰ লগত নাই। কিন্তু উভতি যাবলৈ মন নগ'ল। কাৰণ কলেজ সপ্তাহলৈ বেছি দিন নাই। দৌৰা অনুশীলন জাৰি নাৰাখিলে আগন্তুক মাৰাথন দৌৰত প্ৰাইজ পোৱা আশা বাদ দিব লাগিব।

ভৰি আৰু উশাহৰ ছন্দ মিলাই দৌৰি থাকিলোঁ। পথৰ কাষৰ দৰৰ বিজলী চাকি ভৰি আৰু উশাহৰ ছন্দ মিলাই দৌৰি থাকিলোঁ। পথৰ কাষৰ দূৰৰ বিজুলী চাকিবোৰ লাহে লাহে ওচৰ চাপি আহিছে। লগে লগে মই এৰি থৈ অহা ছাকি টোৰ পৰা অহা পোহৰত মোৰ ছাঁ টোও ক্ৰমান্নয়ে দীঘল হৈ আহিছে। পথৰ কাষৰ বন্ধ হৈ থকা দোকান বোৰৰ বাৰাণ্ডাত শুই থকা কুকুৰ বোৰে সাৰ পাই ভুকিছে। তাৰে দুই এটাই মোক খেদিও আহে। ভয়ো লাগে। কিন্তু সৰুতে সত্য ককাইদেউৰ পিছে পিছে দৌৰোতে এটা কথা শিকাইছিল। কুকুৰে খেদিলে ভয় খাব নেলাগে। তেতিয়া কুকুৰে হেনো নিজে নিজে আঁতৰি যায়। কুকুৰৰ ষষ্ঠ জ্ঞান (6th Sense) মানুহতকৈ অধিক থাকে বোলে। মইয়ো তাকে কৰিলো। ভয় খালেও, ভয় খোৱা যেন নেদেখুৱাই দৌৰি থাকিলোঁ। এনে কৰোঁতে মোৰ পৰা যে সিহঁতৰ একো ক্ষতি নহয় গম পাই কুকুৰবোৰ আঁতৰি যায়গৈ।

দৌৰি থাকোতে মাজে মাজে পিছলৈও চাই গলো। চিন্ময় কিজানি আহেই বা। হঠাৎ মোৰ পিছ ফালে দূৰত কোনোবা দৌৰি থকা যেন ভৰিৰ শব্দ শুনিলো। দূৰৰ পৰা দেখাত চিন্ময় যেন লাগিল। tracksuit পিন্ধি আছিল। মন টো ভাল লাগিল।

এনেকৈয়ে দৌৰি থাকোতে শিল পুখুৰীৰ পৰা কেতিয়া দীঘলীপুখুৰীৰ ওচৰ পালোগৈ গমেই নেপালো। আকৌ ঘুৰি চালো। চিন্ময় নাই দেখুন। অ! সি উভতি গল নেকি।

অলপ সময়ৰ পৰা কিনকিনিয়া বৰষুণ পৰাও আৰম্ভ কৰিছে।

এনেতে দীঘলীপুখুৰীৰ দক্ষিণ পূব ফালৰ কেঁকুৰি টো পালোগৈ। তাতে সোঁফালে ঘূৰিলো।

দীঘলীপুখুৰী টো এপাক দৌৰিলে এক কিলোমিটাৰ দৌৰা হয়। কিমাননো দৌৰিলো হিচাব ৰখাত সুবিধা হয়। সেয়েহে মোৰ নিচিনা কলেজত পঢ়ি থকা বহুতে তাত দৌৰি ভাল পায়।

বিজুলী খুঁটা এটাৰ ওচৰ পাওঁতে বিজুলী ছাকিৰ পোহৰত বৰষুণৰ লানি নিছিগা টোপাল বোৰ যেন সৰগৰ পৰা ঈশ্বৰে নিৰ্মালি হে ছটিয়াইছে এনে লাগিল।

দৌৰি আছো।

অলপ আগত এজোপা প্ৰকাণ্ড গছ আছে। শাৰী শাৰী গছ বিলাকৰ ভিতৰত সেইজোপা হয়তো সকলোতকৈ ডাঙৰ হ'ব। সেই গছ জোপাৰ তলতে এটা বিজুলী চাকি আছে। কিন্তু সেই বিজুলী চাকি টো আজি জ্বলি থকা নাই। বাল্‌বটো চাগে ফিউজ্ হৈছে। গছৰ তলটোও এন্ধাৰ হৈ আছে।

দৌৰি দৌৰি গছ জোপাৰ ঠিক তল পাইছো। হঠাতে কিবা এটা হ'ল। বৃহৎ ছাতিৰ দৰে আবৰি থকা গছ জোপাৰ পৰা বিয়াগোম পানী ভৰ্ত্তি মাটি কলহ এটা মোৰ ঠিক ভৰিৰ গোৰোহাৰ পিছ ফালেই পৰিলহি আৰু প্ৰচণ্ড শব্দ কৰি ভাঙি চৰমাৰ হৈ গ'ল। কলহৰ পানীবোৰ পকা ৰাস্তাটোত সিঁচৰিত হৈ গ'ল। মই নেদেখাকৈয়ে এই গোটেইখিনি অনুমান কৰিব পাৰিলোঁ। মোৰ ভাব হ'ল, মই দৌৰি থাকোতে অলপ আগফালে যদি মই হাউলি নেথাকিলো হয়, কলহ টো মোৰ মূৰতে পৰিল হয়। হে ভগৱান! আজি মৰিলো হয়। ভাবিয়েই গাৰ নোম শিয়ৰি গ'ল।

লগে লগে উভতি চালো। কি আচৰিত, তাত একোৱেই নাই। মাত্ৰ ক'লা পকী ৰাস্তা টো। নিমজ। পৰিষ্কাৰ। মাত্ৰ দুই এটা পাত ইফালে সিফালে পৰি আছে।

মই গম পাই গ'লো। আজি মোক কিবা বেয়া বস্তুৱে লগ পালে। মই শিলপুখুৰীৰ পৰাই উভতি নগৈ ডাঙৰ ভুল কৰিলো।

দৌৰৰ গতি হঠাতে বঢ়াই দিলো। বুকুৰ ধপধপনি ৰ শব্দত ভৰিৰ খোজৰ শব্দ যেন তল পৰি গ'ল।

মই যিমান বেগেৰে দৌৰিব পাৰো দৌৰিব আৰম্ভ কৰিলো। অলপ গৈ দেখিলো সোঁফালে থকা কটন ছোৱালী ছাত্ৰীবাস ৰ দ্বিতীয় মহলাৰ বাৰাণ্ডাত এটা বাল্‌ব জ্বলি আছে আৰু দুৱাৰ এখন খুলি কোনোবা ছোৱালী এজনী বাৰান্দালৈ ওলাই আহিছে। তাকে দেখি মোৰ বুকুৰ ধপধপনি অলপ কমিল। অন্ততঃ ওচৰতে কোনোবা সাৰ পাই আছে। আৰু অলপ দূৰ গৈ দেখিলো পুখুৰী টোৰ বাওঁফালে ঘূৰা কেঁকুৰি টো ৰ অলপ আগত বগা ধূতি কুৰ্তা পিন্ধা এজন মানুহ লাহে লাহে খোজকাঢ়ি গৈ আছে। মানুহ জনৰ মূৰত বগা পাগুৰী। মোৰ ভাব হ'ল এই মানুহজনক মই যেন কৰবাত দেখিছো। মোৰ যেন কোনোবা ঘনিষ্ঠ পৰিচিত ব্যক্তি। কিন্তু একো মনত পেলাব নোৱাৰিলোঁ। মোৰ ভয় আৰু অলপ কমিল। দৌৰৰ গতিবেগ অলপ মন্থৰ কৰিলো। কেঁকুৰি টোত বাওঁফালে ঘূৰিলেই মানুহ জনৰ ওচৰ পামগৈ। সোনকালেই কেঁকুৰি টো পাৰ হ'লো। কিন্তু কি আচৰিত। মানুহ জন নাই। মানুহৰ একো চিনচাবেই নাই। ভাবিলো, মই অন্য মনস্ক হওঁতেই মানুহজন চাগে কোনোবা ফালে গ'ল।

এইদৰেই ভাবি গুণি দৌৰি থাকোঁতে মোৰ এপাক দৌৰা সম্পূৰ্ণ হ'ল। আগতে ভাবিছিলো আজি আৰু নদৌৰোঁ। কিন্তু দীঘলীপুখুৰীৰ পূব-দক্ষিণ চুকটো পাওঁতে কলহ পৰা ঠাই টুকুৰা আকৌ এবাৰ চাব মন গ'ল। ভবা মতেই লগে লগে বাওঁফালে ঘুৰি দৌৰিব আৰম্ভ কৰিলো। সাৱধানে চাই গ'লো। কলহৰ ভাঙি থকা টুকুৰা বা আন কিবা দেখো নেকি। কিন্তু নাই। একো নাই। সকলো

নিস্তব্ধ। মাথো হাড় কঁপোৱা শীতল বতাহৰ হো-হোৱনি। দুই এটা ৰাতি ফুৰা চৰাইৰ নিস্তব্ধতা ভঙ্গ কৰা মাত।

ইতিমধ্যে বৰষুণ নোহোৱা হৈছে। মই উভতনি যাত্ৰা আৰম্ভ কৰিলো। উভতি আহোঁতে চিন্ময়ক দেখা পাওঁ নেকি বুলি মন কৰি গলো। কিন্তু দেখা নেপালো। এটা সময়ত নিজৰাপাৰ পাহাৰৰ ওপৰত থকা আমাৰ ঘৰ পালোগৈ। তেতিয়া পূৱ দিগন্তত মৃদু আভাৰ আবৰণ আবিৰ্ভাৱ হব ধৰিছে। হাত মুখ ধুই আকৌ বিচনাত পৰিলোঁ।

পুৱা ৯ মান বজাত কলেজলৈ বুলি খোজ ল'লো। কলেজ পাইয়েই চিন্ময়ক বিচাৰিলোঁ। সি এটা কোঠাত কেইজনমানৰ লগত আড্ডা মাৰি আছিল। গৈয়েই তাক কলো, "তই ৰাতিপুৱা আধা বাটৰ পৰাই কিয় উভতি আহিলি?"

সি আচৰিত হৈ ক'লে, "মই দেখোন আজি দৌৰিব যোৱাই নাই। বৰষুণ দিয়া বাবে নগ'লো। হে ঈশ্বৰ! এইবোৰ কি হব ধৰিছে।

মোৰ ৰাতিপুৱা দৌৰোতে হোৱা গোটেইখিনি ঘটনা সকলোকে বিবৰি ক'লো।

সকলো আচৰিত হ'ল। লগতে মোৰ যে একো বিপদ নহ'ল, আটায়ে স্বস্তিৰ নিশ্বাস পেলালে। পিছদিনা পুৱা। বাতৰি কাকত দিয়া ল'ৰা জনে The Assam Tribune বাতৰি কাকত খন বাৰাণ্ডাতে দি থৈ গ'ল। কাকত খন আনি মোৰ পঢ়া মেজ খনত বহি শিৰোনামবোৰত চকু ফুৰালো। এটা সৰু বাতৰিত চকু পৰিল। সচৰাচৰ থকা দৰেই তাৰিখ (dateline) আছিল যোৱা কালিৰ। বাতৰিটোৰ অসমীয়া ভাবান্তৰ আছিল এনে ধৰণৰ ঃ দীঘলীপুখুৰীৰ পাৰত মৃতদেহ উদ্ধাৰ। আজি পুৱাই দীঘলীপুখুৰীৰ পাৰত কটন কলেজ ছাত্ৰীবাসৰ ওচৰত এটা মৃতদেহ উদ্ধাৰ হৈছে। নীলা বগা tracksuit পৰিহিত ডেকা লৰা জনৰ মূৰত কিবা গধুৰ বস্তুৰে আঘাত কৰা যেন অনুমান হয়। আৰক্ষীয়ে অনুসন্ধান জাৰি ৰাখিছে।

হে ভগৱান, সেই মৃতদেহ টো মোৰো হব পাৰিলে হয়, যদিহে মই দৈৱক্ৰমে ৰক্ষা নপৰিলো হয়। কাকত খন পঢ়া মেজত দলিয়াই দি বহি থকা চকী খন অকণমান পিছ ফালে হাওলাই মই ওপৰলৈ চাই পঠিয়ালো। মোৰ পঢ়া মেজৰ সমুখৰ বেৰত আৰি থোৱা ডাঙৰ ফটো খনত মোৰ চকু পৰিল। মোৰ প্ৰয়াত দেউতাৰ ফটো। দুবছৰ আগতে তেখেতৰ দেহাৱসান হৈছে। কিন্তু ফটো খন বহু বছৰ আগৰ। কোনোবা নামঘৰৰ সন্মুখত ঠিয় হৈ উঠা ফটো। বোধকৰোঁ গায়ন বায়নৰ বাবে সাজু হৈ আছিল। বগা ধুতি কুৰ্তা আৰু মূৰত বগা পাগুৰী। ফটো খনত তেখেতে যেন মোলৈকে চাই আছে, এনে লাগিল। মোক যেন সাৱধানে থাকিবৰ বাবে উপদেশ দিছে।

হঠাৎ তেখেতৰ মৃত্যুৰ কেইদিনমানৰ আগতে মোক কোৱা কথা এযাৰ মনত পৰিল। তেখেত সংকটজনক ভাৱে অসুস্থ হৈ পৰাত ভাল চিকিৎসাৰ বাবে গুৱাহাটী লৈ আহিবৰ সময়ত মই কেতিয়া উভতি আহিব সুধিছিলো। তেখেতে মোৰ মূৰত হাত ফুৰাই কৈছিল, "সোনকালেই আহিম। তই চিন্তা নকৰিবি। মই সদায় তোৰ লগতে থাকিম। সাৰথি হৈ।"

কেইদিন মানৰ পিছত তেখেত আহিল। কিন্তু অকল শৰীৰটোহে আহিল। নিৰ্জীৱ শৰীৰটো। মনটো দীঘলীপুখুৰীৰ পাৰলৈ উৰি গ'ল। তাত দেখা পোৱা বগা ধুতি কুৰ্তা পিন্ধা মানুহ জনক কিয় ইমান চিনাকি যেন লাগিছিল হঠাৎ যেন বুজি পালো।

(মোৰ The Detached Soul নামৰ বাস্তৱ ঘটনাৰ ওপৰত আধাৰিত ইংৰাজী গ্ৰন্থ খনৰ এটা অধ্যায়ৰ সংক্ষিপ্ত অসমীয়া সংস্কৰণ) ❖

দিছপুৰৰ বিহু

ড° সত্যব্ৰত বৰুৱা

ব'হাগৰ বিহুত প্ৰতি বছৰে গাঁওৰ ঘৰখনলৈ যোৱাটো মোৰ একপ্ৰকাৰৰ অলিখিত নিয়ম। ঘৰলৈ যাম বুলি ভাবিয়েই কলেজৰ কাম শেষ কৰি গাড়ীখনত বহি মোবাইল ফোনটো ওলিয়াই নয়নক ডায়েল কৰিলোঁ। "মায়াবিনী ৰাতিৰ বুকুত" বাজি বাজি শেষ হ'ল। নাই, ফোনটো ৰিচিভ নকৰে। গানটো শুনো বুলিয়েই বাৰে বাৰে ডায়েল কৰি আহি আছোঁ। সিফালৰপৰা নয়নে অশ্লীল মাত এটা মাতি ক'লে — "ইলেকচনৰ কামত আছোঁ, পিছত কল কৰিম।" মই "হ'ব" বুলি ক'বলৈ নাপাওঁতেই ফোনটো কাটি দিলে। বুজি পালোঁ তাৰ ব্যস্ততা।

ট্ৰেফিক ফালি ফালি আহি গণেশগুৰি নাপাওঁতেই নয়নে ফোন কৰিলে। নয়ন মোৰ বাল্যবন্ধু। অকল বাল্যবন্ধুয়েই নহয়, ছাতিধৰা বন্ধু। ফোনটো তোলাৰ লগে লগে তাৰ স্বাভাৰিক প্ৰশ্নটো আৰম্ভ কৰিলে — "বিহুত ঘৰলৈ কোনদিনা আহিবি?" মই ঘৰলৈ গ'লে সচৰাচৰ তাক আগতীয়াকৈ ফোন কৰোঁ। মই উৰুকাৰ আগদিনাই যাম বুলি কোৱাৰ লগে লগে তাৰ প্লেনিং আৰম্ভ হৈয়ে গ'ল — ক'ত ক'ত যাম, কি কি খাম।

নয়নে জনালে যে এইবাৰ গাওঁৰ বিহু সন্মিলনখন আগতীয়াকৈ পাতিব। সি হেনো এইবছৰৰ বিহু সন্মিলনৰ সম্পাদক। ঘৰৰপৰা আঁতৰত থকাৰপৰা সন্মিলনখন কোনো দিনেই উপভোগ কৰিব পৰা নাই। সন্মিলনৰ যো-জা চলোতেই কামৰ তাগিদাত মই উভটিব লাগে। অকল ময়েই নহয় —শচীন, পংকজ, নৰ, বুবুল, কৌশিকেও ভালেকেইবছৰ সন্মিলনখনত থাকিব পৰা নাই। সকলোৰে একেই সমস্যা। কথাটো শুনি মোৰ বৰ ভাল লাগিল।

ছিৰিয়াছ কথা-বতৰাৰ মাজতে সি ক'লে বিহু আলোচনীৰ এইবাৰ সম্পাদকো সলনি হৈছে। মই ক'লোঁ —"ভাল কথা, কোন?" সুধিবলৈ নাপাওঁতেই তপৰাই সি মাত দিলে—"সম্পাদক নহয়, এইবাৰ সম্পাদিকা!" কথাৰ ইংগিতত মই কাৰ কথা কৈছে বুজিবলৈ বাকী নাথাকিল। কলেজত পঢ়ি থাকোঁতে আলোচনী সম্পাদকৰ পদত মোৰ বিপক্ষে এগৰাকীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াই বৰ বেয়াকৈ হাৰিছিল। পাছত বাৰু আমাৰ মাজত বহুত ভাল বন্ধুত্ব হৈছিল। বন্ধুত্বহে

দেই, বেলেগ একো ভাবিব নালাগে। নহ'লে এতিয়া ঘৰৰ চৌকা নজ্বলিব। তাইক আমাৰ লগৰবোৰে "সম্পাদিকা" বুলিয়েই জোকাইছিল। সেই সম্পাদিকাই এইবছৰ বিহু আলোচনীৰ সম্পাদিকা।

কথাৰ মজা লৈ লৈ দুয়ো বহুত হাঁহিলোঁ। এনেতে কলেজৰ অফিচৰ ফোনটো আহিল। মই "পিছত কল কৰিম" বুলি কৈ লগে লগে ফোনটো কাটি দিলোঁ। সিফালৰপৰা অনন্তদাৰ মুখৰপৰা মাত এটা ভাঁহি আহিল—"ছাৰ, আপোনাৰো আহিছে।" অলপ সময়ৰ বাবে মোৰ মনটো সেমেকি গ'ল। ভাবিলোঁ সকলো পৰিকল্পনা ধোঁৱাচাঙত উঠিল। মই সুধিলোঁ—"আৰু কাৰ কাৰ আহিছে?" নামবোৰ এফালৰপৰা কৈ গ'ল বুজি পালোঁ এইবাৰ ইলেকচনত কোনো বাচি যোৱা নাই। মই "হ'ব" বুলি কৈ ফোনটো কাটি দিলোঁ। মনে মনে ভাবিলোঁ চৰকাৰী চাকৰি কৰিছোঁ যেতিয়া, নিৰ্বাচনৰ দায়িত্ব পালন কৰাটোও নৈতিক কৰ্তব্য।

কথাবোৰ ভাবি থাকোঁতেই ষষ্ঠ ইন্দ্ৰিয়ই যেন কিবা এটা বেলেগ ইংগিত দিলে। গাড়ীখন পাৰ্কিং কৰি লৰালৰিকৈ পকেটত খেপিয়াব ধৰিলোঁ। যি ভাবিছিলোঁ সেয়াই হ'ল। কি কৰোঁ এতিয়া? লগে লগে ধনজিতক ফোন কৰিলোঁ। নাই, সিও ইতিমধ্যে কলেজৰপৰা ঘৰমূৱা হৈছে। দেৰীকা বা ৰবনীক ক'লে কামটো হ'ব, কিন্তু ইমান ট্ৰেফিক ঘূৰি গৈ কলেজ পাওঁমানে মোৰ অৱস্থা বেয়া হ'ব। ঘৰত ইফালে আদিও নাই পৰীক্ষা শেষ হোৱা বাবে মোমায়েকৰ ঘৰলৈ গৈছে। শৰ্মিষ্ঠাই আজি ইউনিভাৰ্চিটিৰপৰা আহোঁতে দেৰি হ'ব বুলি ৰাতিপুৱাই কৈ গৈছে। এই ঘৰৰ ছাবি য'তে-ত'তে এৰি অহাটো মোৰ বৰ বেয়া অভ্যাস।

কি কৰোঁ কি নকৰোঁ বুলি ভাবি থাকোঁতেই নয়নৰ ফোনটো আকৌ বাজিল। মনৰ খেলিমেলিত ফোনটো ধৰা নহ'ল। যি হয় হ'ব বুলি আগুৱাবলৈ লওঁতেই এইবাৰ জয়ন্তৰ ফোন আহিল। সি বৰ ভাল ল'ৰা, একেবাৰে দিলদাৰ। ফোনটো ধৰোঁতেই সিফালৰপৰা নয়নে মাত দিলে—"কি, সম্পাদিকাৰ কথা শুনি আত্মবিভোৰ হৈ গ'লি নেকি? মোৰ ফোন ৰিচিভ কৰা নাই যে!" অ', মানে দুয়োজন মহাপুৰুষ একেলগে আছে।

এই মুহূৰ্তত নয়নক মোৰ অৱস্থাৰ কথা বুজাই লাভ নাই। গতিকে আগৰ কথাবোৰতেই থকা ভাল বুলি ভাবি সুধিলোঁ —"বিহুৰ আয়োজন কেনে চলিছে?" সি যোৱা বছৰৰ গৰু বিহুৰ ঘটনা পৰিঘটনা ৰোমন্থন কৰিবলৈ আৰম্ভ কৰিলে।

সঁচাকৈয়ে গৰুৰ বিহু দিনা ঘৰৰ গোধনক সেৱা-সৎকাৰ কৰি ৰাতিপুৱাই পটাত পিহি লোৱা মাহ-হালধিৰে নোৱাই, শিঙত তেল সানি, কপালত ফোঁট দি দীঘলতি আৰু মাখিয়তীৰ ঠাৰিৰে কোবাই ওচৰৰ নামদাং নৈত সমূহীয়াভাৱে গা ধুৱাই পোৱা আনন্দ কেতিয়াও পাহৰিব নোৱাৰোঁ।

"লাউ খা, বেঙেনা খা, বছৰে বছৰে বাঢ়ি যা," বুলি গৰুৰ গাত নামাৰি, চিত্ৰৰঞ্জনে বিতুলৰ গাত থেকেৰা এটা মৰাক লৈ যি কাজিয়াৰ সূত্ৰপাত হৈছিল সেইয়া এতিয়াও মনত পৰে। অৱশ্যে গধূলি গাঁওবুঢ়াৰ ঘৰত হুঁচৰি মৰাৰ আগেয়ে

চিত্ৰই তামোল-পাণ দি সেৰা লোৱাৰ লগে লগে বিতুলৰ চকু চলচলীয়া। সেইবোৰেই ককাই ভাই কাজিয়া— "দেৱ দেৱ মহাদেৱ নীলগ্ৰীৱ জটাধৰ। বাত বৃষ্টি হৰংদেৱ মহাদেৱ নমস্তুতে।"

গৰু বিহুৰ দিনাই ভগৱান শিৱলৈ প্ৰাৰ্থনা জনাই নাহৰ পাতৰ বিপৰীত অংশত এই মন্ত্ৰটি লিখি ঘৰৰ দুৱাৰ-খিৰিকীৰ কোণত লগোৱা নিয়মবোৰ শিকাবলৈ গোলাপ আজি নাই। বৰ দুখ লাগে।

মই মাজতে কলো — "বাদ দে এইবোৰ"। নয়নে এইবাৰ ৰুক্মিণীনগৰত আমি চোতাল বিহু মৰা পৰম্পৰাৰ কথা উলিয়ালে। মই বুজি পাইছোঁ সি এইবাৰ গাঁওৰ বিহু সন্মিলনখন অলপ ব্যতিক্ৰমী ৰূপত পতাৰ কথা ভাবিছে। নহ'লে সি এইবোৰ কথা ফোনত ইমান দীঘলীয়াকৈ সোধা মানুহ নহয়।

মাজতে কথাৰ প্ৰসংগ সলাই সুধিলোঁ তাৰ মেজিকখনৰ কথা। তাৰ মেজিকখন গুৱাহাটীৰ মানুহ এটাক কেতিয়াবাই বিক্ৰী কৰিলে- সেই কথাটো মই জানিছিলোঁ যদিও পাহৰি থাকিলোঁ। মেজিক গাড়ীখন দেখাতহে সৰু, কিন্তু বহুত মানুহ যাব পাৰে। বিহুদলসমূহে ওচৰে-পাজৰে বিহু মাৰিবলৈ এইখন গাড়ী বহুত ব্যৱহাৰ কৰে। আমিও সিহঁতৰ মেজিক গাড়ীখন লৈ বহুত বিহু মাৰিছিলোঁ।

আমি কথাবোৰ যিমানেই সলাবলৈ চেষ্টা কৰিছোঁ, আকৌ ঘূৰি ঘূৰি বিহুৰেই পাওঁহি। নহ'বনো কিয়! বিহু আহি দুৱাৰদলিত। সি কথাৰ মাজতে মোৰ মনৰ কথাটোকে কৈ পেলালে — "এইবাৰ বিহু সন্মিলনখন একেবাৰে ব্যতিক্ৰমী হ'ব, চাই থাকিবি।জুবিনদা বিহীন এইখন প্ৰথম ৰঙালী বিহু। গতিকে নাচ গানতকৈ অনিল শইকীয়া চাৰৰ নিচিনা জ্ঞানী গুণীসকলক নিমন্ত্ৰণ কৰি বক্তৃতানুষ্ঠান পাতিম।" নয়নৰ কথাখিনি শুনি মোৰ বৰ ভাল লাগিল। মই তাক সম্পূৰ্ণ সহযোগিতা কৰিম বুলি কথা দিলো। মনে মনে ভাবিলোঁ ভাষণ শুনিবলৈ জানো মানুহ আহিব।বাৰু সময়ত দেখা যাব।

"বিহুৰে বতৰত নাচোঁ নাচোঁ মন,
নাচিম নাচিম দেহা নেলাগেনে মন"

কথা মতে বিহু আহি পালেহি। নিজৰ মেজিকখন বিক্ৰী কৰিলে যদিও এসময়ত মেজিক সংস্থাৰ সম্পাদক হোৱাৰ বাবেই নয়নে এইবাৰ বিহুত মেজিক গাড়ী ৰাস্তাত নধৰা কৰি দিছে। সঁচাকৈয়ে ব্যতিক্ৰম।

অনুষ্ঠান আৰম্ভ হোৱাৰ আগতেই হাজাৰ হাজাৰ চিনাকী-অচিনাকী মানুহৰ সমাগম হৈছে। সঁচাকৈয়ে ব্যতিক্ৰম।

বিহুৰ প্ৰথমটো অনুষ্ঠানতেই জনপ্ৰিয় কণ্ঠশিল্পী সুভাস দাসে এটাৰ পিছত এটা গীত পৰিৱেশন কৰিছে, কিন্তু কোনেও ভালকৈ উপভোগ কৰা নাই। সঁচাকৈয়ে ব্যতিক্ৰম।

মহিলাসকলে ডিঙিত একোখনকৈ গামোচাজাতীয় কিবা পিন্ধিছে, কোনো কোনোৱে টুপিও পিন্ধিছে। সঁচাকৈয়ে ব্যতিক্ৰম।

তাৰ মাজতে মন কৰিলোঁ বহু বছৰ ধৰি বিহুত জড়িত হৈ থকা পলাশ, মৃদুল, গৌতম, ৰূপজ্যোতি, সীমান্ত, শুক্লে, পিংকু, কুকিল, প্ৰসেন, অজ্ঞয় সকলোকে বিহুৰপৰা বাহিৰ কৰি নতুন সমিতি গঠন কৰিছে। সঁচাকৈয়ে ব্যতিক্ৰম।

অ' আৰু এটা কথা কোৱাই নাই। শুকুৰবাৰে সদায় দোকান বন্ধ ৰখা গুনীনদাৰ নিচিনা মানুহটোক বিহু বুলিয়েই দোকান খুলিবলৈ বাধ্য কৰি দিছে নয়নে। সঁচাকৈয়ে ব্যতিক্ৰম।

এনেতে ঘোষকে ঘোষণা কৰিলে আজিৰ মুকলি সভাৰ নিৰ্দিষ্ট বক্তা অলপ সময়ৰ পিছতেই আহি উপস্থিত হ'ব। গতিকে হুঁচৰি আৰম্ভ কৰিব লাগে। অতিথি অহাৰ আগতেই সাংস্কৃতিক অনুষ্ঠান, হুঁচৰি পৰিবেশন- সঁচাকৈয়ে ব্যতিক্ৰম।

নিৰ্দিষ্ট বক্তা আহি পাবহি বুলি শুনি মনটো কিবা এটা ভাল লাগি গ'ল। মোৰদৰে সকলো দৰ্শকৰেই দেখোন দুগুণ উৎকণ্ঠা। আজিকালি বিহুত ভাল গায়ক নামাতিলে মানুহেই নাথাকে।

মনে মনে ভাবিলোঁ নয়নে বৰ আশ্চৰ্যকৰ কাম এটা কৰি দিলে। ইমান আশ্চৰ্যকৰ কাম সি কৰিব পাৰিব বুলি মই ভবাই নাছিলোঁ। কথাবোৰ ভাবি থাকোঁতেই দুজনমান মানুহ আহি বিহুৰ আনন্দতেই মোৰ গাড়ীখনত পিছফালৰপৰা ধমধমাবলৈ ধৰিলে। এজনে মোৰ কাষলৈ আহি মোক উদ্দেশ্যি কিবা এটা কোৱা যেন অনুমান হ'ল পিছফালে ঘূৰি চাই দেখোঁ নিৰ্দিষ্ট বক্তা আহি উপস্থিত হৈছে। নিৰ্দিষ্ট বক্তাক সকলোৱে গৈ ঘৰৰপৰা সমদল কৰি আদৰি আনিছে। বক্তৃতা দিয়া মানুহক ইমান সন্মান জনোৱা আজিলৈকে মই ক'তো দেখা নাই। মই এতিয়াহে বুজিছোঁ নয়নৰ চিন্তাধাৰা সঁচাকৈয়ে ব্যতিক্ৰম।

লাহে লাহে পিছফালৰ ধ্বনিবোৰ অলপ অপ্ৰাসঙ্গিক যেন লাগিলত গাড়ীৰ গ্লাছখন খুলি চাওঁতেহে গম পালোঁ উৰহি গছৰ ওৰ। ধেইৎ! মইনো ইমান আত্মবিভোৰ হ'ব লাগেনে! আপুনিও অভিভূত হ'ব কথাটো শুনিলে। এই নিৰ্দিষ্ট বক্তাজন আচলতে কোনো বক্তা নহয়; এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা এগৰাকী প্ৰাৰ্থীহে। তেখেতে ৰুক্মিণীনগৰ বিহুতলিত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিবলৈ আহিছে। মই মনতে ভাবিলোঁ- নয়নৰ নহয়, দিচপুৰৰ বিহুহে ব্যতিক্ৰমী।

নয়নৰ ফোনটো এতিয়াও লাগিয়েই আছে। মই "হেল্ল' হেল্ল' বুলি কওঁতে সি ভাগৰুৱা মাতৰে ক'লে —"শোওঁ দে, দিনটো ইলেকচনৰ কাম কৰি বৰ ভাগৰ লাগিছে।"❖

গামোচা

কুংকুম সাধনিদাৰ বৰুৱা

পুৱা নিজৰ শৰীৰটো টানি লৈ উঠি অলপ সময় বিচনাতে বহি থাকিল পূৰবীয়ে। আগদিনা বহু নিশালৈকে তাই গামোচা বৈ আছিল বাবেই চাগে তাই ভাগৰ অনুভৱ কৰিছিল। দূৰৰ পৰা ঢোলৰ মাত শুনি তাইৰ মনটো উলাহতে নাচি উঠিল। এনেদৰে বহি থাকিলে নহ'ব বুলি খৰধৰকৈ তাই বিচনাৰ পৰা নামি গা-ধোৱা ঘৰত সোমাল।

অলপ সময়ৰ পিছতে পূৰবীৰ বান্ধবী জোনালী আহি পালে। আহিয়েই চিঞৰ-বাখৰ কৰি ক'লে, 'অই, তই এতিয়াও ওলোৱাই নাই। মেলা আৰম্ভ হ'ব হ'ল। বল, বল।'

পূৰবীয়ে মেখেলা-চাদৰ যোৰ অলপ ঠিক কৰি গামোচাৰ টোপোলাটো হাতত লৈ জোনালীৰ লগত ওলাই আহিল।

পূৰবী আৰু জোনালী দুয়ো পাৰলি গাঁৱৰ গাভৰু। আচলতে জোনালী পূৰবীৰ বৰদেউতাকৰ ছোৱালী। দুয়োজনী একেলগে ডাঙৰ হৈছে।

পাঁচ বছৰ বয়সত পূৰবীয়ে মাকক হেৰুৱায়। দেউতাকে অশেষ কষ্ট কৰি তাইক মাক-দেউতাক দুয়োৰে দায়িত্ব পালন কৰি ডাঙৰ-দীঘল কৰিছিল। এইখিনি কৰোঁতে তেওঁক ককায়েক-বৌয়েকেও যথেষ্ট সহায় কৰিছিল।

দেউতাক গুৱাহাটীত ফ্লাইঅভাৰ বনোৱাৰ কামত নিয়োজিত হৈ থকাৰ বাবে পূৰবী ঘৰত অকলে আছিল। বৰদেউতাকহঁতে তাইৰ খা-খবৰ লৈ থাকে আৰু জোনালীটো তাইৰ ছাঁৰ দৰে। দুয়ো স্থানীয় যুৱ সংঘটোৰ সদস্যা। সেই সংঘয়ে ব'হাগী মেলা এখন আয়োজন কৰিছে। সেই মেলাত পূৰবী আৰু জোনালীয়ে নিজ হাতেৰে বোৱা গামোচা বিক্ৰী কৰিব। এক বৃহৎ আয়োজন। কিমান যে মানুহৰ সমাগম হৈছে। ক'ত যে সামগ্ৰী। থলুৱা খাদ্য, মেখেলা-চাদৰ, অসমীয়া গহনা, বিভিন্ন ধৰণৰ আচাৰ, পিঠা-পনা আদিৰে ভৰি পৰিল।

পূৰবীৰ মাথোঁ এটাই চিন্তা যে গামোচা বিক্ৰী কৰি পোৱা টকাৰে ঘৰটোৰ বেৰাখন বনাব। দুমাহৰ আগতে এটা দতাল হাতীয়ে সিহঁতৰ ঘৰৰ বেৰাখন ভাঙি পেলাইছিল।

গ্ৰাহক এজন-দুজনকৈ আহিবলৈ ধৰিলে। গামোচাও বিক্ৰী হৈছে ভালেখিনি। মাজতে ৰমলা নামৰ সৰু ছোৱালী এজনীয়ে সিহঁতক নাৰিকলৰ লাৰুৰ সৈতে চাহ দি গ'ল।

মানুহৰ ভীৰ হ'বলৈ আৰম্ভ কৰিছিল। কিছুমান গ্ৰাহকে কেৱল গামোচাবোৰ লিৰিকি-বিদাৰি চাই দামটো সুধি গুচি যায়। পূৰবীৰ তাকে দেখি অলপ খং উঠিছিল, প্ৰথমতে; পিছত সেয়া সাধাৰণভাৱে লৈছিল।

দুপৰীয়া সময়ত মানুহৰ সমাগম অলপ কমিছিল। ঠিক সেই সময়তে কাৰোবাৰ কান্দোনৰ শব্দ সকলোৰে শুনা পালে, আৰু কিনো হৈছে তাকে চাবলৈ মানুহবিলাকৰ লগতে পূৰবী আৰু জোনালীয়েও গ'ল। গৈ এয়া কি দেখা পালে-এজনী সৰু ছোৱালীয়ে এগৰাকী মহিলাৰ কাষত বহি কান্দি আছিল, আৰু ছোৱালীজনী আন কোনো নহয়, ৰমলা আছিল।

ৰমলা আৰু মাকক সকলোৰে জানে। মানুহজনৰ মৃত্যুৰ পিছত ৰমলাৰ মাকে সৰুকৈ চাহ আৰু ঘৰত বনোৱা লাৰু-পিঠাৰ দোকান দি চলি আছে। কিন্তু এয়া হঠাতে কি ঘটিল?

মানুহজনী নিথৰ হৈ পৰি আছিল আৰু কোনো ওচৰলৈ যোৱা নাছিল। পূৰবীয়ে ৰমলাৰ মূৰত হাত বুলাই মাকক ওচৰৰ পৰা প্ৰত্যক্ষ কৰি দেখা পালে যে উশাহ লৈ আছিল, কিন্তু একেবাৰে শেতা পৰি গৈছে মুখখন।

কোনোবা এজনে পানীৰ বটল এটা পূৰৱীৰ হাতত দিলে আৰু তাই মাকগৰাকীৰ মুখত অলপ-অলপকৈ ছটিয়াই দিছিল।

পূৰবী আৰু জোনালীয়ে ততাতৈয়াকৈ এখন গাড়ী বন্দোবস্ত কৰি মানুহগৰাকীক ওচৰৰ হাস্পতাললৈ যাবলৈ সাজু হ'ল, আৰু লগত দুজন সংঘৰ সদস্যও যাবলৈ ওলাল।

সেই সময়ত পূৰবীয়ে পাহৰি গ'ল তাইৰ গামোচাৰ কথা, ঘৰৰ ভঙা বেৰাখনৰ কথা। তাইৰ এটাই চিন্তা-এতিয়া ৰমলাৰ মাকক সুস্থ কৰি তুলিব লাগে, নহ'লে যে ৰমলাৰ ভৱিষ্যত অন্ধকাৰ হ'ব।

পূৰৱীৰ দৃঢ়তা দেখি সকলোৰে তাইক প্ৰশংসা কৰিলে আৰু জোনালীয়ে দৌৰি গৈ এখন গামোচা পূৰৱীৰ ডিঙিত পিন্ধাই দিলে।

সিহঁত দুয়ো সেমেকা চকুৰে ইজনীয়ে সিজনীক জোৰেৰে সাৱটি ধৰিলে। ❖

আউল লগা জীৱনৰ সাৰথি

মিনাক্ষী ডেকা

বাহিৰত ফৰিং ফুটা জোনাক। অথচ মিনতিৰ মনত ঘোৰ অমানিশা। বিছনাখনত পৰি তাই ইচাট্ বিচাট্ কৰি আছে। আজি তিনিদিন ধৰি ঘৰখনৰ তিনিওটি প্ৰাণীয়ে কোনো কাৰো ফালে চাব পৰা নাই। সেই দুৰ্দ্দশাগ্ৰস্ত ৰাতিটোৱে তাইক এডাল বিষাক্ত সাপৰ দৰে মুহূৰ্তে-মুহূৰ্তে মেৰিয়াই ধৰিছে। শৈশৱৰে পৰা ভগৱানে তাইক দুখৰ উপৰি দুখ দিছে। পখিলা খেদা বয়সতে মাক-দেউতাক ঢুকাল। ডাঙৰ হ'ল মোমায়েকৰ ঘৰত। কি পাইছিল কি পোৱা নাছিল তাই তাৰ হিচাব কৰিব খোজা নাই। কিন্তু যৌৱনত ভৰি দিয়াৰ পৰাই তাইৰ উঠন বুকুখন, গুলপীয়া গালদুখন, নিপোটল দেহটো 'হৰিণাৰ মাংসই বৈৰী' হৈ পৰিল। বাহিৰত ওলাই গ'লে ডেকা ল'ৰাবোৰৰ তাইৰ শৰীৰটোলৈ চাই কটাক্ষ বাণ, লোলুপ দৃষ্টি। ঘৰত মামীয়েকহঁতৰ অনুপস্থিতিত তেখেতসকলৰ একমাত্ৰ ল'ৰা কুন্দনৰ কামনাৰ বলি হোৱাৰ ভয়। নাৰী হৈ জন্ম হোৱা বাবে তাইৰ কেতিয়াবা নিজৰ ওপৰতে ধিক্কাৰ জাগে। সৌভাগ্যক্ৰমে মোমায়েকৰ ঘৰত প্ৰায়ে দিন হাজিৰা কৰা একেখন গাৱঁৰে প্ৰেমধৰে যেন তাইৰ চকুৰ ভাষা, মনৰ কথা বুজি পাইছিল আৰু এদিন মোমায়েকহঁতৰ সন্মতি সাপেক্ষে হোমৰ জুইক সাক্ষী কৰি মিনতিক পত্নীৰ মৰ্য্যদা দিছিল। প্ৰথম নিশাই প্ৰেমধৰে জীৱনে মৰণে মিনতিৰ সাৰথি হৈ থাকিব বুলি কথা দিছিল। প্ৰেমধৰৰ নিৰাপত্তাৰ ডেউকাৰ উমত আৰু শাহুৱেকৰ মাতৃ সুলভ মৰম স্নেহত মিনতিৰ মনত সুখ আনন্দই নতুনকৈ পুলি পোখা মেলিছিল। বিয়াৰ সাক্ষী স্বৰূপে মিনতি দুটা সন্তানৰ মাতৃও হ'ল। প্ৰেমধৰে দেউতাকৰ ৰূপিত মাটিকেইডৰাত খেতি কৰাৰ উপৰিও আজৰি সময়ত দিন হাজিৰা কৰি ঘৰখন বৰ সুন্দৰকৈ চলাইছিল। তাঁত সূত বই শাহুৱেকৰ লগত হাঁহি ধেমালি কৰি কেনেকৈ দিনটো পাৰ হয় গমেই নাপায় তাই। সন্ধিয়া প্ৰেমধৰ আহিলে ঘৰখনত যেন এচাটি জুৰ মলয়া বয়। চাওঁতে চাওঁতে সন্তানদুটিক স্কুলত দিবৰ হ'ল। নামঘৰলৈ শৰাই এভাগ আগবঢ়াই ভাল দিনবাৰ চাই সিহঁতক স্কুলত নাম লগাই দিলে।

সকলো ঠিকে আছিল। কিন্তু হঠাৎ এদিন

মিনতিৰ সুখৰ সংসাৰখনত আউল লাগিল। বিধাতাই যেন তাইৰ সুখ সহ্য কৰিব নোৱাৰিলে। তাইক অবাক কৰি ৰাতিপুৱাই মৰমৰ মাতষাৰ দি দিন হাজিৰা কৰিবলৈ ওলাই যোৱা প্ৰেমধৰ এদিন নিথৰ দেহলৈ বগা কাপোৰেৰে ঢাক খাই ঘৰ সোমাল। তাই একো ততেই ধৰিব নোৱাৰিলে। হুলস্থূলৰ মাজতে কোনোবাই কোৱা কাণত পৰিল চহৰলৈ যোৱা পকী ৰাস্তাটোত ট্ৰাকে খুন্দিয়াই পেলাই থৈ গ'ল হেনো। এমা-ডিমা ল'ৰা-ছোৱালী দুটাৰ সৈতে মিনতি পুনৰ দিশহাৰা হ'ল। শাহুৰেকে কিছু চম্ভালি লৈছিল যদিও পুত্ৰ শোকত নেখাই-নবৈ তেৰোঁ ইহ-সংসাৰৰ পৰা বিদায় মাগিলে। তাৰ পাছৰ পৰা কামনাৰ জুই কুৰাই মিনতিক আকৌ খেদি ফুৰিব ধৰিলে। বাৰীৰ পাচলি কেইটালৈ বজাৰলৈ গ'লে কত যে কিমান কটাক্ষবাণ — মৰমেৰে মাতি বাইকখনেৰে ঘৰত থৈ অহাৰ প্ৰস্তাৱ। তাই কাকো আসৈ দিয়া নাছিল। কিন্তু সেইদিনা ৰাতি পাষণ্ডকেইটাই গোৰ মাৰি দৰ্জ্জাখন ভাঙি ল'ৰা-ছোৱালী দুটাৰ আগতে সিহঁতৰ কামনা চৰিতাৰ্থ কৰি কাৰোবাক কৈ দিলে তিনিওটাকে কাটি থৈ যোৱাৰ ভাবুকি দি পলাই পত্ৰং দিলে।

মানসিক যন্ত্ৰণাত মিনতি অস্থিৰ হৈ পৰিল। প্ৰেমধৰলৈ তাইৰ বৰকৈ মনত পৰিল। এনেতে তাইৰ হঠাৎ প্ৰেমধৰৰ মাতটো শুনা যেন লাগিল। সি যেন কৈছে— 'মিনতি তই সাহস গোটা। মোৰ অবিহনে পোনা-মইনাক তয়ে মানুহ কৰিব লাগিব। মোৰ মৃতদেহৰ লগত যে ৰাইজে তোক দিন হাজিৰা কৰিব যাওঁতে নিয়া দাখন দি গৈছিল, সেইখন তই সদায় মূৰ শিতানত ৰাখিবি। তোক কোনোবাই দিগ্‌দাৰি দিব আহিলে সেইখনেৰে কাটি দুছেও কৰিবি। মোৰ অবিহনে সেইখনেই তোৰ "আউল লগা জীৱনৰ সাৰথি"। মিনতিয়ে যেন দেহ-মনত অলেখ-অযুত বল-সাহস পালে। তাই একে জাপে বিছনাৰ পৰা উঠি ধোঁৱা চাঙত সযতনে থোৱা দাখন আনি মূৰ শিতানত থৈ ল'ৰা-ছোৱালী দুটাক বুকুৰ মাজত লৈ নিচিন্তে-নিৰ্বিঘ্নে টোপনি গ'ল। ❖



ভ্ৰমণ কাহিনী

ভিয়েটনাম ভ্ৰমণ

নিলীমা শইকীয়া দাস

০৭-০৭-২০২৫ তাৰিখ সোমবাৰে ফুট গধূলীতে মানে ৭-৩০ মিনিটত গুৱাহাটীৰ মহানগৰীৰ মায়া জাল আৰু যান-জঁট ফালি বিমান বন্দৰলৈ ঢাপলি মেলিলোঁ। গুৱাহটীৰ বিমান বন্দৰত সকলো গোট খালো। তাত ত্ৰিধৰা ট্ৰেভেল এজেঞ্চিৰ স্বত্বাধিকাৰী শ্ৰী কৌশিক দাসে সকলোকে চিনাকী কৰাই দিয়ে, আমাৰ ভিয়েটনাম দলটিৰ লগত। বৰ্ডীং পাছ লৈ আমি ৰাতিৰ আহাৰ গ্ৰহণ কৰিলোঁ। তাৰ পাছত ভাৱ বিনিময় পৰ্ব হয়। গুৱাহাটীৰ পৰা ৰাতি ১১.৪০ মিনিটিত বেংককৰ — Don Mueang লৈ আকাশী যানত যাত্ৰা আৰম্ভ কৰিলো। ধলপুৱাতে মানে ৩.৪৫ মিনিটত থাইলেণ্ড অৱতৰণ কৰিলো। পুনৰ ৭.৫০মিনিটত ভিয়েটনামৰ Da Nangলৈ যাত্ৰা আৰম্ভ হ'ল। প্ৰায়ে ডেৰ ঘন্টা মানৰ পাছত ভিয়েটনামত ভৰি থলো। বিমান বন্দৰত আমাক নিবলৈ বাছ এখন আহিল। সেই বাছেৰে গৈ ড্ৰেগন দলং চালো। তাৰ পাৰত বৈ ফটো তুলিলো। ভেয়েটনামৰ ৰাষ্ট্ৰীয় প্ৰতীক ড্ৰেগণ। প্ৰচুৰ পৰিমানে তাত ড্ৰেগণ ফল পোৱা যায়। তাৰ পৰা বাছেৰে অলপ দূৰ আহি আমি দুপৰীয়া ভোজন কৰি, আবেলি সময়ত থকা হোটেল পালো। ১৪ নম্বৰ মহলাত সন্ধ্যা সাগৰৰ পাৰত ফুৰিব গ'লো। সাগৰৰ পাৰত মণি মুকুতাৰ দোকানৰ পৰা আৰম্ভ কৰি খোৱা বস্তু অনেক। তাৰ লগতে সাগৰৰ সীমাহীন অলেখ ঢৌ চাই অপাৰ আনন্দ মূৰ্ছনাত ডুব মাৰিলো। সঁচাকৈ ভগৱানৰ সৃষ্টি অপূৰ্ব মানিবলগীয়া।

পিছদিনা পুৱাতে দানাঙৰ পৰা মাৰ্বলৰ পৰ্বত চাবলৈ গ'লো। যাওঁতে বাটত বেম্বো মাৰকেটত সোমালো। বাঁহেৰে তেওঁলোকে কাপোৰ তৈয়াৰ কৰে। আমাৰ দেশত তৈয়াৰ হয় — ডলা, কুলা, চালনী, খৰাহী, পাছী, বিছনী, বহা, ধৰা, ধান মেলা ধৰা, মাছ ধৰা সঁজুলি যেনে — জাকৈ, খালৈ, চেঁপা, প'ল ইত্যাদি। তেওঁলোকে বাঁহৰ প্ৰচেচ কৰি বহু বিধ কাপোৰ তৈয়াৰ কৰিছে।

মাৰ্বল পৰ্বতৰ ওপৰলৈ লিফ্‌টত যাব পাৰি। সেই লিফ্‌টত উঠিবলৈ টিকট কৰি বহু দেৰি শাৰী-পাতি গৈহে, আমি ১০ জনকৈ ওপৰলৈ উঠি গ'লো। তাত গৈ দেখিবলৈ পালো ৫শ শতিকাত সজা শিৱ মুৰ্ত্তি আৰু বুদ্ধদেৱৰ মুৰ্ত্তিৰ লগতে শিৱৰ মন্দিৰ আৰু বুদ্ধ মন্দিৰ। এই শিৱ আৰু বুদ্ধ মুৰ্ত্তি

চাবলৈ গুহাৰ মাজেৰে সৰকি পাৰ হৈ যাব লাগে। সঁচাকৈ বহুত অপূৰ্ব নিদৰ্শন। শিৱ মন্দিৰৰ সন্মুখত ধূনীয়া ভেট ফুল আছে। এই নিৰিবিলি ঠাইত বহি পাৰ কৰা সময় কণত অন্তৰআত্মা শাঁত পৰি যায়। গছ-গছনিৰে ভৰা পৰ্বতত, ৰিবৰিব বতাহ বলি থাকে, চাফা অতি সুন্দৰ ঠাই চাই উপভোগ কৰিলো। ওপৰৰ পৰা চহৰখনৰ কিছু অংশ দেখা পায়। ভেট ফুলৰ কলি থকাও দেখিলো।

মাৰ্বল পৰ্বতৰ পৰা হৈয়ান (Hoi An)লৈ ৰাওনা হ'লো। হৈয়ানত Coconut Forest পালো। তাত "সুণ" নাৱত দুজন দুজনকৈ উঠি বহু উপভোগ কৰিলো। তেওঁলোকে ৰাতি নাওঁত পানীৰ মাজত বহু খেল দেখুৱালে। পানীৰ মাজত নাৱত ডেক বজাই গান গায়। ডাঞ্চ কৰে, আমাৰ অসমীয়া মানুহে তাত গৈ বিহু গাই আহিল। আমাৰ খুব ভাল লাগিল। তাৰ স্থানীয় মানুহে খেৱালী জাল মাৰি মাছ ধৰা দেখুৱালে। নদীৰ কাষত নাওঁ চপাই নাৱৰীয়া জনে আমাক বৰশী বাবলৈ সুবিধা কৰি দিছিল। আমিও বৰশীত টোপ দি সৰু সৰু মাছ আৰু কেকোঁৰা ধৰিব চেষ্টা কৰিলো। বৰশী, সৰু সৰু জাপি আৰু লাইফ জেকেট, তেওঁলোকৰ সৰু বাল্টি নাৱত থাকে। নাওত উঠা লগে লগে লাইফজেকেট পিন্ধিব দিছে। প্ৰখৰ ৰ'দত মূৰত জাপি ল'ব দিয়ে। এই বৰ বাটিৰ নিচিনা নাওঁবিলাক বাঁহেৰে সজা। কি আচৰিত পানী নোসোমায়। বহু সময় নাওত ইফালে-সিফালে ঘূৰালে। তাৰ পাছত ঘাটে চপাই দিলে নাওঁ।

বৃহস্পতিবাৰে ১০-০৭-২০২৫ তাৰিখে দানাঙৰ পৰা পুৱা ৮ বজাত আমাৰ বাণা হিললৈ (Bana Hills) যাত্ৰা আৰম্ভ হ'ল। প্ৰায় ২ ঘন্টা ২৫ মিনিট বাছেৰে গৈ আমি এক নিৰ্দিষ্ট ঠাইত উপস্থিত হ'লো। তাৰ পৰা দেখা পাইছিলো (Rop Way) ৰ'পৱে বিলাকেৰে অহা-যোৱা কৰা। সেইবিলাক দেখি সঁচাকৈ বুকু কঁপি গৈছিল। আমিও যে তাত উঠিবলৈ গৈ আছো। টিকট কৰি আমাক গাইডে ছিৰিট উঠি আমি কেবুল কাৰ (Cable Car)ত বহি ১,৪৮৭ ফিট ওপৰত অৱতৰণ কৰি ২৮ মিনিট সময় এই কেবুল কাৰত গৈ সিটো মূৰত নামিবলৈ সক্ষম হ'লো। এই টেবুল ষ্টেচনটোৰ নাম চুয়ৈ 'ম (Suoi Mo)পৃথিৱীৰ ভিতৰতে আটাইতকৈ দীৰ্ঘতম ৰ'প (Rop Way)ৰে বুলি জনা যায়। সোণালী দলং খন চাবলগীয়া। সঁচাকৈ ইমান ওখত ওলমি থকা দলংখন কেনেকৈ সাজি উলিয়ালে। দেখাত এনে লাগে আকাশত দলংখন হাতেৰে ধৰিহে ৰাখিছে। আচলতে, সেইটো নহয় হাত দুখন দলংখনৰ খুতা। দেখাত এনে লাগে যেন সোণৰ দলং। তাত খোজকাঢ়ি এনে লাগিছিল, যেন কল্পনা সপোনত ডুব গৈছিলো। কিন্তু তললৈ চালে বুকু চিৰিংকৈ কপি উঠে, বহুত ভয় লাগে। ১৫০ মিটাৰ দীঘল এই গোল্ডেন দলংখন।

ইয়াৰ পৰা পুনৰ আকৌ ৰ'প ওৱেট উঠি বেলেগ এটা পাহাৰত গ'লো। সঁচাকৈ ইন্দ্ৰপুৰী সেইখন। চালে চকু ৰোৱা। ইমান ওখত কেনেকৈ সাজি উলিয়াইছে। ভাবিলে বৰ আচৰিত যেন লাগে। একেৰাহে ভূস্বৰ্গ সদৃশ বহুত পুৰণি কাৰুকাৰ্য ২৭ মিটাৰ অপূৰ্ব নিদৰ্শন কেনে মনোমোহা। তাৰ পৰা ভূমি ভাগ খালী চকুৰে ভালকৈ নমনি। তলৰ জোপোহা ঘৰবোৰ

দেখিবলৈ বৰ সুন্দৰ। দুপৰীয়াৰ আহাৰ আমি তাতে খালো। ভাৰতীয় খানা তাত পোৱা যায়। অতিৰিক্ত নানা ধৰণৰ ফলমূল, চাহ, মিঠাই, ভাত, পোলাওঁ, ৰুটি আৰু বহুবিধ মাছ, মাংস।

দুপৰীয়া ভোজনৰ পাছত Loc Uyen Garden দৰ্শণ কৰি যোৱা বাটেৰে ঘূৰি আহিলো। ডানাংত (Danang) ৰাতিটো কটাই, পুৱা ভিয়েটনামৰ ৰাজধানী হানয়লৈ বুলি আকাশী যানেৰে ঢাপলি মেলিলো। হানয় বিমান বন্দৰত আমাক ল'বলৈ গাইড আৰু বাছ ৰৈ আছিল। গাইড গৰাকী মহিলা, তেওঁ আমাক দেশখনৰ বহু কথা কৈছিল। সেইকথা বিলাক এনেধৰণৰ — প্ৰায় এহেজাৰমান বছৰ ভিয়েটনাম চীনদেশৰ অধীনত আছিল। তাৰ পাছত ফ্ৰাঞ্চৰ কলনী হিচাপে বহুবছৰ থাকে। অৱশেষত ১৯৫৪ চনত ফ্ৰাঞ্চৰ কবলৰ পৰা স্বাধীনতা লাভ কৰে। স্বাধীনতা আনিবলৈ যাওঁতে যিসকলে মহান ব্যক্তিয়ে আত্মবলিদান দিছিল, তেওঁলোকৰ প্ৰতিমূৰ্ত্তি আজিও চেণ্ট্ৰেল জেলত খোদিত কৰি ৰাখিছে। এই চেণ্ট্ৰেল জেলখন মিউজিয়াম হিচাপে তেওঁলোকে ৰাখিছে। কেনেকুৱা শাস্তি দিয়া হৈছিল তাৰ পৰিস্কাৰকৈ অংকণ কৰিছে। বিদ্ৰোহীসকলৰ নিৰ্ম্মম প্ৰহাৰ, গুলি চালনা ইত্যাদি স্বতঃফুৰ্তভাৱে ফুটাই তুলিছে। এই জেলখন ১৮৮৬ চনত ফ্ৰাঞ্চেই সাজিছিল।

ইয়াৰ লগে লগে আৰু এটা কথা জানিব পাৰি আচৰিত হ'লো। ভিয়েটনামত আজিৰ দিনত জেল নাই। মানুহবিলাক ইমানেই সৎ। কোনোবাই কিবা দোষ কৰিলে জৰিমনা ভৰিব লাগে ইমানেই। আমাৰ দেশৰ দৰে তাৰিখৰ পিছত তাৰিখ লৈ কোৰ্ট-কাছাৰীত যাব নালাগে। মানুহবিলাক কৰ্ম বিমূখ নহয়। সৰু-বৰ কাম লৈ কোনেও কাকো হেয় জ্ঞান নকৰে। ধৰ্ম হ'ল বৌদ্ধ ধৰ্ম প্ৰধান। বাকীবিলাক খ্ৰীষ্টান। হিন্দু আৰু ইছলাম ধৰ্মৰ মানুহ খুব কম। তাত আৰু এটা কথা লক্ষ্য কৰিলো, সেইটো হ'ল গাড়ীৰ চালকৰ আসন গাড়ীৰ বাওঁ হাতে থাকে। সেয়ে হ'বলা গাড়ীৰ চলাচল আমাৰ দেশৰ বিপৰীতে চলে। হানয় Dong Xuan Market ত আমি বজাৰ কৰিলো।

ৰাতিটো হোটেলত কটাই, পুৱা প্ৰাতঃক্ৰিয়া কৰি, তাতে পুৱাৰ চাহ-জলপান খাই হা-লংবে লৈ বাছেৰে যাত্ৰা কৰিলো। আঢ়ৈ ঘন্টা যোৱাৰ পাছত টুৱান চাও আন্তজাৰ্তিক জাহাজ বন্দৰ পালেগৈ। আমি সেই জাহাজ ঘাটত কিছু সময় ৰ'ব লগা হৈছিল। আমাক নিবলৈ নিৰ্দিষ্ট জাহাজখন আহি পোৱা নাছিল। এইখিনিতে এটা কথা উল্লেখ কৰিব পাৰি। সাগৰৰ মাজে মাজে কেইবা মহলীয়া জাহাজৰ ঘৰবোৰ আগতে কেতিয়াও দেখা নাছিলোঁ। সেই সাগৰখন জাহাজৰ কলনী যেন উপলব্ধি হৈছিল। পানীত ওপঙি থকা কেইবা মহলীয়া ঘৰবোৰ চাই বিভোৰ হৈছিলো। সঁচাকৈ অপূৰ্ব দৃশ্য। এই ৰেহৰূপ চাই থাকোতে, আমাক নিবলৈ নিৰ্দিষ্ট জাহাজখন আহিল। এই ক্ৰুজখন আমাক হা-লংবে নামৰ উপসাগখনৰ ঐশ্বৰিক সৌন্দৰ্য্য উপভোগ কৰোৱায়। সাগৰৰ মাজে মাজে অসংখ্য চুণশিলৰ পাহাৰ দেখিবলৈ পালো। আমি জাহাজত বহু সময় ঘূৰাৰ পাছত আমাৰ কাৰণে সংৰক্ষিত কৰি ৰখা ডাঙৰ ক্ৰুজখনত আমি উঠিলোগৈ। ক্ৰুজৰ কৰ্মীসকলে আমাক উষ্ম আদৰণি জনায়। তাত

চাহ, কফি আদি দিয়ে। নিজৰ নিজৰ কোঠাত বেগবিলাক থৈ তৃতীয়া মহলাত খোৰা ঠাইলৈ গ'লো। নিজৰ পছন্দ মতে তৃপ্তিৰে দুপৰীয়াৰ সাজ খালো। ১ম আৰু ২য় মহলাত নিজা নিজা কোঠাত অলপ সময় জিৰণি লওঁ। ক্রুজৰ ৩য় মহলাত ৰেষ্টুৰেন্ট। পানীৰ ওপৰত থকা কাৰণে ভূমি মহলাৰ ধাৰণা নাই।

আবেলি পৰত পুনৰ সাগৰ ফুৰিবলৈ যাওঁ। এই সৰু নাৱত ছয় (৬) জনকৈ মানুহ বহাই লৈ হাতেৰে বঠা বাই বাই আমাক লৈ গৈছিল। নাৱৰীয়া, মাইকী মানুহ আছিল। সাগৰৰ ঢৌবিলাক মৃদু কোমল আছিল। সাগৰৰ মাজে মাজে শিলৰ পাহাৰো আছে। গছ-গছনি খুব কম। গম্বোজৰ দৰে ওখ পাহাৰ, তাত মানুহ উঠিব বা বসতি কৰিব নোৱাৰে। প্ৰকৃতিৰ কি মনোমোহা বিনন্দীয়া ৰূপ। তেনে পাহাৰ দুটাৰ মাজেৰে এটা সুৰঙ্গ আছে। সেই সুৰঙ্গৰ মাজেৰে আমাৰ নাওঁ বিলাক শাৰী পাতি সুমুৱাই লৈ গৈছিল। সুৰঙ্গ ভিতৰভাগ আন্ধাৰ টৰ্চ্চ লাইটৰ পোহৰত নাও আগবাঢ়ি গৈ আছিল। লাহে লাহে পোহৰ পাই সিফালৰ সাগৰত প্ৰৱেশ কৰিছিলো। সেই সাগৰত অলপ সময় থাকি পুনৰ যোৱা বাটেৰে ঘূৰি আহিলো।

ঘূৰি আহি বহুতে ৰেষ্টুৰেন্টখনত খানা বনোৱা শিকিব গ'ল। বহুতে জিৰণি ল'লৈ, কিছুমান ৰেষ্টুৰেন্টৰ ওপৰলৈ গৈ বেলিটো ডুব যোৱা উপভোগ কৰি কেমেৰাত বন্দী কৰিলো। ৰাতিৰ সাজ সোনকালে খাব দিলে। খাদ্য খোৱাৰ আগত আৰু পাছত ধুনীয়া ফূৰ্তি কৰিলো। বিহুগান বজাই সকলো নাচিলো। লগতে অৱশ্যে হিন্দী গানো বাজিছিল।

ৰাতিটো আনন্দৰে ক্রুজত কটাওঁ। পুৱাৰ জা-জলপানৰ লগতে আৰু অলপ গধূৰ আহাৰ খাওঁ। আমি ঘৰমুৱা হ'লো। জাহাজখন এৰিলে, আহি থাকোতে হঠাৎ ডিঙিত হাততো লগাতহে গম পালো। মই ডিঙিত একো পিন্ধা নাই। লগে লগে হাতত থকা বেগটো খুচৰি চালো। মণিডাল নাপালো। মনে মনে বৰ দুখ লাগিল। বহুত মৰমৰ মণিডাল এৰি আহিলো। তাৰ ক্ষন্তেক পাছত ঈশ্বৰক প্ৰাৰ্থনা কৰিলো মনৰ ভিতৰতে, "তুমি যি কৰা ভালেই কৰা প্ৰভু"। আহি আহি এই পাৰত ভৰি থ'লো। আমাৰ বাছ ৰখি আছিল। এইপাৰত বাছত উঠিলোহি। বাছ চলিবলৈ ধৰিলে। অলপ সময় অহাৰ পাছত আমাৰ টিম লিডাৰজনে মানে (কৌশিক দাসে) আমাৰ কোঠা নম্বৰ কিমান সুধিলে। কোৱাৰ পাছত মোক সোধে কিবা হেৰাইছে নেকি? তেতিয়া তেওঁ মণিডাল উলিয়াই হাতেৰে দাঙি ধৰে। দেখা পাই মোৰ আনন্দতে চকুপানী ওলাইছিল। সকলো আচৰিত হৈছিল ক্রুজৰ ৰুম চাফা কৰা মানুহে পায় তেওঁক দি দিয়ে। আমাৰ দেশৰ মানুহে লৈ গ'লহেতেন। কিন্তু সিহঁতে নলয়। পাৰ্থক্য এইখিনিতে। তাত সাধাৰণ নাগৰিকেও বাট-পথ লেতেৰা নকৰে। আমাৰ তুলনাত তেওঁলোক বেছি সাৰধান। য'তে-ত'তে যি কোনো বস্তু নেপেলায়। ডাষ্টবিন পালে ভৰাবৰ বাবে নিজৰ লেতেৰা লগত লৈ ফুৰে। সেয়ে চহৰবিলাক পৰিষ্কাৰ। মানুহবিলাক সৎ স্বভাৱৰ। আনকি সাগৰত সৰু-বৰ নাওত একোটাকৈ নেট ৰাখে। পলিথিন দেখা পালে তুলি আনে। আমাৰ দেশৰ দৰে লেতেৰা আৰু বিশৃংখল তাত

নেদেখিলো। বহুদিনৰ পৰাই এটা হেঁপাহ আছিল। বিদেশ ভ্ৰমণ কৰা। সময়ৰ আহ্বানে মই গম নোপোৱাকৈয়ে, সেইদিন আহি সমাগত হ'ল। বহু দিন সংগ্ৰাম আৰু যুদ্ধত অৱতীৰ্ণ হোৱাৰ পাছত ১৯৫৪ চনত স্বাধীনতা লাভ কৰা দেশ ভিয়েটনাম। তথাপি আমাতকৈ কিছু ক্ষেত্ৰত আগবঢ়া। কেনেকৈ সম্ভৱ কৰি তুলিছে। তেওঁলোকৰ একাগ্ৰতা, সততা, নিষ্ঠা আৰু কৰ্ম-স্পৃহা আছে। আমাৰ গাইডে কোৱা মতে চীনৰ দৰে মাত্ৰ এটা দল নাম — ভিয়েটনাম কমিউনিষ্ট পাৰ্টি। ভিয়েটনামত আমাৰ দেশৰ দৰে বহুদলীয় গণতন্ত্ৰ নহয়। আমাৰ দেশত পাৰ্টি আৰু ক্ষমতা লৈ অৰিয়া অৰি কৰি থাকোতে বহুসময় আৰু অৰ্থ ব্যয় হয়। সাগৰৰ পানীৰ ওপৰতে পৰ্য্যটকৰ কাৰণে মনোমোহা কাৰবাৰ।

ভিয়েটনামত প্ৰায় ৫২ টা জনগোষ্ঠী আছে। এওঁলোকৰ ভাষা সংস্কৃতি, সাজ-পোছাক বেলেগ বেলেগ। হানয় চহৰৰ সাজ মজিয়াত নিৰ্মাণ কৰা Mesum of Ethnology ত এনে জনগোষ্ঠী সমূহৰ সাজপাৰ, বাচন-বৰ্তন, খাদ্য যন্ত্ৰ, তাঁতশাল সংৰক্ষণ কৰি থোৱা আছে। এওঁলোক চাপৰ আৰু বগা। বিয়েটনামৰ জনসংখ্যা ১০ কোটি মান হ'ব আৰু মাটিকালি ৩,৩১,৬৯০ বৰ্গ কিলোমিটাৰ। দীঘলীয়াকৈ দক্ষিণ-পূব এছিয়াত অৱস্থিত। আমাতকৈ পূবত হোৱা কাৰণে সূৰ্য্যোদয় আৰু সূৰ্য্যাস্ত আমাতকৈ দুঘন্টা আগত হয়। তাৰ মানুহে ইংৰাজী ভাষা বেছি ভাগে নাজানে বা নকয়। বহু ক্ষেত্ৰত আকাৰ ইংঙ্গিতেৰে চলিব লগা হয়। বেছিভাগ বস্তু দেখিলো, তাৰ মানুহৰ প্ৰধান খাদ্য ভাত। বেছিভাগ বস্তু সিজায় খায়। ৰুটি একেবাৰে দেখা নাপালো। মাছ,মাংস, সাগৰীয় শামুক নানাবিধ মাছ সকলো সিজাই খাই। সেইকাৰণে নেকি নাৰ্চিংহোম বা চিকিৎসালয় য'তে ত'তে দেখা নেপালো। প্ৰচুৰ পৰিমানে ফলমূল খায়। পুৱাৰ আহাৰৰ লগত ফল দিয়ে। চালাডো যথেষ্টা খায়। ভিয়েটনামত Train Street চালো। ৰেল লাইনৰ ওপৰতে আৰু নিচেই কাষতে বজাৰ চলে। ৰেল আহিলে মানুহবোৰ আঁতৰি দিয়ে। বস্তু-বাহানি তাতে থাকে। তাৰ ওপৰেৰে ইখনৰ পিছত সিখন ৰেল পাৰ হৈ যায়। ৰেলৰ পৰা দোকানৰ বস্তু চুৰ কৰে। ❖

কবিতা শিতান

কবিতা এনেকুৱাই

পশুপতি হাজৰিকা

বিভীষিকা লুণ্ঠনত কবিতাই কান্দে।
স্বৈৰাচাৰী উশৃংখলতাত
কবিতাই সকিয়ায়।
সমাজৰ উত্থান পতনো
কবিতাই উপলব্ধি কৰে।।
পাঠক কম, প্ৰকাশক কম,
মাথো আহুকাল বেছি
এয়াই কবি আৰু কবিতাৰ পৰিধি
কিন্তু মনৰ পৰিধিৰ সীমা যাৰ নাই
দুখ আহুকালে জানো তাক
সহজে ঢুকি পায়?
কবিতাই সকলো সামৰে বুটলে।।
তোষামোদেৰে জয়ী হোৱাৰ
হাবিলাষ যাৰ নাই
হাবিলাষ নাই তাৰ
সত্যক ঢাকি ৰখাৰো,
কাৰণ সৃষ্টিতহে আনন্দ থাকে।
কবিতাৰ গতি মানে প্ৰকাশ
এনেকুৱাই
চকু মুদি থাকিলেও
সকলো দেখে লেখে।। ❖

বাস্তৱ কি?

অঞ্জয় পাঠক

কেতিয়াবা আমি ভবাৰ দৰে
নহ'বও পাৰে বাস্তৱতা।
ধেমালিৰ মাজতো হয়তো
লুকাই থাকে অন্য এক সঁচা।
স্বাৰ্থৰ মাজতো থাকিব
পাৰে নেকি মমতা?
এই যে কথায়ে প্ৰতি
কাৰোবাক কোৱা
মিছা কথাবোৰ
ভূৱা প্ৰতিশ্ৰুতিবোৰ
সেইবোৰৰ মাজতো থাকে নেকি বাৰু
আন্তৰিকতা কিম্বা ভালপোৱা? ❖

জুবিন বিহীন বিহু, উৰুঙা উৰুহা নিষ্প্ৰাণ মন

মঞ্জুলা কাকতি

বিষণ্ন বিভীষিকাময় তথা অভিশপ্ত
সেই উনৈশ চেপ্তেম্বৰ,
দুই হেজাৰৰ পঁচিশ তাৰিখটো
সিদিনা গান, ছবিৰ বৰ্ণিল জীৱন সামৰি
জুবিন তুমি আমাক গ'লা এৰি।
অগণিত অনুৰাগীৰ হৃদয়ৰ মণি তুমি,
তোমাৰ অমৃত কণ্ঠই জাতিক চিনাই দিলে
সমগ্ৰ বিশ্বতে অসম ভূমিক।
অন্ত হ'ল নতুন সুৰৰ, স্তব্ধ হ'ল সুৰৰ লহৰ
সমগ্ৰ অসমীয়াৰ আছিলা তুমি চেনেহৰ।
তোমাৰ বিয়োগত চকুত ইমান চকুপানী,
ওলাই অবিৰত নিগৰি নিগৰি
সকলোৰে যেন আত্মাত তুমি,
আছিলা বিৰাজ কৰি।
সুদীৰ্ঘ তিনি দশকৰ সাংগীতিক
যাত্ৰা তুমি নিলা কঢ়িয়াই,
আৰু হঠাৎ খহি পৰিল অসমৰ
সংগীত আকাশৰ ধ্ৰুৱ তৰা।
অম্লান প্ৰতিভাৰে চল্লিছটা ভাষাত
তুমিয়ে গালা গান পৃথিৱীক হুঁহুৱাই
আঠত্ৰিশ হেজাৰ গানত,
সুৰ ঢালি দিলা কণ্ঠদান।
বিশ্বত হামিং কিঙৰ
খ্যাতিৰে ৰাখিলা তোমাৰ সন্মান।
দুখীয়া নিচলাৰ ভগৱান হৈ
কৰিলা বহুত কাম,
বলিউদত গান গায়ো
ৰাখিলা দেশৰ মান।
বলিউদৰ বিশাল স্থানেও
নোৱাৰিলে ৰাখিব ধৰি,
অসম মাতৃৰ অকৃত্ৰিম মৰমে
টানি আনিলে তোমাক।
শেষ কৃত্যত চতুৰ্থ স্থানত
তোমাৰ হ'ল নাম।
সেয়েহে হে পূণ্য আত্মা
তুমি যেন পুনৰ জনম লভি
অসমৰ তৰুণ প্ৰজন্মৰ হাৰ্টথ্ৰ'ৰ হৈ
অসম মাতৃৰ মুখত, পুনৰ বিলোৱা হাঁহি।❖

অজুহাত বিচাৰি

কবিতা মহন্ত

হুমুনিয়াহ বোৰ ঘূৰ্মুটিয়াই ফুৰিছে,
কাৰোবাৰ বুকুৰ মাজত সোমাবলৈ।
ইখন দেৱালৰ পৰা সিখন দেৱাললৈ,
সৰু এটা অজুহাত বিচাৰি।
ফাগুনী চিলা বোৰৰ লগত গাঁঠি
আকাশৰ বাটবোৰ পোনাই দিব
খোজাৰ অশেষ চেষ্টাৰ পিছতো,
আকৌ ঘূৰি আহে আশে-পাশে।
নাহোঁ নাহোঁ বুলিও আকৌ আহিছে,
বসন্তৰ ৰং বিয়পাই, ৰঙালী বিহুটি।
মনৰ দুৱাৰ খন কানি-দুৱৰিকৈ মেলি
আমন জিমনকৈ চাইছোঁ, আহিছে নেকি বাৰু!
হেৰাই যোৱা ৰঙবোৰ
ব'হাগৰ বোকোচাত উঠি।
শূণ্য এটাৰ ভিতৰত শৰবিদ্ধ হৈ
আস্ফালন কৰি আছে এটা নিশাহে,
অকণমান উশাহ ভৰাব পৰা হ'লে!
থাকিলে হেঁতেন চাগে আৰু এটামান দশক।
সৃষ্টিৰ পথাৰ খনত সোণালী যুগ এটা থৈ,
ৰামধেনুৰ সাতো বৰণীয়া ৰঙেৰে বোলাই।
অচিলা বোৰ বৰ নিৰ্জু
যেতিয়াই যাক লাগে, সিয়েই লৈ যায়,
সাধাৰণ এটা অজুহাত দেখুৱাই।
নিঃসহায় হৈ চাই থাকো, দূৰত্ব যে বহুত।।
এই অজুহাত বোৰ বৰ আচৰিত
কাক, কেতিয়া,ক'ত যে
প্ৰয়োজন হয় ধৰিবই নোৱাৰি।❖

অতীতে ৰিঙিয়াই

ৰাজীৱ হাজৰিকা

শীতৰে সেমেকা কোমল ৰ'দত
পিঠিখন দিয়ে ভাল লাগে,
গোলাপ জোপাত ডাল ভৰি
তেজাল পাহি মেলি ফুলেও হাঁহে।
পুৱাৰ সুৰুজৰ হেঙুলীয়া আভাই
ঘেঁহু পাতৰ লটীত নিয়ৰৰ টোপালত
সোণ মুকুতা লৰে।
গাঁৱৰ হালোৱাৰ হাতৰ
মুঠিত আছাৰি ডাল
কাষলতিৰ মাজতে ৰাখে।
হিম চেঁচা জাঈৰত দুবাহুত মেৰিওৱা
খনীয়া গামোচা খন খহি পৰে ।
গাঁৱৰ মাজত থকা বিনোৱা ডুবিত
পানীত চুই কুঁৱলীবোৰেও
ঢৌখেলি ওপৰলৈ উঠে।
বিদুশনিয়ে শেতেলী এৰি
বাঁহৰ দাং খোলে,
হাতত কঁৰিয়া লৈ কুজিবুঢ়ীয়েও
খীৰতি গাইজনী চোতালত বান্ধে।
দেহি ঐ, এইবোৰচোন অতীতেই হ'ল।
থুনুক থানাক কৈ মাত ফুটা নাতিটোক
তেহেলে যা গাইজনীয়ে লঠিয়াব
কথাবোৰ সাঁথৰ হ'ল।
এইয়া কি যুগ, যিৎযুগ,
এয়াযেন শিকলি ভঙাৰ যুগ। ❖

এটি ৰূপকথা

পলাশ বৰুৱা

এটি সুৰীয়া কণ্ঠ
এটি সুৰ আছিল
নিৰ্ভীক, আপোচহীন
সুকীয়া এক সত্তা আছিল
প্ৰতিবাদ লৈ আজন্মৰ
জাতিহীন, ধৰ্মহীন,
হিয়াৰ আমঠু তেওঁ
নাছিল কোন প্ৰজন্মৰ
বৰলুইতৰ কোবাল সোঁত!
পাহাৰে ভৈয়ামে বগাই
আই অসমীৰ
যোৰাই ইমুৰ-সিমুৰ
অনবদ্য সৃষ্টিৰাজি
লেখহীন তেওঁৰ গীতৰ শৰাই
খাটিখোৱা মানুহৰ গান
উচ্চস্বৰে যি জনে
সদায়ে আছিলে গাই
শোষক শ্ৰেণীৰ বক্ষ
আছিল যিজনে কপাঁই
তেনেতে আহিল খবৰ
২০২৫ চনৰ ১৯ চেপ্তেম্বৰ
জুবিন দা আৰু নাই!

জুবিন দা আৰু নাই!
সাগৰৰ বাটেৰে হেনো
অচিন মুলুক পালেগৈ
ধৰাৰ বান্ধোন সোলোকাই
নাই আৰু হেনো
'মায়াবিনী'ৰ যাদুকৰ
বাকৰুদ্ধ, অবিশ্বাস্য
বেলি মাৰ গ'ল!
জোন খহি গ'ল!
কঁপি উঠিল শিৰদৌল
নিঃশেষ হৈ সকলো
আই অসমী পুত্ৰহাৰা হ'ল
চৌফালে কান্দোনৰ ৰোল তুলি
ৰূপকথা সামৰি
জননায়ক গুচি গ'ল
ডাৱৰ ফাটি ভৰ দুপৰীয়া
অকস্মাতে চহৰ বুৰ গ'ল
আৰু যে যি হ'ল
সেয়া বৰ্ণনাতীত
আছিল সিদিনা ২১ চেপ্তেম্বৰ
ঘোপমৰা এন্ধাৰত ফুটি উঠিল
যেন অধিনৰ নক্ষত্ৰ

সেই আলোকত ম্লান গ'ল
কি ধনী কি ক্ষুদ্ৰ
জাত-পাত, মচি য'ত সীমান্ত
হিলদল ভাঙি বৈপৰীত্যৰ
সৃষ্ট হ'ল এক জনসমুদ্ৰ
কি যে বিৰাট স্বৰূপ
ৰুদ্ৰৰ কোবাল ৰূপ
চৌদিশে মানুহ, আৰু মানুহ
শত সহস্ৰ, লক্ষ মানুহ
মানুহ দেখিলো সিদিনা
কল্পনাতীত সংখ্যা মানুহৰ
নশ্বৰ দেহাৰে উভতিল
আই অসমীৰ চেনেহৰ পো
লগতে লোকাৰণ্যৰ
সেই মিছিল লৈ
ঢৌ তোলা পাৰাপাৰ নোপোৱা
বোৱাই অশ্ৰুৰ ভাগিৰথী নৈ
সময়ো থমকি সিদিনা
মহাপ্ৰয়াণৰ সাক্ষী হৈ ৰ'ল
ধৰ্ম, বিশ্বাসৰো উৰ্ধত
সৰুসজাই মিলনথলী হ'ল
নতশিৰে সমগ্ৰ প্ৰদেশ....

ম্রিয়মাণ ভাৰত দেশ
পাৰ কৰি নিশা বিষাদৰ
আহি পালেহি ক্ষণ বিদায়ৰ
পুৱালে মঙলবাৰ ২৩ ছেপ্টেম্বৰ
সোণাপুৰ পথাৰত
জীৱন গাথাৰ অন্তিম শয়নত
জ্বলি উঠিল সিদিনা
অনাকাংক্ষিত এখনি চিতা
দাউদাউকৈ দহি নিলে
লগতে অলেখ অযুত কলিজা
মাতৃভূমিৰে মিলিল
হিয়াৰ আমঠু অসমৰ
বাজি উঠিল ডবা,
বাজি উঠিল শংখ
বৰতাল, মৃদং, খোল
চৌফালে তুলি অশ্ৰুৰ কলৰোল
ম্লান পৰিল সুদূৰ
কাঞ্চজংঘাৰ শিখৰ
আকাশে বতাহে
হাবিয়ে পথাৰে
জুবিন দা বিলীন গ'ল
পাহাৰে ভৈয়ামে
বিৰখ, লতা, ধূলিৰ কণায়ে কণায়ে
জুবিন দা বিলীন হ'ল
জনতাৰ স্পন্দনে স্পন্দনে
জাতি জনজাতি কৰি একাকাৰ
সুদৃঢ় কৰি বৰভেটি একতাৰ
গুচি গ'ল মহানায়ক
পাঠ পঢ়াই মানৱতাৰ
উজাৰি দি সৰ্বস্বঃ নিজৰ
মহাপ্ৰস্থান এয়া দাতাকৰ্ণৰ
ফুল, চন্দন, ধূনাৰে
হৰিনাম, আজানৰ ধ্বনিৰে
সানি ভষ্মধূলাৰ তিলকেৰে
সোণাপুৰ তীৰ্থস্থলী,
জুবিনক্ষেত্ৰ হ'ল
ডালৰ পখীয়েও
বৈ বৈ বিনালে ডালতে
জুবিন দা অমৰ হ'ল।
জয় জুবিন দা!
ধন্য, ধন্য জীৱন তোমাৰ
ধন্য তোমাৰ জননীৰ কোলা
ধন্য সেই জন্মভূমি
য'ত তুমি জন্ম ল'লা
দিঠক কৰি সপোন
জ্যোতি-বিষ্ণু যুগীয়া
কল্লোৰিত আজি জগতসভা
উজলি উঠিল অসমীয়া ভাষা
সুৱদি সুৰীয়া!
হৈ হাঁহিৰে জ্যোতিৰূপা
তোমাৰ মাতেৰে প্ৰজ্জ্বলিত
কালজয়ী যত গীতত
তোমাৰ সাধনা
তোমাৰ চিন্তা, তোমাৰ আহ্বানত
তোমাৰ পথেই হওক
পথ এতিয়া আমাৰ
তোমাৰেই কণ্ঠ হওক
কণ্ঠ আমি অসমীয়াৰ
বৰলুইতত লহৰ তুলি
প্ৰতিধ্বনিত হৈ সীমাৰো সিপাৰ। ❖

মেঘালী

মাণিক চন্দ্ৰ বৰা

এৰা তোমাক মেঘালী নামেৰেই মাতিম
শৰতৰ বিয়লি অৰুণৰ আলোকেৰে
তোমাৰ যি মোহনীয় বিনন্দীয়া ৰূপ
মোক উদ্বুদ্ধ কৰিলে তোমাৰ ৰূপৰ গৰিমা গাবলৈ
কেতিয়াবা শুকুলা ৰূপত ৰাজহংসৰ পাখি যেন হৈ
নীল আকাশ শুভ্ৰতাৰে বিধৌত কৰা
কেতিয়াবা ৰঙা হালধীয়া আৰু সুমথিৰাৰ আভাৰে
বিভূষিত হোৱা
তোমাৰ এইবোৰ ৰূপত সঁচাকৈ মন বলিয়া হয়।
কিন্তু কেতিয়াবা তোমাৰ ৰূপ হয় অতিকে ভীষণ
ধুমুহাৰ লগত সমানে গৰজি
কালৰূপ ধৰি যেতিয়া সূৰ্যকো ঢাকি ধৰা
ভয়াৰ্ত হৃদয়ে আৰু তোমাৰ ৰূপ বৰ্ণনাৰ ভাষা নাপায়।
তথাপি তুমি মানৱৰ অতিকে আপোন
ৰৌদ্ৰপিষ্ট পৃথিৱীত তোমাৰ
আগমনে উল্লাসিত কৰে সকলো মন
খৰাং জীপাল হোৱাৰ বাসনাত মগন। ❖

চাকনৈয়া

মধুস্মীতা গগৈ

আজিকালি চোন
মনটো কিবা ভাল লাগি নাথাকে
সকলো সময়তে মাথো শূণ্যতা
কিবা এটা অভাৱৰ অনুভৱ
সকলো থকাৰ পাছতো
কিহৰ বাবে এই বিৰাগতা?
চিন্তাৰ মগজুত চাকনৈয়াৰ সৃষ্টি
উত্তৰ হ'লে নাই
জীৱনত পোৱা নোপোৱাৰ তুলাচনীত
বিফলতাৰ দগাৰ ওজন বেছি
বিষাদ, বিদ্বেষ আৰু এলেহুৱা ভাৱ
সেয়েহে মনত এক বিষাক্ত কীট্
সকলো মুহূৰ্ততে কামোৰে বিবেকক
অচেতন কৰিবলৈ বিচাৰে সবল চিন্তাক
সময়ৰ গতিৰ লগত ফেৰ মাৰিবলৈ
নিশিকাৰ যি যান্ত্ৰণা.....
চট্‌ফটনিতহে উপলব্ধি হয়
অবাবত নষ্ট কৰা প্ৰতিটো ভুলৰ
শাস্তি কিন্তু এইখন ধৰাতেই
প্ৰায়শ্চিত্তৰ সুবিধা অতিকে কম
উপলব্ধি হয় মানে ...
জীৱন ডিঙা বহু দূৰলৈ বৈ যায়
আজিকালি হৃদয়ঙ্গম কৰিব পাৰিছো
সন্তানৰ প্ৰতিটো খোজ ক'ত পৰিব লাগে
কোনবোৰ দিশত চকু দিব লাগে
নহ'লে ভাল নলগা দিনবোৰ
মুহূৰ্তবোৰ তাৰো এনেকৈয়ে আহিব
দুস্বপ্নই আৱৰি ধৰিব
মনটো কিবা ভাল নালাগিব।❖

আশংকা

নৱনীতা মেধি



কিমান যে চৰাই দেখিছিলো আগতে
আমাৰ চৌপাশে!
ৰাতিপুৱা, দুপৰীয়া, গধূলি
শুনিছিলো
বিভিন্ন চৰাইৰ মাত,
আজি ক'ত হেৰাই গ'ল
সেই চৰাইবোৰ?
সেউজীয়া, হালধীয়া,
ৰঙা, বগা,
নীলা, ক'লা —
ৰং বিৰঙৰ চৰাই,
ঘৰচিৰিকা, শালিকা,
মাছৰোকা, কাঠৰোকা,
চেতচেতি, টিয়া
লগতে বগলীৰ জাক
কাউৰী কেইজনীকো নেদেখাই হলোঁ,
দূৰৈৰ পৰা শুনোহে কেতিয়াবা
ফেঁচাৰ উৰুলি,
চিলনী আৰু বৰটোকোলাকেইটা
ক'লৈ বা গ'ল ?
সিহঁতৰ বাহবোৰো যে নোহোৱা হ'ল,
গছবোৰো নোহোৱা হ'ল
ডাঙৰ ডাঙৰ
ডালপাতেৰে ভৰপূৰ ,
কেৱল ইটা, বালি, চিমেণ্টেই
সৰ্বস্ব হোৱা মানুহবোৰে
আজিকালি টাবতহে ৰোৱে গছ,
খেতি কৰে চাদত।
সেউজীয়া বননি আৰু ঘাঁহনিৰ
নিচিনাকৈ
চৰাইবোৰো নোহোৱাহে যাব
নেকি বাৰু কেতিয়াবা?
কিতাপৰ পাততহে
চাব লগা হ'ব নেকি এদিন
সিহঁতৰ ছবি? ❖

নৱ ব'হাগ

বিশ্বকুমাৰী শইকীয়া

দূৰৈৰ বন-বননিত
বিৰিখৰ ডালে ডালে
কুলি-কেতেকীৰ মিঠা মাতত
ব'হাগ অহাৰ জাননী!
বসন্তৰ বিষাদত জৰ্জৰিত
লঠঙা গছৰ ডালত
ন ন কোমল কুঁহিপাতে
মিচিকি হাঁহি মাৰে
নতুনৰ আশা-প্ৰত্যাশাত
ব'হাগক আদৰাৰ প্ৰতিশ্ৰুতি লৈ।
ঘন ক'লা ডাৱৰৰ চিক্ মিক্ বিজুলীৰ স'তে
নামি আহে ধৰণীৰ বুকুলৈ
বহু আকাংক্ষিত
দেহ-মন শীতল কৰা
চিপ্-চিপিয়া এজাক বৰষুণ!
গছে পাতে পানী পাই
বিশ্ব-বসুন্ধৰাৰ বুকু ফুলে-ফলে জাতিষ্কাৰ,
ধৰিত্ৰী জীপাল হৈ উঠে।
পানী পাই সৰ্পিল কপৌজোপাই গছত
খোপনি পোতে ব'হাগৰ বতৰা পাই ;
কপৌফুলৰ সৌন্দৰ্যত
গাভৰুৰ মন মতলীয়া —
তাঁত শালৰ খিট্-খিটনিত
ডেকা-গাভৰুৰ গাত পিৰীতি জাগে।
কেতেকীৰ বিননিত নধৰে টোপনি
তত্ নাই নাচনীৰ গাত
ঢোল-পেঁপা, গগনাৰ মাতত
আকাশ-বতাহ ৰজনজনায়
নাচনীৰ লয়লাস ভঙ্গীত
হেঁপাহৰ ব'হাগক আদৰে।
ন ন সৃষ্টিৰ বতৰা লৈ
ন-কুঁহিপাতৰ সেউজী বসন পিন্ধি
গছে-পাতে, ফুলে-ফলে
নতুনৰ মেলা পাতে।
নৱ ব'হাগত অসমীয়া জাতিয়ে
স্নান কৰে, নৱবস্ত্ৰ পৰিধান কৰি
কৃষ্টিৰ পথাৰখনত
বাৰেৰহনীয়া সংস্কৃতিৰ বীজ ৰোপন কৰি
মানৱতাৰ সম্প্ৰীতিৰ ঐক্যতানেৰে
সমন্বয়ৰ সেঁতু গঢ়ে।
ন ন সৃষ্টিৰ ৰূপ লাৱণ্যৰে ভৰাই
আমাৰ বিনন্দীয়া কৃষ্টি-সংস্কৃতি
জিলিকাব লুইতৰ পাৰ
নেথাকিব জাতিৰ পাৰাপাৰ,
ঐক্য ,শান্তি , প্ৰগতিৰ গানেৰে
বোৱাই দিব লুইতৰ দুই পাৰ। ❖

42nd

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati - 781006

Receipt & Expenditure Statement (2025)

RECEIPT		AMOUNT
Collection From Donation Books		467441
Collection	363241	
Donnor's Contribution for Prizemoney	83000	
Compitition Joining Fees	21200	
Sponsorship		176951
Others	176951	
Oil India Ltd		
NESFB		
Vitronix		
ADS Technologies		
Orchid		
Urja		
Shiva		
Sonico		
Field Fare		10000
Govt of Assam Financial Assistance		150000
Interest from Deposit		979
Total Receipt		805371
Opening Balance		125550
Cash	15499	
Bihu Bank A/c	38351	
BRSCC Bank A/c	71700	
Carried forward -		930921

EXPENDITURE		AMOUNT
Printing & Stationaries		86922
Magazine	60000	
Donation Book & Gohori	20000	
Flex Printing	1480	
Art Competition Stationaries	4803	
Stationaries	639	
Liability		
Stamp		
Certificates		
Printing Misc		
Pandal & Generator		24000
Stage & Pandal	23550	
Flag Pipe + String + Paint	450	
Generator Diesel		
Gamocha & Badges		35650
Gamoch	21250	
Badges	5400	
Japi	9000	
Trophies & Mementos		4036
Reception & Felicitation		48890
Cook & Helper	5500	
Grocery & Vegetables	29400	
Dal, Chira & Sweets	4800	
Disposables	1690	
Cylinder		
Catering	3500	
Naam Prohonga	4000	
Sound & Lighting Arrangement		36000
Sound	36000	
Light		
Photographer		13000
Renumeration To Judges		27000
Husori & Bihurani Judges	16000	
Art Compitition Judge	2000	
Mu Kuwori & Dance	9000	
Magazine Article Competition		
Labour Charges		12200
Prize Money for Compititions		141007
Husori Bihu	60003	
Bihu Raani	20001	
Dhulia and Pepuwa	15000	
Mou Kuwori	22003	
Modern Dance	14000	
Magazine Article	10000	
Carried forward -		428705

42nd

Brihattar Rukmini Nagar Rongali Bihu Udjapan Samiti

Rukmini Nagar, Housing Colony, Guwahati - 781006

Receipt & Expenditure Statement (2025)

RECEIPT	AMOUNT
Brought forward -	930921
	930921

EXPENDITURE			AMOUNT
Brought forward -			428705
Cultural Expenditure			424500
1st Day		2000	
2nd Day		74000	
3rd Day		348500	
Anchor			
ADS Technologies & Vitronix			
Miscellaneous Expenses			13884
Conveyance		5200	
Media Team			
Banner Frame & Pasting			
Green Room Painting		2580	
Refreshment & Meeting Expenses		5654	
Water			
Cleaning Material			
Egg for Kani Juj			
Sombardhona Patra			
Bank Charges			
Priti Bhoj			
Misc		450	
Total Expenditure			867089
Closing Balance			
Cash-in-hand		50151	63832
BRSCC Bank A/c		6700	
Opening	71700		
Deposited	44200		
Withdrawal	109200		
Bihu Bank A/c		6981	
Opening	38351		
Deposited	287651		
Interest Accrued	979		
Bank Charges			
Withdrawal	320000		
			930921



Page 2 of 2


প্ৰয়াত ভূপেন হাজৰিকা
প্ৰয়াত জুবিন গাৰ্গৰ স্মৃতিত
গীতৰ এটি সন্ধিয়া

শ্রীযুক্তা মীনাক্ষী দাস, শ্রীযুক্ত শ্যাম মহন্ত, শ্রীযুক্তা নন্দিতা বুড়াগোহাঁই, শ্রীযুক্তা বন্দনা শইকীয়া, শ্রীযুক্ত চিত্তরঞ্জন শর্মা, শ্রীযুক্ত সৌরভ বরুকাকতি, শ্রীযুক্ত পার্থপ্রতিম শর্মা, শ্রীযুক্ত মহেশ ডেকা, শ্রীযুক্ত মহানন্দ দাস, শ্রীযুক্ত অজিত বৰুৱা, শ্রীযুক্ত দীপজ্যোতি নাথ মহন্ত, শ্রীযুক্তা মিনু কাকতি, শ্রীযুক্তা পল্লবী শইকীয়া, শ্রীযুক্ত সঞ্জয় হাজরিকা, শ্রীযুক্তা কল্পনা কুমারী ফুকন, শ্রীযুক্ত অমিয়া বৰদলৈ, শ্রীযুক্ত প্রতিরঞ্জন ফুকন, তপন কুমার নিয়োগিনী, পুষ্প চুতিয়া, শ্রী নিতা চিলবীয়া, শ্রীযুক্ত অর্ণৱ ডেকা, শ্রীযুক্ত চিত্তরঞ্জন ডেকা, শ্রীযুক্ত বিজয় বৰুৱা, শ্রীযুক্ত নির্মল দত্ত, শ্রীযুক্ত জ্যোতি আহিজাৰ্য, জয় মহন্ত ডেকা, শ্রীযুক্ত জয়শ্রী দত্ত, শ্রীযুক্ত উৎপল বৰুৱাকটকী, শ্রীযুক্ত মহেন্দ্র শর্মা, শ্রীযুক্ত ভগবান কলিতা, শ্রীযুক্ত প্রদীপ দত্ত, শ্রীযুক্ত দীপেন চক্রবর্তী, শ্রীযুক্ত কুশল পাঠক, শ্রীযুক্ত লক্ষ্মী দাস, শ্রীযুক্ত মহেশ দাস, শ্রীযুক্ত প্রদীপ দাস চক্রবর্তী, শ্রীযুক্ত কুশল ডেকা, শ্রীযুক্ত অভিজিৎ গগৈ, শ্রীযুক্ত মহেন্দ্র দত্ত, ডাঃ অমিয় কলিতা, শ্রীযুক্ত [illegible] কলিতা, শ্রীযুক্ত মহেন্দ্র বৰুৱা, শ্রীযুক্ত জয়ন্ত পাঠক, শ্রীযুক্ত মৃণালজ্যোতি, [illegible], শ্রীযুক্ত সঞ্জয় ডেকা, শ্রীযুক্ত কুশল জ্যোতি, শ্রীযুক্ত [illegible], শ্রীযুক্ত কানীন চন্দ্র দত্ত, শ্রীযুক্ত অমল বৰুৱা, শ্রীযুক্ত মধু শর্মা, শ্রীযুক্ত দেব গোস্বামী, শ্রীযুক্ত মহেশ বর্মন, শ্রীযুক্ত তুলীৰাম গোস্বামী, শ্রীযুক্ত চন্দ্র শইকীয়া, শ্রীযুক্ত কমল বড়ুৱা, শ্রীযুক্ত মধুসূদন ইসলাম, শ্রীযুক্ত নিতেশ্বর চৌধুৰী, শ্রীযুক্ত অতুল দত্ত, শ্রীযুক্ত শশিকান্ত বৰুৱা দেব, শ্রীযুক্ত দুলাল চৌধুৰী, শ্রীযুক্ত মহেশ্বৰ কাটকী, শ্রীযুক্ত অনু দেউৰী, শ্রীযুক্ত বসু গগৈ, শ্রীযুক্ত পুষ্প দেওৰী, শ্রীযুক্তা অমিয়া দত্ত, শ্রীযুক্তা রেখা চৌধুৰী, শ্রীযুক্ত দেবব্রত ফুকন, শ্রীযুক্ত মহেশ ডেকা, শ্রীযুক্ত মণি দত্ত, শ্রীযুক্ত গোবিন্দ প্রসাদ গোস্বামী, শ্রীযুক্ত অজিত পাটগিৰী, শ্রীযুক্ত বিজেশ্বৰ দত্ত, শ্রীযুক্ত নন্দন হাজৰিকা, শ্রীযুক্ত বিবেক কলিতা, শ্রীযুক্ত নন্দিতা দত্ত, শ্রীযুক্ত পৱন দত্ত, শ্রীযুক্ত ন পাৰ্ক ফুকন, শ্রীযুক্ত পঞ্চানন মহন্ত, শ্রীযুক্ত সত্যব্রত উপাধ্যায়, শ্রীযুক্ত প্রশান্ত কলিতা, শ্রীযুক্ত ৰূপজ্যোতি কাৰ্য্য, শ্রীযুক্ত মহেশ চন্দ্র বড়ো, শ্রীযুক্ত কুমুদ মণি বড়ো, শ্রীযুক্ত চন্দন কাকতি, শ্রীযুক্ত মহেন্দ্র শর্মা, শ্রীযুক্ত মহানন্দ দত্ত, শ্রীযুক্ত দীপক গগৈ, শ্রীযুক্ত আলী, শ্রীযুক্তা পূৰ্ণিমা ফুকন, শ্রীযুক্তা চৌধুৰী বড়গোহাঁই, ইমতিয়াজুল হক, অমল চেতিয়া, দীপ কুমাৰ মিশ্ৰ, [illegible]।

কাৰ্যনিৰ্বাহক সমিতি ঃ

সভাপতি	ঃ	শ্রীযুক্ত মৃদুল বুঢ়াগোহাঁই।
কাৰ্যকৰী সভাপতি	ঃ	শ্রীযুক্ত গোবিন্দ প্ৰসাদ শৰ্মা
উপ-সভাপতি	ঃ	শ্রীযুক্তা মঞ্জুলা কাকতি, দধিৰাম ফুকন, মীনাক্ষী ডেকা, লক্ষ্মী গগৈ দাস, মৃদুল বড়া, পাৰ্থপ্ৰতিম শইকীয়া।
সাধাৰণ সম্পাদক	ঃ	শ্রীযুক্ত পৱন বৰুৱা।
যুটীয়া সম্পাদক	ঃ	শ্রীযুক্ত সৌৰভ বৰা, দীপঙ্কৰ হাজৰিকা।
সহ-সম্পাদক	ঃ	শ্রীযুক্ত ৰাজেন্দ্ৰসিং বৈশ্য শ্রীযুক্ত অঞ্জন পাঠক

কোষাধ্যক্ষ	ঃ	শ্রীযুক্ত গুণজিৎ বৰুৱা, কৌশিক ডেকা।
হিচাপ পৰীক্ষক	ঃ	শ্রীযুক্ত অৰবিন্দ হাজৰিকা।
কাৰ্যালয় সম্পাদক	ঃ	শ্রীযুক্ত নয়নজ্যোতি কাকতি, বদিউৰ ইসলাম [illegible]।

সাংস্কৃতিক বিভাগ ঃ

উপদেষ্টা	ঃ	শ্রীযুক্ত অনীল ডেকা, চিকন বড়গোহাঁই, শ্রীযুক্ত বিশ্বজিৎ বড়গোহাঁই
সভাপতি	ঃ	শ্রীযুক্ত প্ৰফুল্ল বড়ো।
উপ-সভাপতি	ঃ	শ্রীযুক্ত মানসজ্যোতি বৰুৱা, দীপাঙ্ক দত্ত।
সম্পাদক দ্বয়	ঃ	শ্রীযুক্ত কৃষ্ণজ্যোতি দাস, ডাঃ সত্যব্রত বৰুৱা।
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী জয়ন্ত গগৈ, মনীষা গগৈ, মালবী দাস, বিকাশ ভৰালী, [illegible], বিশ্বজিৎ বৰুৱা, [illegible], অঞ্জন শৰ্মা, ডাঃ [illegible] দেৱী, [illegible], নয়নজ্যোতি হাজৰিকা, [illegible]।
সদস্য	ঃ	[illegible]

পৰিকল্পনা আৰু প্ৰচাৰ বিভাগ ঃ

উপদেষ্টা	ঃ	শ্রীযুক্ত [illegible]
সভাপতি	ঃ	শ্রীযুক্ত [illegible]
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী [illegible]
সম্পাদক	ঃ	শ্রীযুক্ত মৃদুল বৰা।
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী [illegible], দীপাঙ্কৰ পাঠক, বিষ্ণু শৰ্মা, মৃণালজ্যোতি দাস, গৌতম কাকতি।
সদস্য	ঃ	সৰ্বশ্ৰী দীপক গুপ্তা, মৃদুল দাস, ইন্দ্ৰজিৎ ডেকা, প্ৰণজিৎ ফুকন, অৰূপ বৰা, প্ৰণৱ বৰা, জ্যোতিময় বৰ্মন, মানব বড়গোহাঁই।

ক্ৰয় ও আতিথ্য বিভাগ ঃ

উপদেষ্টা	ঃ	ডাঃ ফটিক আহমেদ, শ্রীযুক্ত কাঞ্চন দাস, শিৱপ্ৰসাদ ডেকা।
সভাপতি	ঃ	শ্রীযুক্ত অপূৰ্ব কলিতা।
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী মৃদুল ডেকা, দিগন্ত কলিতা, অমৰজিৎ বৈশ্য।
সম্পাদক	ঃ	সৰ্বশ্ৰী নয়নদীপ বড়ো, অঞ্জন দেৱৰাজ।

সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী অৰূপ জ্যোতি দাস, মিঠু মল্লিক, দিপুল দত্ত, ধনঞ্জয় বড়ো, প্ৰাঞ্জল ডেকা, মিকৰ পাটগিৰী।
সদস্য	ঃ	সৰ্বশ্ৰী উৎপল দাস, মিৰ্জী বড়ো, মৃদুলাম বড়ো, গৌতম শইকীয়া, প্ৰণৱ জ্যোতি হাজৰিকা, অৰূপ বৰা, মৰ্ম অভিজিৎ, বিকাশজ্যোতি মহন্ত, নমাল বড়ো, ডাঃ বিশাল ডেকা, জ্যোতিৰ্ময় বৰুৱা, সঞ্জয় বড়ো, কাঞ্চন জ্যোতি দত্ত, বিশ্বজিৎ দাস, বাদল বোস।

আপ্যায়ন বিভাগ ঃ

উপদেষ্টা	ঃ	শ্রীযুক্তা শশীকলা বৰুৱা, ডাঃ দিলীপ ডেকা, শ্রীযুক্ত মদন কলিতা, শ্রীযুক্তা গীতা ডেকা, শ্রীযুক্তা পূৰ্ণিমা হাজৰিকা, শ্রীযুক্তা উপমা মাধুৰী দত্ত, শ্রীযুক্ত দিলীপ শইকীয়া দাস, শ্রীযুক্তা নিৰ্মলা ডেকা, মিনু বৰুৱা।
সভাপতি	ঃ	শ্রীযুক্ত নৱ গগৈ।
উপ-সভাপতি	ঃ	শ্রীযুক্তা পুষ্পাঞ্জলি গগৈ, শ্রীযুক্তা কাকলি বৰদলৈ।
সম্পাদক	ঃ	শ্রীযুক্ত অভিজিৎ দেৱৰী।
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী [illegible] ডেকা, [illegible]।
সদস্য	ঃ	সৰ্বশ্ৰী বিশ্বজিৎ দত্ত, বিদিশা ডেকা, [illegible] কলিতা, [illegible], [illegible], [illegible] ডেকা।

অভ্যৰ্থনা বিভাগ ঃ

সভাপতি	ঃ	শ্রীযুক্ত অপূৰ্ব শৰ্মা।
উপ-সভাপতি	ঃ	শ্রীযুক্ত [illegible] কলিতা, [illegible] দত্ত, মধু বৰা, মুন তত্ত্ব বৰা।
সম্পাদক দ্বয়	ঃ	শ্রীযুক্ত বাবুল ভূঞা, মনোজ কাশ্যপ।
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী চুমি চৌধুৰী, অঞ্জন বড়ো, জয়ন্ত বড়ো (খাটু)।
সদস্য	ঃ	সৰ্বশ্ৰী বায়মনা মল্লিক, অভয় ভূঞা, পিণ্টু বড়ো, বাবুল গগৈ, অনন্ত বড়ো, বিপ্লব মল্লিক, নয়ন বৰুৱা, মিনু বৰুৱা, কাকলি চৌধুৰী, নিৰ্মলা কাশ্যপ, দীপালি দাস, উৎপল বড়ো, সাবিত্ৰ বড়ো, উৎপল বৰা।

প্ৰতিবেদন বিভাগ ঃ

উপদেষ্টা	ঃ	শ্রীযুক্ত অঞ্জন বুঢ়াগোহাঁই।
সভাপতি	ঃ	সৰ্বশ্ৰী মহেশ কুমাৰ শৰ্মা, অৰুণেশ বৰা, জ্যোতি প্ৰকাশ ডেকা, বাবুল বড়ো, পুতু বড়ো।
উপ-সভাপতি	ঃ	সৰ্বশ্ৰী ৰাজমোহন বড়ো, তিলেশ বড়ো, মুনীন্দ্ৰ হাজৰিকা, মৃদুলা শইকীয়া, শচীন বড়ো।
সম্পাদক	ঃ	সৰ্বশ্ৰী চন্দন দাস, মৃণাল ভট্টাচাৰ্য।
সহ-সম্পাদক	ঃ	সৰ্বশ্ৰী মৃদুল গগৈ, অজিত সিং, ৰাজেশ বৰা, হেমেন্দ্ৰ ডেকা, বাৰ্তা বড়ো, স্বপ্নিল শৰ্মা।
সদস্য	ঃ	সৰ্বশ্ৰী [illegible] বড়ো, [illegible] বড়ো, [illegible] বৰা, অভিজিৎ মণ্ডল, সমীৰ [illegible], [illegible], [illegible] ডেকা, [illegible]।

নাম-প্ৰসংগ বিভাগ ঃ

শ্রীযুক্ত গোপাল ডেকা, শ্রীযুক্ত [illegible] ষীৰ।

কাৰ্যকৰী সদস্য ঃ

সৰ্বশ্ৰী [illegible], [illegible], [illegible] কলিতা, [illegible], নিৰুপম পাঠক, পাৰ্থজ কাকতি, গৌতম বৰুৱা, [illegible] ডেকা, [illegible] সিংহ, বলিমাৰ বিষয়া, [illegible], [illegible], [illegible] কলিতা, [illegible] দাস, [illegible], [illegible] শিৱম, [illegible] দাস, [illegible] বিশ্বাস, [illegible] বৰুৱা, [illegible] কলিতা, [illegible], [illegible] বৈশ্য, [illegible], [illegible], [illegible] দাস, [illegible] বড়ো, [illegible] বৰুৱা, [illegible] পাঠক, [illegible] শৰ্মা, [illegible] দাস, [illegible] বড়ো, [illegible] দাস, [illegible] কলিতা, [illegible] দাস, [illegible] সিং, [illegible] বড়ো, [illegible] দাস, [illegible] দাস, [illegible] বড়ো, [illegible] দাস, [illegible] বৰুৱা, [illegible] সিং, [illegible] বড়ো, [illegible] দাস, [illegible] বৰুৱা, [illegible] দাস, [illegible] শৰ্মা, [illegible] দাস, [illegible] বড়ো, [illegible] বৰুৱা, [illegible] দাস, [illegible] বড়ো, [illegible] শৰ্মা, [illegible] হাজৰিকা, [illegible] দাস, [illegible] দাস, [illegible] বড়ো, [illegible] দাস, [illegible] দাস, বাবুল দাস।

[illegible]

৪২ সংখ্যক বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলন (২০২৫)ৰ
সদৌ অসম ভিত্তিত
চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটা আৰু সন্মানীয় দাতাসকল

চিত্ৰাংকণ প্ৰতিযোগিতাৰ বঁটাসমূহ ঃ

প্ৰয়াত পৰেশ নেওগ সোঁৰৱণী বঁটা

প্ৰয়াত প্ৰভা গাৰো সোঁৰৱণী বঁটা

প্ৰয়াত ৰঞ্জিত দাস সোঁৰৱণী বঁটা

প্ৰয়াত সিদ্ধাৰ্থ প্ৰতিম শইকীয়া সোঁৰৱণী বঁটা

প্ৰয়াত বিশ্বলেখ কলিতা সোঁৰৱণী বঁটা

দাঁতাঃ শ্ৰীযুতা জুনু নেওগ আৰু পৰিয়ালবৰ্গ

শ্ৰীযুত হেম শইকীয়া আৰু পৰিয়ালবৰ্গ

দাঁতা ঃ শ্ৰীযুত ৰজনী গাৰো আৰু পৰিয়ালবৰ্গ

শ্ৰীযুত মিনু নাথ আৰু পৰিয়ালবৰ্গ

দাঁতা ঃ শ্ৰীযুত দিগন্ত কলিতা

শ্ৰীযুতা স্নেহা মেধি কলিতা।

পৰম্পৰাগত খেলধেমালি প্ৰতিযোগিতাৰ পুৰস্কাৰৰ দাতা ঃ

ৰাজকুমাৰ ছেত্ৰী আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত একক আৰু দলীয় শাখাত নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰৰ দাতা সমূহঃ

শ্ৰীযুত পংকজ কাঠকটীয়া আৰু পৰিয়ালবৰ্গ আৰু ৰাজকুমাৰ ছেত্ৰী আৰু পৰিয়ালবৰ্গ।

নমিতা ঠাকুৰীয়া সোঁৰৱণী বঁটা ঃ

'সাহোন'ত প্ৰকাশিত শ্ৰেষ্ঠ প্ৰবন্ধ, গল্প আৰু কবিতা প্ৰতিযোগিতাৰ দাতা ঃ

শ্ৰীযুত চক্ৰধৰ মটক আৰু পৰিয়ালবৰ্গ

সদৌ অসম ভিত্তিত বিহু হুঁচৰি আৰু বিহুৰাণী প্ৰতিযোগিতাৰ ফলাফল আৰু সন্মানীয় দাতাসকল, ইং ১৬ এপ্ৰিল, ২০২৫

বিহুৰাণী ২০২৫ ঃ ৰাজশ্ৰী নাথ

এটি ৰূপৰ মুকুত আৰু শোভেশ্বৰী দাস সোঁৱৰণী বঁটা লগতে নগদ ২০,০০১ টকা

দাঁতা ঃ দেৱজিৎ দাস আৰু পৰিয়ালবৰ্গ

বিহু হুঁচৰি প্ৰথম পুৰস্কাৰ ঃ
চৰাইদেউ সমন্বয় বিহু হুঁচৰি
প্ৰয়াত লীলাধৰ বৰগোহাঁই আৰু অমিয়া বৰগোহাঁই সোঁৱৰণী চলন্ত বঁটা লগতে নগদ ধন ৩০,০০১ টকা।
দাঁতা ঃ কৰ্ণেল বিদ্যুৎ কুমাৰ বৰগোহাঁই, মৃণাল কুমাৰ বৰগোহাঁই, নিৰুদ্ধ কুমাৰ বৰগোহাঁই।
বিহু হুঁচৰি দ্বিতীয় পুৰস্কাৰ ঃ
ৰংঘৰ বিহু হুঁচৰি দল
প্ৰয়াত বিতুল বৰুৱা সোঁৱৰণী চলন্ত বঁটা আৰু নগদ ধন ২০,০০১
দাঁতা ঃ পাৰুল বৰুৱা আৰু পৰিয়ালবৰ্গ

মৌ কুঁৱৰী প্ৰতিযোগিতাৰ ফলাফল

প্ৰথম স্থান ঃ সংযুক্তা শৰ্মা
প্ৰয়াত ফুলেশ গগৈ সোঁৱৰণী বঁটা আৰু নগদ ধন ১০,০০১ টকা
দাঁতা ঃ শ্ৰীমতী ৰাণু গগৈ আৰু পৰিয়ালবৰ্গ
দ্বিতীয় স্থান ঃ মৈত্ৰী বৰা আৰাধ্যা সোণোৱাল
প্ৰয়াত মাধৱ ভৰালী সোঁৱৰণী বঁটা
দাঁতা ঃ তপন ভৰালী আৰু পৰিয়ালবৰ্গ
তৃতীয় স্থান ঃ কৃষ্টি শইকীয়া
প্ৰয়াত লাৱণ্য পাঠক সোঁৱৰণী বঁটা
দাঁতা ঃ অঞ্জয় পাঠক আৰু পৰিয়ালবৰ্গ
বিচাৰকৰ বিশেষ স্থান ঃ ৰুদ্ৰাণী বৰুৱা
বিৰিণা বন চৌধুৰী

বিহু হুঁচৰি তৃতীয় পুৰস্কাৰ ঃ হাবুং হুঁচৰি দল
প্ৰয়াত কুঞ্জলতা দাস সোঁৱৰণী চলন্ত বঁটা লগতে নগদ ১০,০০১ টকা
দাঁতা ঃ হৰেন দাস আৰু পৰিয়াল বৰ্গ
শ্ৰেষ্ঠ ঢুলীয়া ঃ ডিক্ৰম বিহু হুঁচৰি
প্ৰয়াত স্মৃতিলেখা নাথ সোঁৱৰণী বঁটা
দাঁতা ঃ পৰিয়ালবৰ্গ
শ্ৰেষ্ঠ পেঁপুৱা ঃ চেৰেকাপাৰ সুৰুযমুখী
প্ৰয়াত কমল কাকতি সোঁৱৰণী বঁটা
দাঁতা ঃ মঞ্জুলা কাকতি আৰু পৰিয়ালবৰ্গ
বিচাৰকৰ বিশেষ স্থান ঃ
শ্ৰীবিপুল বৰা, শ্ৰীজানমণি ফুকন,
শ্ৰীগীতু মণি দাস, শ্ৰীপম্পী হাজৰিকা

আধুনিক নৃত্য প্ৰতিযোগিতাৰ ফলাফল

একক শাখা
প্ৰথম স্থান ঃ ধৃতী দাস
দ্বিতীয় স্থান ঃ নীতিশা দত্ত
তৃতীয় স্থান ঃ হিমাশ্ৰী দাস
দলীয় শাখা
প্ৰথম স্থান ঃ ৰদালী ডান্স গ্ৰুপ
দ্বিতীয় স্থান ঃ এছ. ভাইৰচ ডান্স গ্ৰুপ
তৃতীয় স্থান ঃ শক্তি ডান্স গ্ৰুপ

আমাৰ অসম

অজান মুলুকৰ ঠিকনাত

[illegible]

■ হেমাংগী মটক পাণ্ডে (জেঠাই)

The Assam Tribune

Poet awarded

GUWAHATI, April 16: The Namita Thakuria Matak Memorial Award has been conferred on poet [illegible]. The award was presented by Hemangi Pandey – in whose mother's name the award has been instituted – to [illegible] at the Rukminnagar Rangamancha Bihutoli in the city today. The award carries a cash prize and a book. – Staff Reporter

৪২ তম্ বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহু সন্মিলনৰ ২০২৫ বৰ্ষৰ নমিতা ঠাকুৰীয়া মটক বঁটা প্ৰাপকসকল

প্ৰবন্ধ শিতানত	ঃ	গৌতম ওঁজা
গল্প শিতানত	ঃ	পাৰুল বৰুৱা
কবিতা শিতানত	ঃ	অঞ্জয় পাঠক

বঁটাৰ দাঁতাসকল

শ্ৰীযুত চক্ৰধৰ মটক (স্বামী)
শ্ৰীপল্লৱী বুঢ়াগোঁহাই (জেষ্ঠ জীয়ৰী)
শ্ৰীইন্দ্ৰাণী ঠাকুৰীয়া (মাজু জীয়ৰী)
শ্ৰীহেমাঙ্গী ঠাকুৰীয়া পাণ্ডে (কণিষ্ঠ জীয়ৰী)
শ্ৰীৰবিজ্যোতি মটক (পুত্ৰ)

বিহুৰ বিভিন্ন অনুষ্ঠানৰ কিছু স্থিৰ চিত্ৰ-২০২৫

বিহু পতাকা উত্তোলনৰ মুহূৰ্ত

স্মৰণিকা 'সাহোন' উন্মোচন

পুৱাৰ সাংস্কৃতিক অনুষ্ঠানৰ কিছু অংশ

বয়োজ্যেষ্ঠৰ সম্বৰ্দ্ধনা অনুষ্ঠান

সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান

সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত শিল্পী পংকজ বৰাৰ বাৰেৰহণীয়া অনুষ্ঠান

সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত অলংকৃতা-ৰূপাংকৃতাৰ গীতৰ শৰাই

বঁটা প্ৰদান অনুষ্ঠানৰ কিছু অংশ

মৌ কুঁৱৰী প্ৰথম পুৰস্কাৰ বিজেতা-শ্ৰীসংযুক্তা শৰ্মা

মৌ কুঁৱৰী দ্বিতীয় পুৰস্কাৰ বিজেতা-শ্ৰীমৈত্ৰী বৰা

মৌ কুঁৱৰী তৃতীয় পুৰস্কাৰ বিজেতা-শ্ৰীকৃষ্টি শইকীয়া

বিহু হুঁচৰি প্ৰথম পুৰস্কাৰ বিজেতা
চৰাইদেউ সমন্বয় বিহু হুঁচৰি দল

বিহু হুঁচৰি দ্বিতীয় পুৰস্কাৰ বিজেতা
ৰংঘৰ বিহু হুঁচৰি দল

বঁটা প্ৰদান অনুষ্ঠানৰ কিছু অংশ

ঁনমিতা ঠাকুৰীয়া মটক সোঁৱৰণি বঁটা বিজয়ী-শ্ৰীগৌতম ওঁজা-প্ৰৱন্ধ শিতান

ঁনমিতা ঠাকুৰীয়া মটক সোঁৱৰণি বঁটা বিজয়ী
শ্ৰীপাৰুল বৰুৱা-গল্প শিতান

ঁনমিতা ঠাকুৰীয়া মটক সোঁৱৰণি বঁটা বিজয়ী
শ্ৰীঅঞ্জয় পাঠক-কবিতা শিতান

শ্ৰেষ্ঠ ঢুলীয়া-ডিক্ৰম বিহু হুঁচৰি দল

শ্ৰেষ্ঠ পেপুৱা-চেৰেকাপাৰ সূৰুযমুখী বিহু হুঁচৰি দল

বৃহত্তৰ ৰুক্মিণীনগৰ ৰঙালী বিহুৰ লগত জড়িত যিসকল ব্যক্তিয়ে বিগত বছৰটোত আমাৰ মাজৰপৰা চিৰদিনৰ বাবে বিদায় মাগিলে, তেওঁলোকৰ পৱিত্ৰ আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাৰে সোঁৱৰিছোঁ।

উমেশ চন্দ্ৰ শৰ্মা

মুকুল চন্দ্ৰ বুঢ়াগোঁহাই

কৰুণা কান্ত চৌধুৰী

দীনবন্ধু বৈশ্য

দেৱজিৎ নাৰায়ণ কোঁৱৰ

কৰুণা কান্ত ডেকা

প্ৰমথ শৰ্মা

তাৰিণী কান্ত কলিতা

গিৰীশ চন্দ্ৰ বসুমতাৰী

ৰাজীৱ লোচন শইকীয়া

বাবলু নাথ

ৰিংকু শাহা

ননী ৰাম ডেকা

চৈয়দা নাজনীন হুছেইন

সূৰ্য্যলতা বড়ো

চাৰু পাঠক

পল্লৱী কাকতি

বিৰলা ব্ৰহ্ম

মৰমী দাস

চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফল-২০২৬

ক শাখা - প্ৰথম- ভূমুণি শৰ্মা

ক শাখা - দ্বিতীয়-কৃষিতা বৰ্মন

ক শাখা - তৃতীয়-ৰূদ্ৰাক্ষী উপমন্যু

খ শাখা - প্ৰথম-নম্ৰতা শইকীয়া

খ শাখা - দ্বিতীয়-ৰগ্ৰজিনি গগৈ

খ শাখা - তৃতীয়-অভিলাষা দাস



ক শাখা - নিচুকণি-জাগ্ৰভ জ্যোতি মহন্ত



খ শাখা - নিচুকণি-পাৰুশী দত্ত

বিচাৰক
শ্ৰীযুত জয়ন্ত দাস
শিক্ষক, মহৰ্ষি বিদ্যালয়

ৰঙালী বিহু প্ৰীতি আৰু শুভেচ্ছাৰে....

ড্ৰিমচ্ ক্ৰিয়েচন
Dreams Creation
A Play School with Difference
VAN & DAYCARE FACILITY AVAILABLE

House No.-37, Rangamancha Path, Beltola
CONTACT No.
94350-40771, 99546-18182, 82568-22407, 99542-09868

অসমীয়া নৱ বৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছাৰে......

ORCHID

IDEA PLAN ACTION

ORCHID TECHNOLOGY

An ISO 9001-2015 Certified Company



- Vision
- Safety
- Vibration
- Sensing
- Positioning
- Connecting
- Wireless

অসমীয়া নৱ বৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছাৰে......

Amul

The Taste of India

অসমীয়া নৱ বৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছাৰে......

Union Bank
of India

অসমীয়া নৱ বৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছাৰে......

ADS TECHNOLOGIES
automation solutions, simplified.

ADS Technologies
Bavdhan, Pune : 411021, India

অসমীয়া নৱ বৰ্ষ তথা ৰঙালী বিহুৰ শুভেচ্ছাৰে......

NEDFi


nEDFi
NEDFi PAVES THE WAY FOR ENTREPRENEURSHIP GROWTH IN NORTHEAST INDIA
Providing credit to Industries
Capacity Building and Market Linkages
Advisory and Consultancy Services
For Investment Opportunities In The North East, Please Contact Us.
North Eastern Development Finance Corporation Limited
नॉर्थ ईस्टर्न डेवलपमेंट फायनेंस कॉर्पोरेशन लिमिटेड
www.nedfi.com
☎ 0361 2222200

NUMALIGARH
REFINERY
LIMITED
A GOVERNMENT OF INDIA ENTERPRISE
NRL
ৰঙালী বিহুটি
আপোনাৰ বাবে ৰঙীন
আৰু সুখময় হওক।
CONNECT WITH US ON
www.nrl.co.in
@NRL.MoPNG
@nrl_mopng
Numaligarh Refinery Limited Assam